# নৰজ্যোতি মহাবিদ্যালয়

# আলোচনী

সপ্তদশ সংখ্যা

১৯৭৬-৭৭ বৰ্ষ



সম্পাদক

আজাদ হুছেইন শ্বৰীফ

প্ৰতি,
Library
অধ্যক্ষ

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## সপ্তদশ সংখ্যা ঃ ১৯৯৬-৯৭ ইং

সম্পাদক ঃ আজাদ হুছেইন শ্বৰীফ

তত্ত্বাৱধায়কদ্বয়ঃ সাহাব উদ্দিন খান ( প্ৰৱক্তা )
আজিজুৰ ৰহমান দেৱান ( প্ৰৱক্তা )

Estd.-1971
Dist.-Kamrup.
(Assam).

NABAJYOTI COLLEGE
KALGACHIA
LEARN. LABOURE. SERVE

# Nabajyoti College Magazine

## Volume : XVII : 1996-97

Editor : Azad Hussain Sharif

Lect. In-charges' : Shahab Uddin Khan
Azizur Rahman Dewan

NABAJYOTI COLLEGE
LEARN LABOUR & SERVE
KALGACHIA ASSAM

**নৱজ্যোতি মহাবিদ্যালয় আলোচনী**
**সপ্তদশ সংখ্যা**
**১৯৯৬-৯৭ বৰ্ষ**

## ক্বতজ্ঞতা স্বীকাৰ


অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ
সাহাব উদ্দিন খান (প্ৰৱক্তা)
আজিজুৰ ৰহমান দেৱান, ”
ছৈয়দ কায়ুম কবীৰ আহমেদ ”
ওমৰ আলী আহমেদ ”
মতিয়াৰ ৰহমান ”
ছৈয়দা মেহেৰুন্নিছা বেগম ”

প্ৰগতি প্ৰেছৰ স্বত্বাধিকাৰী
ও সমূহ কৰ্মীবৃন্দলৈ—


## ঃ সম্পাদনা সমিতি ঃ


| | | |
|---|---|---|
| সভাপতি | : | অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ |
| তত্বাৱধায়কদ্বয় | : | সাহাব উদ্দিন খান (প্ৰৱক্তা)<br>আজিজুৰ ৰহমান দেৱান (প্ৰৱক্তা) |
| সম্পাদক | : | আজাদ হুচেইন শ্বৰীফ |
| সদস্য | : | মতিয়াৰ ৰহমান (প্ৰৱক্তা)<br>ছৈয়দা মেহেৰুন্নিছা বেগম (প্ৰৱক্তা) |
| বেটুপাত | : | আবুবক্কৰ ছিদ্দিক (প্ৰৱক্তা) |
| অংগসজ্জা | : | আজাদ হুচেইন শ্বৰীফ (সম্পাদক)<br>নুৰুল ইছলাম (স্বত্বাধিকাৰী, প্ৰগতি প্ৰেছ, কলগাছিয়া) |
| মুদ্ৰক | : | প্ৰগতি প্ৰেছ, কলগাছিয়া।<br>পোঃ— কলগাছিয়া।<br>জিলাঃ— বৰপেটা (অসম)<br>পিনঃ— ৭৮১৩১৯ |


## সাফল্যৰ হাঁহি




সফলতাৰে ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰা আমাৰ মহাবিদ্যালয়ৰ
অধ্যক্ষ মাননীয় আব্দুছ ছাত্তাৰ আহমেদ

## সম্পাদকীয়

কলম তুলিলেই লিখিবলৈ মন যায় সম্প্ৰীতিৰ কথা, সম্প্ৰীতিৰ কথা লিখিলেই উদ্ভৱ হয় সাম্প্ৰদায়িক সংঘৰ্ষৰ কথা আৰু সাম্প্ৰদায়িক সংঘৰ্ষ মানেই আত্মা হেকৰাৰ ভয়। গতিকে বৰ্ত্তমানে প্ৰকাশিত হৈ থকা বিভিন্ন আলোচনীসমূহত 'সুন্দৰ'ৰ অভাৱ। দায়ী বা দোষী কোন— অতীত, বৰ্ত্তমান নে ভৱিষ্যৎ? বন্ধ কোঠাত জীৱনৰ কিতাপ পঢ়ি আমি সমাজ গঠণ কৰিব নোৱাৰো। মুক্ত আকাশৰ তলত বিশুদ্ধ বতাহৰ প্ৰয়োজন। কিন্তু গছৰ ডালত আজি কাউৰীও দেখা নাযায়— বিশুদ্ধ বতাহৰ সন্ধানত নে দূষিত বতাহৰ উৎপাতত? আজি অলাগতিয়াল প্ৰতিভাবোৰ বিকশিত হৈ মানুহ গঢ়াৰ উদ্যোগ ধ্বংসত সকলো ব্ৰতী; মাথো বৰ্ণনা হৈছে প্ৰেয়সীৰ বাহ্যিক ৰূপ যৌৱন। চাৰিওফালে তুলুঙা লিখনিৰে সাহিত্যিকৰ মোহৰ লগাই সিংহাসন (!) দখল কৰাৰ অপচেষ্টা চলিছে। কিন্তু সাহিত্য সদায় সুন্দৰ। য'ত "সুন্দৰ" আছে তাত আজি সমাজ পদ দলিত। আমি যেন পাহৰি গৈছো " বিজ্ঞান চিৰসত্য আৰু 'সাহিত্য' বৰ্ত্তমান সত্য "।

সভ্যতাৰ বুকুৰেদি শতিকাবোৰ পাৰ হৈ যায়। সভ্যতাৰ দলিলত লিখা থাকে সমাজ সংস্কৃতিৰ কথা। মুছলমান সমপ্ৰদায় অধ্যুষিত এই অঞ্চলৰ শ্ৰেষ্ঠ অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু তথা এই অঞ্চলৰ ৰাইজে যাতে সভ্যতাৰ দলিলত সৎ কৰ্মৰাজিৰ প্ৰতিফলন ঘটাই একোটা শতিকা শ্ৰেষ্ঠ কৰি তোলে তাৰেই পৱিত্ৰ মানস ৰাখিলো এই নিঃকিন দলিলত।

প্ৰভাত ফেৰীত—

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাপে কিবা এটা কৰাৰ অদম্য হেপাহ আছিল। ন-জ্যোতিৰে আলোকিত হৈ উঠক আমাৰ এই এলাগী (!) মহাবিদ্যালয়খন— এয়া আছিল মোৰ আন্তৰিক মানস।

ৰণুৱা ঘোঁৰাৰ দুপৰীয়াত—

নিধিৰাম চৰ্দাৰৰ দৰেই হ'ল মোৰ অৱস্থা। প্ৰত্যেকটো পদক্ষেপত বিফল হলো মই। দুপৰীয়াৰ প্ৰৱল ৰ'দৰ উত্তাপত পুৰি ছাৰ-খাৰ হৈ গ'ল মোৰ সকলো প্ৰচেষ্টা। আলট্ৰাভায়োলেট ৰশ্মিয়ে বিনষ্ট কৰি দিলে মোৰ উদ্দেশ্য সমূহ। যি সময়ত A.K— 47 ৰে কবিতা লিখি থকা হৈছে মানৱৰ হৃদয়ত।

সক্ৰিয়াৰ আকাশত—

সকলো শূন্য। মাথো আশা কলমবোৰে যাতে মানুহৰ বিবেকবোৰক জাগ্ৰত কৰি তোলে।

ভ্ৰমনিয়াৰ নিশা—

শূণ্যৰে খতিয়াব দিব লগা হৈছে দিনটোৰ সমগ্ৰ কাৰ্য্যসূচীৰ। আমাৰ মহাবিদ্যালয়ত সাহিত্যৰ পৰিবেশ গঢ়ি তুলিবৰ বাবে এটি সাহিত্য সভাৰ প্ৰয়োজনবোধ কৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ লগত আলোচনা কৰিছিলো। কিন্তু সেয়া কাৰ্য্যকৰী হৈ নুঠিল। আশা ৰাখিছো এই ক্ষেত্ৰত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষকৈ গুৰুত্ব দিব। আলোচনী শিতানত এটি কৰ্ম্মশালা অনুষ্ঠিত কৰাৰ মানসৰে আগবাঢ়িছিলো যদিও পুঁজিৰ প্ৰতি লক্ষ্য কৰি সেই আশা বাদ দিব লগা হ'ল। আমাৰ মহাবিদ্যালয়ে সাফল্যৰে ৰূপালী জয়ন্তী উৎসৱ পালন কৰিলে যদিও আজিকোপতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ এটা স্থায়ী নামাকৰণ কৰা নহল। এইক্ষেত্ৰত মোৰ চিন্তাশক্তি পিছপৰি ৰ'ল। সেইবাবে পৰৱৰ্ত্তী প্ৰজন্মৰ সম্পাদকসকলে এই ক্ষেত্ৰত আগভাগ লব বুলি আশা ৰাখিলো লগতে কৰ্ত্তৃপক্ষয়েও এই বিষয়ত গঠনমূলক সিদ্ধান্ত লব বুলি নিৰাশাবাদক ত্যাগ কৰিলো।

প্ৰত্যেকজন শুভাকাংখী শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা যাচি আলোচনী বিভাগৰ তত্বাৱধায়কদ্বয় শ্ৰদ্ধাৰ শিক্ষাগুৰু সাহাব উদ্দিন খান আৰু আজিজুৰ ৰহমান দেৱান চাৰলৈ মোৰ শলাগৰ শৰাই আগবঢ়ালো। আমাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ মুৰব্বী প্ৰৱক্তা ছৈয়দ কায়ুম কবীৰ চাৰলৈ এই ছেগতে আন্তৰিক শলাগ জনালো। আলোচনীখনৰ প্ৰতিগৰাকী লেখক-লেখিকালৈ মোৰ ধন্যবাদ থাকিল আৰু যিসকলৰ লিখা প্ৰকাশ হোৱা নাই তেওঁলোকে সময়ৰ আহ্বানত সাহিত্য চৰ্চা অব্যাহত ৰাখি সমাজ গঠণ কৰক। কাৰণ আজি নতুনকৈ কোৱাৰ প্ৰয়োজন নাই " সাহিত্য সমাজৰ দাপোন "।

আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় আব্দুছ ছাত্তাৰ আহমেদ চাৰৰ তৎপৰতা আৰু উপদেশ এই আলোচনীখনৰ জন্মৰ মুল উৎস। মোৰ প্ৰতিটো কামতেই ছাৰৰ গুৰুত্ব দেখি মই সচাকৈয়ে অভিভূত হৈছো। ৰূপালী জয়ন্তী উৎসৱ সফলতাৰে উদ্‌যাপন কৰা এইজন্য ছাৰৰ প্ৰতি মই চিৰকৃতজ্ঞ।

শেষত নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক তথা প্ৰগতি প্ৰেছৰ স্বত্বাধিকাৰী নুৰুলদা'ৰ ত্যাগ মই স্বীকাৰ কৰিছো। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত তেখেতৰ লগতে সমুহ কৰ্মীবৃন্দই যি কষ্ট কৰিলে তাৰ বিনিময় মই জীৱনতো দিব নোৱাৰিম।

সদৌটি ভুলৰ ক্ষমা মাৰ্জনা বিচাৰি—

শ্ৰদ্ধাৰে—
আজাদ হুছেইন শ্বৰীফ
সম্পাদক,
আলোচনী বিভাগ।

# ★ সূচীপত্ৰ ★

## প্ৰবন্ধৰ শৰাই


// ১ // পৃথিৱী, জীৱৰ উৎপত্তি আৰু জৈৱ বিৱৰ্ত্তন
// ৬ // ৰেগিং আৰু ছাত্ৰ সমাজ
// ৮ // নষ্ট্ৰাদেমাছ


## কবিতা কুঞ্জ


// ১১ // মলয়া বতাহ / ইতিহাস
// ১২ // জীৱন / নিৰব কিয় চৰকাৰ
// ১৩ // মই নৱজ্যোতি / ৰূপালী জয়ন্তী
// ১৪ // কবি মন / প্ৰগতি
// ১৫ // শৃংখলিত আত্মা / বৰ্ত্তমানৰ চৰকাৰ
// ১৬ // মোৰ মন আজি / অধিকাৰ
// ১৭ // সংখ্যালঘুৰ অধিকাৰ / তোমাক ভাৱি
// ১৮ // ইমান কিয় মৰম দিলা / প্ৰতি ঋতুৰ কবিতাৰ ছন্দ
// ১৯ // আজন্ম পিয়াসী
// ২০ // সুস্মিতা সেন, ডায়েনা হেডেনৰ দেশত ( এটা বাক্যৰ গল্প )
// ২১ // অন্বেষা ( মনোৰম ভ্ৰমণ কাহিনী )


## গল্প গুচ্ছ


// ২৬ // ইমদাদৰ মৃত্যু আৰু মৃত্যুঞ্জিৎ সপোনৰ ভৱিষ্যৎ
// ৩৪ // অট'ৰিক্সা
// ৩৬ // প্ৰতিশ্ৰুতি
// ১ ক // সম্পাদকীয় প্ৰতিবেদন

★ CONTENTS ★

## ● Essay ●


● :: 41 :: Crisis, The Political Polution

● :: 46 :: Food Poisoning & Human Consciousness

● :: 50 :: Influence of Western thought on Indian Education

● :: 54 :: Tomato (As a Food Nutrient)


# পৃথিৱী, জীৱৰ উৎপত্তি আৰু জৈৱ বিৱৰ্তন


আজগৰ আলী আহমেদ
টি, ডি, ছি প্ৰথম বৰ্ষ
বিজ্ঞান শাখা


আমি বাস কৰা গ্ৰহটোৰ নাম পৃথিৱী। এই পৃথিৱীৰ সৃষ্টিৰ সম্পৰ্কে বিভিন্ন বিজ্ঞানীয়ে বিভিন্ন মত প্ৰকাশ কৰিছে। বহুত বিজ্ঞানীৰ মতে মহাশূন্যত ঘূৰি ফুৰা গেছীয় পদাৰ্থবোৰ একেলগ হৈ গোট খাই সৌৰজগতৰ গ্ৰহসমূহৰ সৃষ্টি হৈছে আৰু তাৰেই এটা গ্ৰহ আমাৰ পৃথিৱী। অনেক বিজ্ঞানীয়ে মত পোষণ কৰে যে, এটা নক্ষত্ৰৰ লগত সূৰ্য্যৰ খুন্দিয়া-খুন্দি লগাৰ ফলত যিবোৰ গ্ৰহৰ সৃষ্টি হৈছে তাৰেই এটা আমাৰ পৃথিৱীও। অৱশ্যে গ্ৰহ সৃষ্টিৰ সঠিক তত্ত্বমতে, আগতে মহাশূন্য উত্তপ্ত আছিল। লাহে লাহে ঠাণ্ডা হোৱাত এই মহাশূন্যত থকা শীতল আৰু কঠিন বস্তুবোৰ জমাহৈ গ্ৰহমণ্ডলৰ সৃষ্টি হৈছে। তেনেবোৰ গ্ৰহৰ ভিতৰত আমাৰ পৃথিৱীও এটা। পৃথিৱীৰ প্ৰথম জীৱৰ উৎপত্তিৰ আগত বায়ুমণ্ডল অতি উত্তপ্ত আছিল। তেতিয়াৰ বায়ুমণ্ডলত বৰ্তমানৰ অক্সিজেন ($O_2$), কাৰ্বন-ডাই-অক্সাইড ($CO_2$), নাট্ৰজেন আদি গেছ নাছিল। তাৰ ঠাইত মিথেন আছিল ($CH_4$), এম'নিয়া($NH_3$) হাইড্ৰ'জেন ( $H_2$ ) আৰু জলীয় বাষ্পই বেছি।

পৃথিৱীৰ সম্পৰ্কে আমাৰ বহুতৰে বহুত প্ৰশ্নৰ উদয় হয়। যেনে — পৃথিৱীৰ বয়স কিমান? পৃথিৱীত প্ৰথম জীৱৰ উৎপত্তি কেনেকৈ হ'ল? ইত্যাদি। বহুদিন নেৰানেপেৰা চেষ্টাৰ ফলত বিজ্ঞানীসকলে এনে প্ৰশ্নৰ উত্তৰ দিবলৈ সমৰ্থ হৈছে। নানাধৰণৰ হিচাপ-নিকাচ কৰি উলিয়াইছে যে, পৃথিৱীৰ বয়স ৪৬০ কৌটি বছৰ। এই ৪৬০ কৌটি বছৰ আগৰ পৃথিৱী আজিৰ এই পৃথিৱীৰ দৰে নাছিল। সেই পূৰ্বৰ পৃথিৱী আছিল জলীয় বাষ্পৰ দ্বাৰা আগুৰা, য'ত কোনো জীৱ জীয়াই থকাৰ সুবিধা নাছিল। বৰ্তমানে দেখা যায় যে, পূৰ্বৱৰ্তী জীৱৰ পৰাই পৰৱৰ্তী জীৱৰ জন্ম হয়। এই খিনিতে এটা প্ৰশ্নৰ উদয় হয় যে, পৃথিৱীত প্ৰথম জীৱৰ উৎপত্তি কেনেকৈ হৈছিল? এই প্ৰশ্নৰ উত্তৰ আমাৰ মাজলৈ আনি দিয়ে ওপেৰিণ ( A.I. Oparin ), ষ্টেনলী মিলাৰ ( Stainly Miller ), ৰসায়ন বিদ মেলভিন, কেলভিন আদিৰ লেখীয়া বিজ্ঞানী সকলে।

ৰুচ বিজ্ঞানী A. I. Oparin য়ে আগবঢ়োৱা তত্ব মতে আদিম পৃথিৱীত থকা বায়ুমণ্ডলৰ গেছবোৰৰ ওপৰত শক্তিশালী বিদ্যুৎ শক্তিয়ে ক্ৰিয়া কৰিছিল। ফলত বায়ুমণ্ডলত এমিন' এছিড জাতীয় সৰল অণুৰ সৃষ্টি হৈছিল। বৰষুণৰ পানীয়ে এই অণুবোৰক সাগৰত পেলাইছিল। এই সৰল অণুবোৰক সাগৰীয় পানীৰ অণুবোৰে আগুৰি ধৰে কোএছাৰভেট (Coacervate) ৰ সৃষ্টি কৰিছিল। এই কোএছাৰভেটবোৰৰ ওপৰত সূৰ্য্যৰ পোহৰৰ অতি বেঙুনীয়া ৰশ্মিয়ে ক্ৰিয়া কৰাৰ ফলত ইহঁতৰ বিভাজন ঘটিছিল। এনেদৰে কেবা নিযুত বছৰ পাৰ হোৱাৰ পাছত টোপালবোৰৰ গঠণ এক নিৰ্দ্দিষ্ট আকৃতিৰ হয় আৰু ইহঁতে এক নিৰ্দ্দিষ্ট প্ৰক্ৰিয়াৰে বিভাজন হবলৈ ধৰে। এনেদৰে সৃষ্টি হোৱা টোপালবোৰক তেখেতে পৃথিৱীৰ আদিম জীৱ বুলি কয়।

আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ৰ ন'বেল বঁটা বিজয়ী বিজ্ঞানী হেৰল্ড ইউৰে (Harold Uray) আৰু তেখেতৰ ছাত্ৰ ষ্টেনলী মিলাৰে ১৯৫৩ চনত সঁচাকৈ প্ৰমাণ কৰি দেখুৱায় যে, আদিম বায়ুমণ্ডলত থকা গেছৰ পৰা এমিন' এছিড সংশ্লেষিত হব পাৰে। মিলাৰে এটা বন্ধ পাত্ৰত হাইড্ৰ'জেন ($H_2$), মিথেন ( $CH_4$ ), এম'নিয়া ( $NH_3$ ) আৰু জলীয় বাষ্প ($H_2O$) লগ লাগিবলৈ দি তাৰ মাজেৰে উচ্চ ভল্টৰ বিদ্যুৎ প্ৰবাহ চালিত হবলৈ দি সপ্তাহ জোৰা কৰা পৰীক্ষা-নিৰীক্ষাৰ পাছত দেখিলে যে পৰীক্ষা নলত কেবাবিধো এমিন' এছিড উৎপন্ন হৈছে।

ৰসায়ন বিদ মেলভিন, কেলভিনেও তেখেতৰ নিজা পৰীক্ষাগাৰত পৰীক্ষা চলাই $H_2$, $CH_4$, $NH_3$, $H_2O$ আদি গেছৰ পৰা গামা ৰশ্মি প্ৰয়োগ কৰি এমিন' এছিড, সৰল শৰ্কৰা, পিউৰিন আৰু পিৰিমিডিন সংশ্লেষণ কৰিছিল। শেষত তাপ প্ৰয়োগ কৰি এইবোৰৰ পৰা প্ৰটিন আৰু নিউক্লিক এছিড সংশ্লেষণ কৰিছিল।

১৯৫৭ খৃঃ ত বিজ্ঞানী ছিডনী ফক্সে ( Sydney W. Fox ) ওঠৰ প্ৰকাৰৰ এমিন' এছিডৰ ওপৰত পৰীক্ষা কৰি দেখে যে, যুক্ত এমিন' এছিডবোৰৰ শৃংখল গঠন আৰু জীৱ দেহৰ প্ৰটিন অণুৰ শৃংখলৰ গঠন একেই।

পৃথিৱীৰ আদিম পৰিবেশত এনেবোৰ জৈৱ ৰাসায়নিক পৰিবৰ্ত্তনৰ ফলত প্ৰথম জীৱ বিধৰ সৃষ্টি হৈছে বুলি বিজ্ঞানীসকলে অনুমান কৰে। আদিম জীৱৰ পৰাই বিৱৰ্ত্তন হৈ পাঁচটা মহাযুগ আৰু এঘাৰটা পৰ্য্যায়ৰ মাজেৰে আহি জীৱ সমাজে বৰ্ত্তমানৰ এই অৱস্থা পাইছে।

একেবাৰে প্ৰাচীনতম যুগটোক আৰ্কেইক (Archeic) বা আদিম মহাযুগ বুলি কোৱা হয়।



ইয়াৰ পিছৰ মহাযুগটো হ'ল প্ৰটেৰ'জইক ( Proterozoic age ) বা জীৱৰ প্ৰাথমিক পৰ্য্যায় কাল। প্ৰাথমিক পৰ্য্যায় কালৰ পিছৰ মহাযুগ হ'ল পেলিজ'জইক ( Palaeozoic age ) বা প্ৰাচীন জীৱৰ কাল। ইয়াৰ পিছত হ'ল মেচ'জইক বা মধ্যজীৱৰ যুগ আৰু শেষৰ যুগটো হ'ল চিনজ'ইক ( Coenozoic ) বা নৱজীৱৰ যুগ।

আজিৰ পৰা প্ৰায় চাৰে তিনিশ কৌটি বছৰ আগেয়ে অৰ্থাৎ আৰ্কেইক মহাযুগৰ কোনোবা এটি ক্ষণত পৃথিৱীৰ বায়ুমণ্ডলে জীৱ ধাৰণ কৰাৰ পৰিবেশ সৃষ্টি কৰিছিল। তেতিয়া বায়ুমণ্ডলত থকা উত্তপ্ত যৌগবোৰৰ পৰস্পৰে পৰস্পৰৰ সংস্পৰ্শলৈ আহি পৃথিৱীত প্ৰথম এককোষী জীৱৰ সৃষ্টি হৈছিল বুলি বিজ্ঞানী সকলে ঠাৱৰ কৰে। এই এককোষী জীৱৰ পৰাই সাগৰীয় দুই এটা প্ৰাণীৰ সৃষ্টি হৈছিল। বিৱৰ্তনৰ ফলত ইহঁতৰ পৰা কিছুমান সৰল অমেৰুদণ্ডী প্ৰাণীৰ জন্ম হৈছিল। আৰ্কেইক মহাযুগৰ পিছৰ প্ৰটেৰ'জইক যুগলৈ পৃথিৱীত কোনো ধৰণৰ নতুন জীৱ সৃষ্টি হোৱা নাছিল। মাথোন আৰ্কেইক মহাযুগত সৃষ্টি হোৱা জীৱবোৰৰ বিৱৰ্তন হৈ সতেজতা পূৰ্ণ বংশধৰৰ সৃষ্টি হৈছিল। এই যুগৰ উল্লেখযোগ্য জীৱ সমূহ হৈছে, সমুদ্ৰত দুই এটা জেলীমাছ, কেঁকোৰা. সাগৰীয় কিছুমান পতংগ আৰু উদ্ভিদৰ ভিতৰত কেৱল জলজ শেলাই, তাৰ বাহিৰে আন একো উদ্ভিদৰ সৃষ্টি হোৱা নাই। এইদৰে পাৰহৈ গ'ল ৬০ কৌটি বছৰ।

এতিয়া আমি প্ৰটেৰ'জইক মহাযুগ এৰি পেলিজ'জইক মহাযুগত প্ৰবেশ কৰিছোঁ। এই মহাযুগক পাঁচটা যুগত ভাগ কৰা হৈছে। ১) কেম্ব্ৰিয়ান, ২) ছিলুৰিয়ান, ৩) ডোভানিয়ান, ৪) কাৰ্বনিফেৰাছ আৰু ৫) পাৰ্মিয়ান।

কেম্ব্ৰিয়ান যুগত সাগৰীয় প্ৰাণীৰ বিকাশ যথেষ্ট হৈছিল। এই যুগৰ শেষৰ ফালে পৃথিৱীৰ আদিমতম মেৰুদণ্ডী প্ৰাণীৰ জন্ম হৈছিল বুলি উমান পোৱা যায়। কিন্তু এতিয়ালৈকে মাটিৰ বুকুত কোনো ধৰণৰ জীৱৰ আৱিৰ্ভাৱ হোৱা নাই। ছিলুৰিয়ান যুগত সাগৰৰ মাছবোৰৰ বিৱৰ্তন হৈ ডাঙৰ ডাঙৰ আকৃতি ধাৰণ কৰে। এই যুগত জলচৰ উদ্ভিদ তথা প্ৰাণীৰ যথেষ্ট বিৱৰ্তন হয়। ডোভানিয়ান যুগ অহাৰ লগে লগে মাটিৰ বুকুত প্ৰথম সেউজীয়া উদ্ভিদৰ সৃষ্টি হয়। আহাৰৰ কাৰণে সালোক সংশ্লেষণ আৰম্ভ কৰাত বায়ুমণ্ডলত অক্সিজেন গেছ মুক্ত ভাৱে জমা হবলৈ ধৰে। তেতিয়া অক্সিজেনৰ উপস্থিতিত বামত জীৱৰ আৱিৰ্ভাৱ হোৱাৰ উমান পোৱা যায়। মাটিত ঢেঁকীয়া জাতীয় উদ্ভিদৰ সৃষ্টি হৈছে। লতা জাতীয়, গুল্ম জাতীয় নানা ধৰণৰ গছ গছনিৰে, নানা ধৰণৰ পোক পৰুৱাৰে পৃথিৱীখন ভৰি পৰিছে। এইবোৰ দেখোতে দেখোতে ৫'৫ কৌটি বছৰ

পাৰ কৰি কাৰ্নিফেৰাছ যুগত ভৰি দিছোঁ। এই যুগত পৃথিৱীৰ প্ৰথম সৰীসৃপ জাতীয় প্ৰাণীৰ আৱিৰ্ভাৱ হয়। জে'ঠীৰ নিচিনা ডাঙৰ ডাঙৰ সৰীসৃপবোৰে কণী পাৰি বংশ বৃদ্ধি কৰিব ধৰিলে। দেখোতে দেখোতে সৰীসৃপবোৰে পৃথিৱী ভৰি পৰিল।

ইতিমধ্যে বহুকাল পাৰ কৰি আমি মেছজ'ইক মহাযুগত প্ৰৱেশ কৰিলোঁ। ডাইনচ'ৰৰ লেখিয়া ডাঙৰ ডাঙৰ সৰীসৃপবোৰ এই মহাযুগত আৱিৰ্ভাৱ হয়। যিফালে চোৱা যায় সেই ফালেই ডাঙৰ ডাঙৰ সৰীসৃপবোৰ বিচৰণ কৰা দেখা যায়। সেই সময়ৰ পৃথিৱীত কেৱল সৰীসৃপৰ ৰাজত্ব। ইহঁতৰ নেজবোৰ দীঘল কিন্তু লেহুঁকা। কোনো কোনো সৰীসৃপৰ নেজৰ আচোৰত মাটি খাল হৈ গৈছে।

আহোঁতে আহোঁতে আমি এতিয়া জুৰাছিক যুগ পাইছো। এই যুগত পৃথিৱীৰ বুকুত প্ৰথম চৰাইৰ আৱিৰ্ভাৱ হয়। এই চৰাই বিধ সৰীসৃপৰ দৰেই। গাটো পাখীৰে ঢকা, নেজডাল বিৰাট দীঘল যদিও নেজতো পাখী আছে। ডেউকাত আজিৰ চৰাইৰ দৰে পাখী আছে, কিন্তু ঠোঁটত সৰীসৃপৰ দৰে দুপাৰী দাঁত আছে। তাৰমানে প্ৰথম চৰাই বিধ সৰীসৃপৰ পৰাই জন্ম হৈছে। এই চৰাই বিধৰ নাম ৰখা হৈছে আৰ্কিঅপ্‌টেৰিক্স বা সৰীসৃপৰ যোগ সূত্ৰত পৃথিৱীৰ প্ৰথম চৰাই। ক্ৰিটেছিয়াচ যুগত পৃথিৱীত ওক, বীচ, বাৰ্ক আদি ডাঙৰ ডাঙৰ উদ্ভিদ উদ্ভৱ হয়। প্ৰতিকূল পৰিবেশৰ বাবে এই যুগৰ পৰাই পৃথিৱীৰ বুকুৰ পৰা ডাইনচ'ৰবোৰ লোপ পাবলৈ ধৰে।

আধুনিক জীৱৰ আৱিৰ্ভাৱ হয় চিনজ'ইক মহাযুগত। এই মহাযুগক তিনিটা যুগত ভাগ কৰা হয়। টাৰছিয়াৰী যুগৰ আৰম্ভণিৰ লগে লগে পৃথিৱীৰ বুকুত প্ৰথম স্তন্যপায়ী প্ৰাণীৰ উদ্ভৱ হয়। প্ৰথম স্তন্যপায়ী প্ৰাণীবোৰ একেবাৰে সৰু সৰু দেখাত এন্দুৰৰ দৰেই আছিল। লাহে লাহে পৃথিৱীৰ আকাৰ আৰু আকৃতিৰ পৰিৱৰ্তন হবলৈ ধৰিলে। নদ-নদীবোৰেও পৰিৱৰ্তন হৈ আজিৰ অৱস্থা পাবলৈ চেষ্টা কৰে। আগতে ছাইবেৰিয়াৰ পশ্চিম পিনে তেতিছঁ নামৰ এখন সাগৰ আছিল, যিয়ে ইউৰোপ আৰু এচিয়াক পৃথক কৰি ৰাখিছিল। পৃথিৱীৰ ভৌগোলিক পৰিৱৰ্তনৰ লগে লগে প্ৰাকৃতিক পৰিবেশৰো পৰিৱৰ্তন হয়। পৃথিৱীৰ বুকুত নানা ধৰণৰ উদ্ভিদে ভৰি পৰে। জলবায়ু পৰিৱৰ্তন হোৱাৰ লগে লগে অনেক নতুন নতুন জীৱৰ সৃষ্টি হয়। তাৰমানে পৃথিৱী এতিয়া আধুনিক ফাললৈ গতি কৰিছে। তাল, লৰেল, চিকুৰা, ৰালনাট আদি গছৰ অৰণ্যৰে পৃথিৱী আৱৰি পৰিছে। অৰন্যবোৰৰ ডালে ডালে থকা বান্দৰ জাতীয় প্ৰাণীবোৰক বিজ্ঞানী সকলে নাম দিছে দ্ৰিঅ'পিথেকাছ। এই




দ্ৰিঅ'পিথেকাচবোৰ হয়তো মানুহৰ পূৰ্বপুৰুষ। গছৰ ফুলে ফুলে পখিলা ভৰি পৰিছে। ডালে ডালে চৰাই বহি আছে। মেকুৰীৰ দৰে, বাঘৰ দৰে, ঘোঁৰাৰ দৰে, গৰুৰ দৰে প্ৰাণীবোৰ অৰণ্যৰ মাজত বিচৰণ কৰা দেখা যায়। অৱশ্যে বৰ্তমানৰ মানুহ বুলি কলে যি বুজা যায় তেনেধৰণৰ প্ৰাণীৰ জন্ম হবলৈ এতিয়াও প্ৰায় তিনি কোটি বছৰ বাকী আছে। অৰণ্যবোৰত বান্দৰ জাতীয় প্ৰাণীবোৰৰ প্ৰজাতি এমফিপিথেকাছ আৰু প্ৰপ্লিঅ'পিথেকাছ প্ৰাণীবোৰ বিচৰণ কৰা দেখা যায়। ইহঁত দেখাত প্ৰায় মানুহৰ দৰেই। এই প্ৰাণীবোৰেই মানুহৰ পূৰ্বপুৰুষ বুলি বিজ্ঞানী সকলে ঠাৱৰ কৰে।

লাহে লাহে পৰিবেশৰ পৰিবৰ্তনৰ লগে লগে বতৰ চেঁচা হৈ আহিল। বান্দৰবোৰৰ এটা অংশই গছ বগোৱা এৰি গছৰ তলত থাকিবলৈ ধৰিলে। এই বান্দৰবোৰক বিজ্ঞানী সকলে নাম দিয়ে অষ্টেল'পিথেকাছ অৰ্থাৎ নবীন বান্দৰ। এই বান্দৰবোৰ পিছলৈ পিথেকানথ্ৰোপাচলৈ ৰূপান্তৰিত হয়। এই পিথেকানথ্ৰোপাছবোৰৰ গতিবিধি আৰু কি শাৰিৰীক গঠনও আদিম মানুহৰ দৰেই আছিল। ইহঁতে নানা ধৰণৰ প্ৰাণী চিকাৰ কৰি খাইছিল। চিকাৰত ইহঁতে আদিম মানৱৰ দৰে কাঠ বা চোকা শিল ব্যৱহাৰ কৰিছিল।

পৃথিৱীৰ জল আৰু স্থলভাগৰ পৰিৱৰ্তন হোৱাৰ লগে লগে নতুনকৈ বাল্টিক আৰু লোহিত সাগৰৰ সৃষ্টি হয়। বিজ্ঞানী সকলৰ মতে কোৱাটাৰনাৰী যুগত এক বিশেষ প্ৰজাতিৰ বান্দৰ ক্ৰমবিকাশৰ ফলত মানুহৰ ৰূপ পায়। এই মানুহৰূপী বান্দৰবোৰ দহ লাখ বছৰ আগত জীৱ জগতৰ পৰা এক বিশেষ ধৰণৰ মগজু সম্পন্ন বুদ্ধিমান প্ৰাণীলৈ পৰিৱৰ্তিত হয়। আদিম মানুহ হিচাপে নিঅ'ন্দাৰথেল আৰু পিথেকানথ্ৰোপাছ বান্দৰবোৰকেই বিজ্ঞানী সকলে কব বিচাৰে। ইহঁতৰ পুৰ্বপুৰুষ সকলেই হ'ল পৃথিৱীৰ আদিমতম মানুহ। নিঅ'ন্দাৰথেল মানুহবোৰে ইউৰোপ, এছিয়া, আফ্ৰিকাৰ ওপৰিও পৃথিৱীৰ অন্যান্য অঞ্চলতো বাস কৰিছিল। বহু ঠাই জুৰি বাস কৰাৰ ফলত ইহঁতৰ পৰাই বিভিন্ন বৰ্গৰ মানুহৰ সৃষ্টি হৈছে। ইয়াৰ পৰাই বিজ্ঞানীসকলে ঠাৱৰ কৰে যে, এই শ্ৰেণীৰ মানুহৰ কোনো এক বৰ্গৰ পৰাই আধুনিক যুগৰ মানুহৰ উৎপত্তি হৈছে। অৱশ্যে এটা কথা উল্লেখযোগ্য যে, বৰ্তমান পৃথিৱীত জীয়াই থকা বান্দৰবোৰৰ লগত মানুহৰ যিমানেই দৈহিক আৰু প্ৰাকৃতিক মিল নাথাকক কিয় ইহঁতৰ কোনোটোৱেই পূৰ্বপুৰুষ নহয়।

● ● ●

( ছাঁ লৈ লিখা )



# ৰেগিঙ আৰু ছাত্ৰ সমাজ

নুৰুল আলম
স্নাতক প্ৰথম খণ্ড (কলা)

বৰ্ত্তমান সময়ৰ কলেজবোৰৰ যুগান্তকাৰী ঘটনাসমূহৰ ভিতৰত উল্লেখযোগ্য এটা ঘটনা হ'ল— ৰেগিঙ অৰ্থাৎ নতুন কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলা অমানুষিক অত্যাচাৰ। বৰ্ত্তমানে কলেজবোৰত ই এক জটিল সমস্যা হৈ পৰিছে। কলেজত নতুন ছাত্ৰবোৰে উপযুক্ত মৰ্য্যদা পোৱা নাই। নতুন ছাত্ৰ-ছাত্ৰীবোৰক কেৱল মানসিক ভাবেই নহয়, শাৰিৰীক ভাবেও অস্থিৰ হৈ পৰা দেখা যায়। ভাৰতত বা অসমত 52%—53% শিক্ষিত, প্ৰতিখন সমাজতে উচ্চ শিক্ষা সম্পন্ন ব্যক্তি থকা স্বত্বেও কলেজত নতুনকৈ নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীৰ ওপৰত অমানুষিক অত্যাচাৰ, অকথ্য, নিৰ্য্যাতন, আৰ্থিক ভাৱে নিৰ্য্যাতন ইত্যাদি কথাবোৰ সমালোচনা কৰিব লগা হোৱাটো আটাইতকৈ চৰম লজ্জা-জনক কথা।

আজি ছাত্ৰ সমাজত যি নিৰ্য্যাতন হয় ইয়াৰ দ্বাৰা জীৱশ্ৰেষ্ঠ মানৱ জাতি শিক্ষিত হোৱাই নহয় বৰ্বৰতাৰহে পৰিচয় দাঙি ধৰে। কলেজৰ নিয়ম অনুসৰি নতুন ছাত্ৰ-ছাত্ৰীবোৰ পুৰণিবিলাকৰ অধীন। কলেজত প্ৰচলিত প্ৰথামতে নতুন চাম ছাত্ৰই পুৰণিচামৰ আদেশ অনুযায়ী চলিব লাগে। কিন্তু সেই নিৰ্দ্দেশ অযুক্তিকৰ তথা অবিবেচক হলেও অমান্য কৰাটো নতুন চাম ছাত্ৰ ছাত্ৰীৰ বাবে এক অমাৰ্জনীয় অপৰাধ হৈ পৰে।

নতুন ছাত্ৰ-ছাত্ৰীবোৰৰ ওপৰত কৰা তিক্ত মন্তব্যবোৰ আৰু কলেজত নতুন চামক কেন্দ্ৰ কৰি গঢ়ি উঠা অন্ধবিশ্বাস, কলেজৰ প্ৰগতিত ভাবুকি হৈ পৰিছে। নতুন চামে পুৰণিৰ আদেশ মানিবই লাগিব ইয়াৰ দ্বাৰ বুজা যায় যে নতুন চাম ছাত্ৰ অতীজৰে পৰা এনেকুৱা শাস্তিৰ দ্বাৰা আক্ৰান্ত হৈ আহিছে আৰু ই এক প্ৰথাত পৰিণত হৈছে। নতুন আৰু পুৰণি ছাত্ৰ-ছাত্ৰীবোৰ একেদৰেই H. S. L. C বা H S. C পৰীক্ষাত পাছ কৰি কলেজত নাম লগাইছে। এই কথাটো প্ৰতিজন শিক্ষিত মানুহেই উপলব্ধি কৰাৰ প্ৰয়োজন। কলেজত নতুন ছাত্ৰবোৰৰ মৰ্য্যদা পুৰণি ছাত্ৰ-ছাত্ৰী সকলতকৈ কোনো গুণে কম নহয় যদিও বেছিভাগ ক্ষেত্ৰতে নতুন ছাত্ৰবোৰক শাৰিৰীক আৰু মানসিকভাৱে শাস্তি দিয়া হয় আৰু হেয় জ্ঞান কৰা হয়।

বৰ্ত্তমান যুগ প্ৰতিযোগিতাৰ যুগ। বৰ্ত্তমানে ৰেগিঙ প্ৰথাই নতুন ছাত্ৰবোৰৰ বাবে কাল শত্ৰু হৈ পৰিছে। ৰেগিঙৰ বলি হোৱা ছাত্ৰৰ সংখ্যা দিনক দিনে কমক ছাৰি বৃদ্ধিহে পাইছে। ৰেগিঙৰ কৱলত কলেজৰ হোষ্টেল, মেচ আদিৰ পৰা বিদায় লোৱা অনেক উদাহৰণ এইখন অসম ৰাজ্যতে আছে।

ৰেগিঙৰ প্ৰভাৱত হোষ্টেলৰ Bath room ত ফাঁচী লৈ আত্ম-হত্যা কৰা, কলেজৰ ক্লাছ বৰ্জন, মধে মধে পুৰণি ছাত্ৰবোৰৰ আদেশ শুনোতে ক্লাছ ক্ষতি কৰা ইত্যাদি নিত্য-নৈমিত্তিক ঘটনাবোৰ সাম্প্ৰতিক কলেজত নতুন ছাত্ৰ ছাত্ৰী নিৰ্য্যাতনৰ চাক্ষুস উদাহৰণ।

যিখন দেশৰ কলেজবোৰত নতুন চাম ছাত্ৰক কলেজ চৌহদতে পাশৱিক অত্যাচাৰ চলোৱা জঘন্য ঘটনা ঘটে, ছাত্ৰবোৰৰ সৱলতাৰ সুযোগ লৈ সিহঁতক আৰ্থিক ভাৱে কষ্ট দিয়াৰ অভিযোগ উঠে, যত নেকি নতুন ছাত্ৰবোৰ কলেজ নিৰাপত্তাহীনতাৰ বলি, সেইখন দেশৰ সেই কলেজবোৰ কেতিয়াও সভ্যতাৰ শাৰীত থকা কলেজ বুলি গন্য কৰিব নোৱাৰি।

হাস্যকৰ কথা এয়ে যে পুৰণি ছাত্ৰ-ছাত্ৰী যিমানে Senior নহওঁক কিয় নতুন চাম ছাত্ৰৰ বাবে তেওঁলোক পুজনীয় ব্যক্তি। এজন আদৰ্শ ছাত্ৰ বা ছাত্ৰী তেখেতৰ পুৰণি ছাত্ৰৰ প্ৰতি মানিব লগা আদেশ আৰু কৰ্ত্তব্যৰ প্ৰতি সচেতন হোৱা উচিত ঠিক তেনেদৰে নতুন ছাত্ৰবোৰক পুৰণি ছাত্ৰই সদায় মৰমৰ চকুৰে চাব লাগে আৰু সিহঁতৰ প্ৰতি সদয় হোৱা উচিত। এজন চৰিত্ৰহীন নতুন ছাত্ৰ কলেজৰ চকুত যিমান অপৰাধী, এজন চৰিত্ৰহীন পুৰণি ছাত্ৰও কলেজত সিমান অপৰাধী। কিয় এই অপ্ৰিয় সত্যক প্ৰায়ে অস্বীকাৰ কৰা হয়? নতুন ছাত্ৰ-ছাত্ৰীবোৰক প্ৰতিটো ক্ষেত্ৰতে হেয় প্ৰতিপন্ন কৰা হয়। এজন পুৰণি ছাত্ৰই অবাধে ভুল কৰিব পাৰে কিন্তু নতুন ছাত্ৰই তেনেদৰে ভুল কৰিলে শাস্তি দিব পাৰে। পুৰণি চামৰ ভুল প্ৰসিদ্ধ কিন্তু নতুন চামৰ ভুল নিষিদ্ধ।

একবিংশ শতিকাৰ দুৱাৰডলিতে ভাৰতীয় বা অসমৰ কলেজৰ পুৰণি চাম ছাত্ৰ-ছাত্ৰীয়ে নতুন ছাত্ৰৰ বাক-স্বাধীনতা কাঢ়ি লোৱাটো বৰ পৰিতাপৰ কথা। নতুন ছাত্ৰ ছাত্ৰীয়ে তেওঁলোকৰ বাক স্বাধীনতা সাব্যস্ত কৰাৰ উপযুক্ত সময়। ইয়াৰ বাবে কলেজত "নৱ ছাত্ৰ জাগৰণ" সৃষ্টি কৰিব লাগিব আৰু কাৰ্য্যৰে বুজাই দিব লাগিব যে কলেজত পুৰণি চাম ছাত্ৰছাত্ৰী আৰু নতুন চাম ছাত্ৰ ছাত্ৰীৰ অধিকাৰ সমান আৰু সমান মৰ্য্যদাৰ অধিকাৰী।

● ● ●

# " নষ্ট্ৰাদেমাছ "

আব্দুল কাদেৰ চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

যাৰ কোনো ভৱিষ্যৎ বাণী
আজিলৈ অথলে
যোৱা নাই।

নষ্ট্ৰাদেমাছৰ সম্পূৰ্ণ নাম মিচেল দ্য নষ্ট্ৰাদেম ( Michel de Nostradame )। নষ্ট্ৰাদেমাছৰ জন্ম হৈছিল ফৰাছী দেশৰ এটা ইহুদি পৰিয়ালত ১৫০৩ খৃষ্টাব্দৰ ১৪ ডিচেম্বৰ তাৰিখে। তেওঁ মন্ট পেলিয়াৰ বিশ্ববিদ্যালয়ৰ পৰা ডাক্টৰী পাছ কৰি ১৫৩৩ খৃষ্টাব্দত বিয়া কৰায়। পৃথিৱীত এতিয়ালৈকে জন্ম গ্ৰহণ কৰা ভৱিষ্যৎ বক্তাসকলৰ শিৰমণি নষ্ট্ৰাদেমাছৰ ভৱিষ্যৎ বাণীসমূহে আজিৰ চিন্তাশীল লোক-সকলৰ মাজত আলোড়নৰ সৃষ্টি কৰিছে। অনাগত দুহেজাৰ চনটো যিমানেই ওচৰ চাপি আহিছে নষ্ট্ৰাদেমাছে চাৰিশ বছৰ পূৰ্ব্বেই কৰা ভৱিষ্যৎ বাণী বিলাকৰ সম্বন্ধেও মানুহৰ উৎসুক্য সিমানেই বাঢ়ি গৈছে। যে ল্লণ শতাব্দীতে এই ভৱিষ্যৎ বক্তাগৰাকীয়ে ন্যুনাধিক তিনি হেজাৰ ভৱিষ্যৎ বাণী কৰি থৈ গৈছে।

অনাগত ভৱিষ্যৎ ঘটিব লগা ঘটনাসমূহৰ বিষয়ে কৰা তেওঁৰ ভৱিষ্যৎ বাণীসমূহ কিতাপ আকাৰত প্ৰকাশ হৈছিল। চেঞ্চুৰিজ নামৰ এই গ্ৰন্থখন বাৰ খণ্ডত বিভক্ত আছিল। ভৱিষ্যৎ বাণী বিলাকৰ ভাষা আছিল সাথৰৰ দৰে। সাধাৰণ লোকৰ পক্ষে বুজাত অসুবিধা হৈছিল। পাচলৈ চেঞ্চুৰিজখনৰ ভাষা সহজ কৰি সৰ্ব সাধাৰণে বুজাকৈ প্ৰকাশ হৈছিল। চেঞ্চুৰিজ নামৰ এই গ্ৰন্থখনত ৩৭৯৭ চনলৈকে ভৱিষ্যৎ বাণী কৰা আছে।

ভৱিষ্যৎ দ্ৰষ্টাৰূপে নষ্ট্ৰাদেমাছ এটা বিশেষ ঘটনাৰ পৰা হঠাৎ চাৰিওফালে জনাজাত হৈ পৰে। লৰেন নামৰ এডোখৰ ঠাইৰ তেওঁৰ বন্ধু এজনে তাৰ ভৱিষ্যৎ বাণীসমূহ বিশ্বাস কৰা নাছিল। নষ্ট্ৰাদেমাছে ইতিমধ্যে কৰা দুই এটা ভৱিষ্যৎ বাণীৰ বাবে বন্ধুৱে তেওঁক ঠাট্টা নকৰি থকা নাছিল। এদিনাখনৰ কথা। নষ্ট্ৰাদেমাছক তেওঁৰ বন্ধুৱে দুটা গাহৰি দেখুৱাই সুধিছিল "কোনটোন বন্ধু এই গাহৰি দুটাৰ ভাগ্যত কি লিখা আছে ?"

গাহৰি দুটাৰ এটা কলা আনটো বগা আছিল। নষ্ট্ৰাদেমাছে কৈছিল বগা গাহৰিটোক আজি ৰাতিলৈকে কেনেবাকৈ কুকুৰে খাব। বন্ধুৱে এই শুনি হাঁহিছিল আৰু লগে লগে ৰান্ধনীক কৈছিল "আজি নিশা যাতে বগা গাহৰিটোকে মাৰি ৰন্ধা হয়। ভোজনৰ টেবুলত যেতিয়া অন্যান্য আমন্ত্ৰিত সম্ভ্ৰান্ত বন্ধু সকলৰ সন্মুখত গাহৰিৰ মাংস পৰিবেশন কৰা হৈছিল তেতিয়া তেওঁৰ বন্ধুৱে ঠাট্টাৰ সুৰত কৈছিল " এয়া আমাৰ আগত কিহৰ মাংস নষ্ট্ৰাদেমাছ ?" তেতিয়া নষ্ট্ৰাদেমাছে তপৰাই উত্তৰ দিছিল " কলা গাহৰিৰ মাংস "। নষ্ট্ৰাদেমাছৰ বন্ধুৱে তেওঁৰ ঘৈণিয়েকক আৰু ৰান্ধনিক সোধাত তেওঁলোকে নষ্ট্ৰাদেমাছৰ কথা সঁচা বুলি কৈছিল। বগা গাহৰিটো কাটি টেবুলত থৈ দিয়াৰ পাছত ঘৰৰ পোহনীয়া কুকুৰটোৱে মাংসত মুখ দিয়াত মাংসখিনি কুকুৰক খাবলৈ দি কলা গাহৰিটো মাৰি ৰন্ধা হৈছিল।

ইংলেণ্ডৰ মহাৰাণী এলিজাবেথ প্ৰথম সম্পৰ্কে নষ্ট্ৰাদেমাছে লিখিছিল "উপেক্ষিতা হৈও তেওঁ আহৰণ কৰিব এদিন সিংহাসন, শাসন হব তেওঁৰ দীৰ্ঘদিনীয়া আৰু গৌৰবোজ্জ্বল, ৭০ বছৰ বয়সত মৰিব তেওঁ যেতিয়া বছৰ হব তৃতীয়।

সাঁথৰৰ দৰে এই ভৱিষ্যৎ বাণীৰ অৰ্থ স্পষ্ট হৈ পৰিল তেতিয়া, যেতিয়া দেখা গ'ল উপেক্ষিতা ৰাজকুমাৰী এলিজাবেথৰ শাসন কাল আছিল গৌৰবোজ্জ্বল আৰু ৭০ বছৰ বয়সত যেতিয়া তেওঁৰ মৃত্যু হয় সেয়া আছিল ১৬০৩ খৃষ্টাব্দ অৰ্থাৎ নতুন শতিকাৰ তৃতীয় বছৰ।

নষ্ট্ৰাদেমাছে এটা ভৱিষ্যৎ বাণীত লিখিছিল লণ্ডনৰ চিনেটে নিজৰ ৰজাক মৃত্যুদণ্ড বিহিব। আৰু সচাঁকৈয়ে চাৰ্লচ প্ৰথমক মৃত্যুদণ্ড দিয়া হৈছিল যিটো কথা কোনেও আগতে কল্পনাও কৰা নাছিল।

এতিয়া চোৱা যাওঁক কুৰি শতিকাৰ শেষৰফালে আৰু একবিংশ শতাব্দী আৰম্ভ হোৱাৰ আগমুহুৰ্ত্তত পৃথিৱীত এনে কি ঘটনা ঘটাৰ ইঙ্গিত নষ্ট্ৰাদেমাছে দি থৈ গৈছে যাৰ বাবে জগতবাসী আজি উদগ্ৰীৱ। ১৫৫৫ আৰু ১৫৬৬ খৃষ্টাব্দৰ ভিতৰত নষ্ট্ৰাদেমাছে লিখিছিল

The year one thousand nine hundred and ninety nine the seventh month, A great frightening king will come from the sky. To raise the great king of the Angoulmois, Before and after wards Mars will reign uninterrupted.

আধুনিক যুগৰ বহুতে এই ভৱিষ্যৎ বাণীটোৰ ব্যাখ্যা বেলেগ বেলেগ ধৰণে কৰা দেখা যায়। বহুতৰ মতে ১৯৯৯ চনৰ জুলাই মাহত এখন আনৱিক যুদ্ধ আৰম্ভ হোৱাৰ ইঙ্গিত নষ্ট্ৰাদেমাছে দিয়া বুলি ভাৱে। এই যুদ্ধ চিনে আৰম্ভ কৰিব বুলিও ভৱিষ্যৎ বাণী-টোত উল্লেখ আছে। কোনো কোনোৰ মতে আকাশৰ পৰা ধুমকেতু, ক্ষুদ্ৰ গ্ৰহ বা বৃহৎ উল্কাই আহি পৃথিৱীক খুন্দা মাৰিব। সিযিকি

নহওঁক নষ্ট্ৰাদেমাছৰ ভৱিষ্যৎ বাণী ফলিওয়াৰ দৰে এইটোও ফলিয়াবলৈ হলে আৰু দুই বছৰ পাছত যে কিবা এটা ডাঙৰ ঘটনা ঘটিব সেৱা অনুমান কৰিব পাৰি। ইয়াৰ আগে পিছে যুদ্ধ হব আৰু সেয়া হব দীৰ্ঘ দিনীয়া।

১৯৯৯ চনৰ ৯ চেপ্তেম্বৰৰ দিনা পৃথিৱী বাসী এটা ডাঙৰ দুৰ্যোগৰ সন্মুখীন হব বুলি নষ্ট্ৰাদেমাছে ভৱিষ্যৎ বাণী কৰিছিল। ফ্ৰান্সৰ দ্বিতীয় হেনৰীলৈ দিয়া এখন চিঠিত তেওঁ লিখিছিল-- এটা সূৰ্য্য গ্ৰহণ লাগিব, গোটেইখন পৃথিৱী অন্ধকাৰে ঢাকি পেলাব। একমাত্ৰ যিশুখ্ৰীষ্টৰ মৃত্যুৰ পাছত হোৱা সূৰ্য্য গ্ৰহণৰ বাহিৰে এনে সূৰ্য্য গ্ৰহণ কেতিয়াও হোৱাই নাই। অক্টোবৰ মাহত পৃথিৱীখন কপি উঠিব, ভূমিকম্প হব বহু জাতিৰ পতন হব।

ভাৰতবৰ্ষৰ বিষয়েও নষ্ট্ৰাদেমাছে কেইটা-মান ভৱিষ্যৎ বাণী কৰি থৈ গৈছে। চেঞ্চুৰিজৰ ষষ্ঠ খণ্ডত তেওঁ লিখিছিল— তিনিওফালে সাগৰে আগুৰা এখন দেশৰ আটাইতকৈ শক্তি-শালী মহিলা এগৰাকীয়ে তেওঁৰ বিৰোধী পক্ষৰ লোক সকলৰ মাজত হোৱা বিচ্ছেদৰ বাবে আকৌ ক্ষমতালৈ আহিব। জীৱনৰ ৬৭ বছৰ পূৰ হোৱাৰ আগতেই নিজৰ ঘৰত নিজ দেহৰক্ষীৰ হাতত মৃত্যু বৰণ কৰিব। নতুন শতিকা আৰম্ভ হবলৈ তেতিয়া ১৬ বছৰ বাকী থাকিব। ১৯৮৪ চনত ইন্দিৰা গান্ধীৰ হত্যাৰ সম্পৰ্কেই যে এই ইঙ্গিত দিয়া হৈছিল সেই কথা স্পষ্ট ভাৱে ওলাই পৰিছে। নতুন শতিকা অৰ্থাৎ ২০০০ খ্ৰীষ্টাব্দ হবলৈ তেতিয়াও ১৬ বছৰ বাকী আছিল।

নষ্ট্ৰাদেমাছে ভাৰতৰ সম্বন্ধে কৰা আটাইতকৈ মহত্বপূৰ্ণ ভৱিষ্যৎ বাণী হ'ল মঙ্গলবিলাকৰ দ্বাৰা মৃত্যু কিৰণ বিকিৰণ কৰিব পৰা অস্ত্ৰৰ প্ৰয়োগৰ দ্বাৰা মহাযুদ্ধৰ আৰম্ভণী; পৃথিৱীৰ দুটা শীৰ্ষ স্থানীয় শক্তিৰ লগত ভাৰতৰ মিত্ৰতা স্থাপন; ফলত যুদ্ধৰ গতি সলনি নতুন শতিকাৰ পঞ্চম বছৰত ( ২০০৫ ) খ্ৰীষ্টাব্দত মহাযুদ্ধৰ সমাপ্তি। ইতিমধ্যে ইউৰোপে তেওঁ-লোকৰ পুৰণি ধৰ্ম ত্যাগ কৰি আটাইতকৈ পুৰণি ধৰ্ম গ্ৰহণ কৰিব। ইতিমধ্যে মানৱ জাতিৰ তিনি চতুৰ্থাংশ লোক যুদ্ধত শেষ হব। এই কালছোৱাৰ ভিতৰতে ভাৰতবৰ্ষৰ দক্ষিণাংশৰ এজন আধ্যাত্মিক নেতাই গোটেই জগতক শান্তিৰ বাট দেখুৱাব।

ইয়াৰ উপৰিও ১৯৭২ চনত কোৰিয়াৰ চিউল নগৰত বহা পৃথিৱীৰ প্ৰখ্যাত জ্যোতিষী সকলৰ সভাইও এনে এটা ভৱিষ্যৎ বাণীকে কৰিছিল ১৯৮০ চনৰ পাছত পৃথিৱী ব্যাপী বিৰাট আলোড়নৰ সৃষ্টি হব আৰু ইয়াৰ পাছতে এছিয়াৰ কোনো এঠাইত জন্ম গ্ৰহন কৰা এজন মহাপুৰুষে সমগ্ৰ পৃথিৱীত এটা পৰিবৰ্ত্তন আনিব।

* * *



ঃ সম্পাদনা সমিতি ঃ



বাওঁফালৰ পৰা বহি থকা ক্ৰমে ঃ এম, মতিয়াৰ ৰহমান (সদস্য) চৈয়দা মেহেৰুনিছা বেগম (সদস্য)
অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি) সাহাব উদ্দিন খান
(তত্বাৱধায়ক) আজিজুৰ ৰহমান দেৱান (তত্বাৱধায়ক)

থিয় হৈ ঃ আজাদ হুছেইন খৰীফ (সম্পাদক)

# ঃ মলয়া বতাহ ঃ

আব্দুল মোব্বাৰক
উঃ মাঃ ১ম বর্ষ
(বিজ্ঞান শাখা)

সখা মোৰ মলয়া বতাহ
তুমি কলৈ যোৱা ?
আমাৰ মাজলৈ আহি
গা জুৰ পেলোৱা ॥
নাজানো ? তুমি গৈ আছা কলৈ
দূৰ দূৰণিলৈ ।
সৰগৰ পৰা প্ৰিয়াৰ বাতৰি
আনি দিয়া আমাৰ মাজলৈ ॥
তুমি আহিলে নাচি উঠে
মোৰ পৰাণ ।
হে মোৰ প্ৰিয় সখা
তোমাৰ বতৰা মোক দি যোৱা ॥
তুমি ইমান নিৰৱে আহা
কাৰ পৰশ পাবলৈ ।
দূৰ অতীতৰ সুবাস আনি
বিয়পাই দিয়া আমাৰ মাজলৈ
তোমাৰ কথা মনত পৰিলে
ভাঙি যায় বুকু মোৰ ।
হে মোৰ প্ৰিয় সখা
মোক এৰি কলৈ যোৱা ?

# -ঃ ইতিহাস ঃ-

মহছিন খাঁন
টি, ডি, ছি ২য় বর্ষ
(বিজ্ঞান শাখা)

ইতিহাস !
কি সুন্দৰ তুমি
তোমাক প্ৰসংশা কৰো আমি,
কোনে দিছে তোমাৰ এই নাম ?
ইতিহাস,
কেতিয়া পাইছিল মানৱে সভ্যতাৰ পোহৰ
কেতিয়া গঢ়িছিল মানৱে সমাজ,
স্পষ্ট কাহিনী গঢ়া আছে—
তোমাৰ ভিতৰত ।
সামাজিক, ৰাজনৈতিক, ভৌগলিক, সকলো
থলপে থলপে সাঙুৰি লৈছা সুমধুৰ,
কাহানী ফৰাছী যুদ্ধ, ৰুছ, আমেৰিকান,
যুগে যুগে জানিব পাৰিছো তোমাৰে অৱদান ।
ভাষা, সাহিত্য, বিজ্ঞান আদি
ধাৰাবাহিক কাহিনী জানিছো আমি
কিমান উন্নত হলো আমি—
বিৱৰি কোৱা মাত্ৰ তুমি ।
মানৱ পৰিবৰ্ত্তনৰ সকলো লীলা
তুমি মাত্ৰ জানিব দিলা ;
অতীত বৰ্ত্তমানৰ সকলো কাহিনী
জানিব পাৰিছো সকলো, একে ঠাইতে বহি ॥

# জীৱন

মিচ্ছে্‌ চৈয়দা মেহেৰুন্নিছা বেগম এম,এ
প্ৰৱক্তা, অসমীয়া বিভাগ,
নৱজ্যোতি মহাবিদ্যালয় ।

জীৱন এটি ৰঙীন সপোন
কল্পনাৰ মায়াজাল
জীৱন এটি সুখৰ সমষ্টি
বতাহৰ তৰঙ্গই কপাই যোৱা
জীৱন এটি ছন্দৰ সমষ্টি
অলঙ্কাৰৰ প্ৰাচুৰ্যাৰে ভৰা
যদি জীৱন হয় দিঠক
আৰু সপোনৰ মায়াজাল কটা
যদি জীৱন হয় সুৰহীন
আৰু ছন্দ বিহীন
আক্ষেপ মাথো ৰৈ যায় ॥

* * *

# নিৰৱ কিয় চৰকাৰ

বদৰুল ইচলাম
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ
(বিজ্ঞান শাখা)

নূনতম সুবিধাখিনি নিদিয়ে সাধাৰণ মানুহক
সিইঁতক চৰকাৰে অৱজ্ঞা কৰে,
ৰুদ্ধ আজি মানুহৰ বাক-স্বাধীনতা
যিয়ে প্ৰতিবাদ কৰে তাকে লাঠি মাৰে।
লম্পটতা, ৰাজদ্ৰোহী আৰু চোৰাং বেপাৰীৰ
আছে মূল্য সকলো সময়ত,
আমাৰ চৌদিশ আজি কলুষিত হ'ল
এটি অপদাৰ্থ চৰকাৰৰ বাবেনাত।
মন্ত্ৰীবোৰে যে সকলোৰে পাহৰিলে
চৰকাৰখন যে জনতাৰ হাতত ।

# :: মই নৱজ্যোতি ::

আব্দুল ওৱালেচ আহমেদ
টি, ডি, ছি ১ম বৰ্ষ (বিজ্ঞান শাখা)
গুৰু বিভাগ, প্ৰাণী বিজ্ঞান।

মই নৱজ্যোতি মই বিশ্বজ্যোতি
মই কলাৰ প্ৰাণ
মই বিজ্ঞানৰ ধ্যান
মই নৱজ্যোতি মই বিশ্বজ্যোতি
মই সমাজৰ হাঁহি
মই বিশ্বৰ জ্যোতি ।
মই নৱজ্যোতি মই বিশ্বজ্যোতি
মই প্ৰভাতৰ সেই সজীৱতা
মোৰ পল্লৱীত ছন্দে ছন্দে
জীয়াই থকাৰ গান ।
মই নৱজ্যোতি মই বিশ্বজ্যোতি
দিছো জ্ঞান, ভাষা ..........
দুৰ্বাৰ গতিৰে নতুন পীৰিলৈ ।
মই নৱজ্যোতি মই বিশ্বজ্যোতি
মই মানুহৰ ক'ত হেপাহৰ
মিলনৰ হেতু হেজাৰ জনৰ
পোহৰৰ গতিৰে প্ৰগতিৰ দিশে ।

# "ৰূপালী জয়ন্তী"

হাচিনা আহমেদ
উঃ মাঃ প্ৰথম বৰ্ষ
( কলা শাখা )

হে ! মহাউৎসৱ
ৰূপালী পৰ্দাৰ সুৰ
তুমি ন-পুৰণিৰ মিলনৰ
শঙ্খধ্বনি, একতাৰ এনাজৰী
তোমাকেই শতবাৰ প্ৰণাম ॥
আমাৰেই কলিজাৰ কেঁচা তেজৰ
তুমিয়েই প্ৰতিচ্ছবি ॥ তোমাকেই পুষ্পাঞ্জলি
হৃদয়ৰ গোলাপৰ ৰঙা উৰণীৰে ॥
আঢৈ দশকৰ প্ৰতিস্মৃতি,
তুমিয়েই মহাজ্যোতিৰ ॥
আমিয়েই মালা পিন্ধো
কুৰি শতিকাৰ গৌৰৱৰ
তুমিয়েই প্ৰগতিৰ ৰং
আমাৰেই জীৰ্ণা-দীনা-বিশীৰ্ণা অঞ্চলৰ ॥

## " কৱি মন "

চানমামুদ আলী
উঃ মাঃ ২য় বৰ্ষ (বিঃ শাঃ )

কবি মন নহয়
নাম উজ্জ্বল কৰিবলে
নহয় ব্যাৱসায় ।।
কবি মন মাত্ৰ
অহৰ্নিশে
গৱেষণা
চিন্তা
সৃষ্টিৰ
নৱতম ৰূপ
কবি মন, সাম্যৰ
সমদৃষ্টিৰ
গৌৰৱৰ
সৌন্দৰ্য্যৰ
প্ৰতিচ্ছবি
সমাজৰ ।।
কবি মন সভ্যতাৰজোখ
অতীতৰ
বৰ্ত্তমানৰ
অনাগত
ভৱিষ্যতৰ ………… ।।

( মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকা শিতানৰ ১ম পুৰস্কাৰ প্ৰাপ্ত )

★ ★ ★

## ঃ প্ৰগতি ঃ

ৱানিচ উদ্দিন আহমেদ
উঃ মাঃ ২য় বৰ্ষ
( বিজ্ঞান শাখা )

হে ৰহস্যময়ী জীৱনৰ মানৱাত্মা সকল!
তোমালোকে ন-সাজোনেৰে সাঁচি কাচি ওলাই
আহা।
শস্য শ্যামলা অসমীৰ প্ৰতিটো কোণত
শলিতা জ্বলাই পৱিত্ৰতাক
পূজা দি শান্ত হোৱা।
হিংসা পৰিহাৰ কৰি,
নৱ-মিলনৰ, ঐক্যৰ এনাজৰীডাল সৱল কৰা
ধন্য হওঁক মানৱ জীৱন, ধন্য হওঁক
সমাজ নীতিৰ প্ৰতিটো ছাঁয়া।
সৌন্দৰ্য্যৰ পূজাৰী 'অহিংসা পৰম ধৰ্ম'
নতশিৰে গ্ৰহণ কৰি আগুৱান হোৱা।
সত্যৰ প্ৰতিলিপি আঁকি, মনুষ্যত্বক গৰিয়সী
সাজি,
সমাজ নীতিৰ ভেঁটি স্থাপন কৰিবলৈ,
আকৌ এবাৰৰ বাবে মাৰ বান্ধি থিয় হোৱা
তেতিয়াই এই সুন্দৰ সমাজনীতিৰ মাজত
ঝংকাৰ তুলি,
জলমলাই উঠিব নৱ শান্তিৰ কেঁচা ৰ'দালি
কিৰণ।
প্ৰেমত নাচি বাগি উঠিব,
নৱ-নাৰীৰ আকুল হিয়া দুখন।
তেতিয়াই বিচাৰি পাবা প্ৰিয় শব্দ,
তাৰ নাম " প্ৰগতি "।

● ● ●

## -ঃ শৃংখলিত আত্মা ঃ-

দেৱান হজৰত আলী আহমেদ
স্নাতক প্ৰথম বৰ্ষ ( কলা )

মোৰ শৃংখলিত আত্মা,
তোমাক বিচাৰি মই গৈছিলো ইথিওপীয়া,
পেলেষ্টাইন, খালিস্থান, আজাদ কাশ্মীৰ আৰু
ৰড়োলেণ্ডৰ মাজলৈ।
য'ত শাসনৰ নামত হত্যা কৰা হৈছিল—
হেজাৰ হেজাৰ প্ৰাণ।
বাৰুদৰ গোন্ধত, অনাহাৰত,
সিহঁতবোৰে গাঁথি গৈছিল মৃত্যুৰ করুণ
মালাধাৰি।
বিংশ শতাব্দীৰ সভ্য মানুহবোৰ
হৈ পৰিছে—
একো একোটা ড্ৰেগন সদৃশ।
যাৰ নিঃশ্বাসত—
হেৰাই গৈছে আমিনা, আকলিমা,
ছাকিনাহতঁৰ
আশাৰ নীড় ভৱিষ্যতৰ পাখিলগা অলেখ স্বপ্ন।

● ● ●

## ঃঃ বৰ্ত্তমানৰ চৰকাৰ ঃঃ

নুৰুল আলম
স্নাতক প্ৰথম বৰ্ষ (ক'লা শাখা)

নিৰ্ব্বাচনৰ সময়ত ঘৰে ঘৰে গৈছিলা
সকলোৰে হাতে ভৰি ধৰি প্ৰতিশ্ৰুতি দিছিলা।
হেৰা চৰকাৰ— কিনো প্ৰতিশ্ৰুতি দিছিলা
সকলোবোৰ জানো একেবাৰেই পাহৰিলা।
সকলোকে কিয়নো দিছিলা আশ্বাস
আমি তোমাৰ আশ্বাসত কৰিছিলো বিশ্বাস।
হেৰা চৰকাৰ সময় থাকোতে কৰা প্ৰতিশ্ৰুতি
পালন
নহলে যে অহা নিৰ্ব্বাচনত কৰিব লাগিব
পলায়ন।
শিক্ষকসকলক কিয় নিদিয়া দৰমহা সময়ত
পাপ কৰিছিলনেকি তোমালোকৰ কোনোবা
জনমত ?
অভিশাপ কৰে যদি শিক্ষকসকলে
তোমালোকৰ চৰকাৰ যাব যে ৰসাতল।
সময় থ'কোতে কৰা ভুল সংশোধন
নহলে চৰকাৰখন যে হব থান-বান।

● ● ●

## ॥ মোৰ মন আজি ॥

মাইন উদ্দিন
উঃ মাঃ ২য় বৰ্ষ ( বিজ্ঞান )

মোৰ মনটো যেন আজি গ্ৰীচৰ বাটে ঘাটে
মই বিচৰণ কৰিছোঁ দৰদী শিল্পীৰ লগত
প্ৰকৃতি আৰু মানসিক সংঘৰ্ষৰ ছবি এখন
জোলোঙাত লৈ ।
হে সময়, হে ইতিহাস তুমি থমকি নৰবা
আজি হঠাৎ লেখিকা এজনীৰ গ্ৰন্থত সংস্কৃতিৰ
প্ৰতিফলন দেখিলো
ৰবি ঠাকুৰৰ সাহিত্যৰ মাজেৰে
জগতক বিচৰণ কৰিলো
মোৰ মনটো যেন আজি গ্ৰীচৰ বাটে ঘাটে ।
সাংঘাটিক কিবা এটা কৰাৰ সংকল্প মোৰ
শিৰাই শিৰাই ।



★ ★ ★

## ঃঃ অধিকাৰ ঃঃ

মিজানুল হক
উঃ মাঃ ১ম বৰ্ষ
( বিজ্ঞান )

এইখন দেশতেই কৰিছো গ্ৰহণ ;
আই মাতৃৰ কোলাতেই
কৰিছো গ্ৰহণ " জনম " ।
দেশখন আমাৰ অসম ।
অখণ্ডিত ভাৰতৰ নাগৰিক আছিল
আমাৰ পূৰ্বপুৰুষ ।
তেজ মঙহ পানী কৰিছিল ;
দেশৰ স্বাধীনতাত, সেয়া আছিল
আমাৰ পুৰুষ
আমাৰেই পূৰ্বপুৰুষ ।
কিন্তু হায় ! হেৰালো আমি
আমাৰ স্বাধীনতাৰ অধিকাৰ ।
আই, এম, ডি, টিৰ নামত
হেৰালো অধিকাৰ ।
আজি আমি সৰে হেৰুৱাই পেলালো
আমাৰ গণ অধিকাৰ ,
হেৰুৱালো প্ৰাপ্য অধিকাৰ;
বহিৰাগতৰ নামত আমিবোৰে
হেৰুৱালো অধিকাৰ ;
আমাৰ জানো নাই
দাবী, আৰু মৌলিক অধিকাৰ ?



খাদ্যাভাৱ দূৰ হোৱা ব্যৱস্থাটো অটুট ৰখা । প্ৰতিজন ব্যক্তিৰ দেশাত্মবোধ অত্যন্ত গভীৰ আৰু ইয়াকেই প্ৰেৰণা হিচাপে লৈ প্ৰতিজন ব্যক্তি কঠোৰ পৰিশ্ৰমী হৈ পৰিছে । ঢাকা, গাজীপুৰ আৰু টাঙ্গাইল জিলাত মই থকা ঠাই সমূহত ৮ দিনৰ ভিতৰত মগনীয়া দেখা পোৱা নাছিলো ।

কলেজ এখনত সোমাইছিলো । নাম "পিয়াৰ আলী কলেজ, মাওনা" । অধ্যক্ষ আৰু প্ৰৱক্তাসকলৰ লগত আলোচনা বিলোচনাত বুজি পাইছিলো যে তেওঁলোকে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাটো উন্নত বুলি ভাবে । ছাত্ৰ-ছাত্ৰী সকলৰ লগত নিয়োগ সম্পৰ্কে কৰা আলোচনাত উপলব্ধি কৰিছিলো যে নিবনুৱা সমস্যা তেওঁলোকৰ দেশতো আছে । কিন্তু ভাৰতবৰ্ষৰ দৰে বিস্ফোৰিত হোৱা নাই ।

বাংলাদেশত আমি মাত্ৰ আঠদিনমান আছিলো এই আঠ'দনত দেশ এখনৰ অৰ্থনৈতিক, শৈক্ষিক, ৰাজনৈতিক, কাৰীগৰিক আৰু আন আন ব্যৱস্থা সম্পৰ্কে জানিব পৰাটো সম্ভৱপৰ নহয় । তথাপিও সাধাৰণ ধাৰণা এটাৰ পৰা কব পৰা যায় যে দেশখনৰ কঠোৰ পৰিশ্ৰমী মানুহখিনিয়ে দেশখনক উন্নতিৰ পথত আগবঢ়াই লৈ যাবলৈ বহু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছে । দেশখনত 'খাদ্যৰ অভাৱ নাই' তাৰ অৰ্থ এইটোৱেই নহয় যে তাত উৎপন্ন হোৱা খাদ্যবস্তুই দেশখনৰ কাৰণে যথেষ্ট । দেশখনৰ লাখ লাখ পৰিশ্ৰমী যুৱকে বাস্তৱক অগ্ৰাধিকাৰ দি বিদেশত ঠিকাদাৰ আৰু বনুৱাৰ কাম কৰি দেশখনৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাত সহায় কৰিছে । বাংলাদেশী যুৱক সকলে চৌদি আৰব, কুৱেইট, মালয়েছিয়া, দঃ কোৰিয়া, ইন্দোনেচীয়া, ছিংগাপুৰ আদি দেশত নানা ধৰণৰ কৰ্মত নিয়োজিত হৈ নিজ দেশৰ উপাৰ্জনত অৰিহণা যোগাইছে ।

বাংলাদেশৰ মানুহখিনি কৰ্ম ব্যস্ততা ও কঠোৰ শ্ৰমৰ বিনিময়ত গঢ়ি উঠা আৰ্থিক স্বচ্ছলতালৈ চাই মই ভাবো যে অসমৰ মানুহ খিনিয়ে বিশেষকৈ চৰ-চাপৰিত বাস কৰা মানুহখিনিয়ে ধান, পাট উৎপাদান নোহোৱা মাটিত বিফল পৰিশ্ৰম নকৰি ফল-মূল শাক-পাচলি ও মাটিৰ উপযোগী শস্যৰ খেতি কৰাৰ ব্যৱস্থা কৰিলে নিশ্চয় আৰ্থিক অৱস্থাৰ পৰিবৰ্ত্তন হব । কিন্তু ইয়াৰ বাবে প্ৰয়োজন হব একাগ্ৰতা, ধৈৰ্য্য আৰু পৰিশ্ৰমৰ । বিস্ফোৰিত নিবনুৱা সমস্যাৰ গঢ়াহত নিমজ্জিত হেজাৰ বিজাৰ নিবনুৱা যুৱকে ত্যাগ স্বীকাৰ কৰি আৰু মান মৰ্য্যদাক সঠিক ৰূপ দি আগবাঢ়ি আহি কামত যোগদান কৰিলে অৱস্থাৰ পৰিবৰ্ত্তন অৱিসম্ভাৱী। আশাকৰো দেৰি কৰি হলেও যিটো কাম কৰিবই লাগিব সেইটো এতিয়াই কৰাৰ মনোবৃত্তি আমাৰ মাজত গঢ়ি উঠিব ।

আমি যি ৰাস্তাৰে গৈ ঢাকা পাইছিলো । সেই ৰাস্তাৰেই আহি ৩০ অক্টোবৰত " পুণ্যৰ আশ্ৰম পালো " ।

# ইমদাদ্‌ৰ মৃত্যু আৰু মৃত্যুঞ্জিৎ সপোনৰ ভৱিষ্যৎ

চৈয়দ কাইয়ুম কবীৰ
মুৰব্বী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

( দেৱব্ৰত দাসলৈ কৃতজ্ঞতাৰে )

তাৰ নাম ইমদাদ্‌। নামটো তাৰ বাপেকে দিয়া। মাকে ৰাখিব খুজিছিল ইচমাইল। বাপেকৰ ইচমাইল নামটো মুঠেই পছন্দৰ নহয়। ইমদাদ্ বুলি শুনিলে যেনে এক দৃঢ়তাৰ অনুৰণন জাগে তাৰ তুলনাত 'ইচমাইল' শব্দটো যেন দুৰ্ব্বল। তাৰ নাম ইমদাদেই থাকি গ'ল। বাপেকৰ একমাত্ৰ ল'ৰা সি। এই আঘোনত তাৰ বয়স ২৫ বছৰ হব।

তাৰ ল'ৰালি কালচোৱা আছিল বাৰিষাৰ ৰৌদ্ৰজ্জ্বল আবেলিৰ আকাশৰ আলোকিত এগন [illegible] অথবা আঘোনৰ এপথাৰ ফুলা সৰিয়হ গছৰ দৰে। মাকৰ কোলাৰ পৰা দৌৰি ফুৰিব [illegible] আছিল তাৰ বাবে [illegible] পৰা চেমনীয়া হোৱালৈকে এই সময় চোৱা আছিল সবাতকৈ বেছি উদ্দাম আৰু বেপৰোৱা। বাপেকৰ লগত সিইতৰ খেতি পথাৰত সি উদ্দেশ্যবিহীন ভাৱে ঘূৰি ফুৰা, বোকা দিয়া পথাৰখনত মাছ ধৰা অথবা লগৰ ল'ৰাৰ লগত জেঠমহীয়া দুপৰীয়া আম গছৰ তলে তলে আম বিচাৰি ফুৰা সেই সময় চোৱাৰ কথা ভাবিলে তাৰ মনটো এতিয়া এক নামহীন বিষাদেৰে ভৰি পৰে। সি ভাবিবই পৰা নাছিল কি সংগোপনে অ.ক নিষ্ঠুৰ ভাৱে এই সময়বোৰ তাৰ পাৰ হৈ গ'ল। সি গমেই নাপালে কেনেদৰে সময় যোৱাৰ লগে লগে তাৰ কান্ধত যেন এটা অদৃশ্য বিয়োগোম দৈত্যাই বহি লৈছে। চিন্দাবাদৰ দৰে সি লক্ষ্যহীন ভৱে যেন দৈত্যটো কঢ়িয়াই লৈ ফুৰিছে। দৈত্যটোক কান্ধৰ পৰা নমাই অনাৰ সামৰ্থ্য তাৰ নাই। ক্ৰমাৎ সি শক্তিহীন হৈ পৰিছে। বাপেকৰ এন্তেকাল হোৱাৰ পিছৰ পৰাই সি চাৰিওফালে দেখিছে কেৱল শূণ্যতা। তাৰ সীমাহীন দৈন্য জীৱন যুদ্ধত তাৰ অসমৰ্থতাই [illegible] ক্ৰমোপাগান হতাশা। সি বৰ অসহায়। মাক বাপেকৰ এটাই ল'ৰা বাবে সি বৰ [illegible] আছিল। কেনেকৈ আত্ম-নিৰ্ভৰশীল হৈ জীয়াই থাকিব লাগে তাক সি সকৰে পৰা নিশিকিলে। সেয়েহে সংকটৰ মুহূৰ্ত্তবোৰত আজি সি ভীষণ অসহায় হৈ পৰে। বাপেক আছিল তাৰ প্ৰচণ্ড সাহসী, ধৈৰ্য্যশীল, দৃঢ়চেতা



# ঃ সংখ্যালঘুৰ অধিকাৰ ঃ

আব্দুৰ ৰহিম
স্নাতক মহলা ১ম বৰ্ষ
( বিজ্ঞান )

এটি নিৰস দ্বিধাগ্ৰস্থ নাম
যাৰ সংখ্যালঘু;
আজি দেশৰ চুকে কোণে অৱহেলিত জাতি
বাটকুৱায়ো লেই-লেই ছেই-ছেই কৰা
এটি বিষাক্ত নাম।
তোমাক যিমানেই আইনে ৰক্ষা নকৰক কিয়
তথাপিও চিৰদিন অৱহেলিত।
যদিও কাঢ়িব খোজে তোমাৰ অধিকাৰ
এচাম স্বাৰ্থবাদী, জাতীয়তাবাদীয়ে
যদিও তোমাৰ বাবেই দেশত
সাম্প্ৰদায়িকতা, বিৰোধ ভাৱ মানৱ সমাজত
তথাপিও তুমি এটি মানৱজাতি;
এইখন সমাজৰ।
তোমাৰ নামৰ লগত দাৰিদ্ৰভাৱ জড়িত।



# ঃ তোমাক ভাবি ঃ

মোঃ ৰফিকুল ইচলাম
স্নাতক মহলা ২য় বৰ্ষ
( কলা )

যদি,
চৰাই হলোহেঁতেন
দোকমোকালিতে আহি
সন্মুখৰ সৌ বকুল ডালত পৰি
গান গাই তোমাক জগালোহেঁতেন।
যদি,
বতাহ হলোহেঁতেন
নিয়ৰে মুকলি কৰা ফুল আনি
তোমাৰ খোপাটি
নিতৌ সজালোহেঁতেন।
যদি,
মেঘ হলোহেঁতেন
তোমাৰ চুলিৰ এন্ধাৰত
জিকমিক কৰি
মোৰ প্ৰেমৰ জোনাকী
ওৰে ৰাতি পৰি থাকিলোহেঁতেন।



## ঃ ইমান কিয় মৰম দিলা ঃ

আমিৰ হুছাইন খান
উঃ মাঃ ১ম বৰ্ষ (ক'লা)

ইমান কিয় মৰম দিলা
আপোন কিয় ভাবি ললা ?
কিয় তোমাৰ কোমল হাতেৰে
চকুলো মচি দিলা ?
হেঁকুৱাইছিলোঁ মোৰ প্ৰেৰণা জীৱনৰ
জীয়াই থকাৰ বাবে ।
পাহৰিছিলোঁ নিজৰ জীৱনক,
মৰম বিহীন ভাবে ।
কিন্তু আজি ইমান হতাশ ইমান নিৰাশ
আছিলোঁ অকলশৰীয়া,
কিয় মৰমেৰে মোৰ বিষাদ চকুলো
হঠাতে মচি দিলা ?
জীৱন যদি হয় চকুলোঁৰে নৈ
বৈ যাবলৈ দিয়া ।
আশা যদি হয় নিৰাশাৰ বান্ধ
ভাঙি যাবলৈ দিয়া ।
কিয়নো বাট আগচি ৰলা ?
ইমান কিয় আকুল হলা ?
কিয় নিৰাশাৰ চকুলো মচি দিলা
আশাৰ সপোন ভাঙি দিলা ?

* * *

## ঃ প্ৰতি ঋতুৰ কবিতাৰ ছন্দ ঃ

খাদিজা খাতুন
স্নাতক মহলা ২য় বৰ্ষ ( কলা )
(আৰবী প্ৰধান)

কবি প্ৰাণৰ দৰদী উমেৰে..................
গাইছোঁ এপাটি কাৰুণিক গান ।
অৰুণ ৰবিৰ দীপ্তিৰে দীপ্তিমান হৈ
উজ্বলাই তুলিম মাতৃৰ হৃদয়ৰ ..............
অনুৰাগী কবি মন উদ্যানে ...............
আৰু মেদিনীক কঁপাই তুলিছে ।
মোৰ অতি বিদ্ৰোহী হৃদয়ে..................
আঁকে ৰঙিলা ধৰাৰ কত ছবি ।
লয়লাস পতিত মন মাজে,
খণ্ডিতা খণ্ডিত কত বীণা বাজে ।
জীৱন-মৃত্যুৰ শেষ স্তৰ লৈ ............ ।
ইয়াৰে অন্তিম প্ৰান্তলৈকে তুমি যে মোৰ
প্ৰতি ঋতুৰ কবিতাৰ ছন্দে ।
অসীম বিস্ময়কাক আকোৱালি লৈ
প্ৰিয়াৰ মৰমে প্ৰেৰণা পাই ..................
উজ্বলাম মৃত্যুঞ্জয়ী ধৰা খন ।





## ঃঃ আজন্ম পিয়াসী ঃঃ

আজাদ হুছাইন শ্বৰীফ
টি, ডি, ছি, ২য় বৰ্ষ ( বিজ্ঞান )

মোৰ খিড়িকীৰ মাজেৰে মই দেখা
কাষৰ ঘৰবোৰে জীৱন্ত ৰূপ লয় মানুহবোৰক গছত পৰিণত কৰি
যাৰ বিবেক বোৰ মাটিত পোত খাই থাকে ;
আৰু কাম, ক্ৰোধ, ........ৰ ডালত ৰসাল ফল লাগে,
যি ফলৰ বাবে আদম-ইভৰো হৃদয় শিল হৈছিল ।
গাড়ীৰ চকাই চুমি যোৱা কলা দলিচাখনত মই ঘাম দেখোঁ,
কোনোবা কৃষ্ণকায় শ্ৰমিকৰ প্ৰাকৃতিক পিঠিখনত দেখাৰ দৰে ।
( গাড়ীত দেৱালয়ৰ মূৰ্তি টুকিছুমান— যিসকল হিংস্ৰ কম্পিউটাৰ )
প্ৰতি ৰাতিপুৱাই মোৰ কাষলৈ অহা পাৰ জাকক
মই চাউল দিওঁ— কেজি প্ৰতি টুটকাৰে কিনা কিছু শিল ।
পাৰজাকে নিবৰে খায় ;
কাৰণ সিহঁত বিশ্ব শান্তিৰ নামী-দামী পোছাক ।
জুৰিটোৰ মাজেৰে দেখোঁ- কিছু গছ উটি যায়,
যিবোৰৰ বিবেকত কঠালৰ দৰে যৌগিক ফল কিছুমান
—বাঢ়ুলিয়ে নষ্ট কৰা ।
সেইবাবে সিহঁত অযোগ্য এই ধৰাত থকাৰ
কাৰণ সিহঁতে কঠালৰ ফল খাব বিচাৰিছিল ।

সেয়েহে সিদিনা আইৰ কোলাত মুখ গুজি
চুহিছিলো - দুমহীয়া কেচুৱাৰ দৰে;
কিন্তু এটাও সূৰ্য্য নোলাল
নতুবা এটোপা তেজ।
মাথো গোন্ধ পাইছিলো
বিবেকৰ তেজ আৰু কঠালৰ এঠাৰ সংমিশ্ৰিত গোন্ধ।
আকৌ সিদিনা মোৰ কলিজাতো হাত দি চাইছিলো
কোনো দেৱালয়ৰ নগ্ন নাৰীৰ নিম্নাংগৰ দৰে অনুভৱ কৰিছিলো
কিন্তু তাত কোনো আবেদন নাছিল।
সেয়েহে মই প্ৰতি ৰাতিপুৱাই বহি থাকো খিড়িকীৰ কাষত
কেতিয়ানো মোৰ জিভাই অনুভৱ কৰিব !
গাইগৰুৰ স্তনত এটোপাল বিশুদ্ধ গাখীৰ !!
নহলে মই যে আজন্ম পিয়াসী হৈ ৰম।

● ● ●

# সুস্মিতা সেন,
# ডায়েনা, হেডেনৰ
# দেশত............

( এটা বাক্যৰ গল্প )

আজাদ হুছাইন শ্বৰীফ

চাৰিআলিৰ ক্ৰচিং পাৰ হবলৈ ধৰোতে বিলাসী ৰঙা মাৰুতী কাৰখনে অন্ধৰ দৰে অন্ধ ৰবীনক খুন্দিয়াই দিয়াত ভিক্ষাৰী ৰবীনৰ হাতৰ পৰা পৰি গ'ল ঘৰত অসুখীয়া তাৰ একমাত্ৰ পাঁচ বছৰীয়া জীয়েকৰ কাৰণে এসপ্তাহ লগোৱে পইচা মাগি 'দৰদী মেডিকল হ'ল'ৰ পৰা কিনি অনা এবটল ৰঙা ঔষধ লগতে তাৰ জীৱনৰ এটি ফুলকুমলীয়া সপোন যি সপোনৰ বাবে সি চৰকাৰী ডাক্তৰ খানাৰ পৰা আদি কৰি চহৰৰ নামজ্বলা ডাক্তৰবোৰৰ হাতে ভৰিয়ে ধৰিও তৎ পোৱা নাছিল। ● ● ●



# অন্বেষা
## ( মনোৰম ভ্ৰমন কাহিনী )

আব্দুছ ছাত্তাৰ আহমেদ
অধ্যক্ষ, নৱজ্যোতি মহাবিদ্যালয়

ৰীমুৰ আনন্দৰ সীমা সংখ্যা নাই। কাৰণ তেওঁ বহু দিনে বুকুত বান্ধি ৰখা আশা এই বেলি পূৰণ হ'ল। তেওঁৰ আশা আছিল যে তেওঁ কেতিয়াবা বিদেশ ভ্ৰমন কৰিব। কিন্তু দুখীয়া মানুহৰ বিদেশনো কিমান দূৰত ! হয়তোবা মথাৰগুৰিৰ ভূটান অথবা শিলিগুৰি-য়েদি যোৱা দাৰ্জিলিং নাইবা তাতকৈ অলপ বেছি দূৰ হলে বাংলাদেশ। নেপাল আৰু ভূটানক ৰীমুয়ে বিদেশ বুলি নাভাবে। কাৰণ নেপাল আৰু ভূটানত বোলে দিনে দুই তিনিবাৰ অহা যোৱা কৰিব পাৰি। বাংলাদেশক অৱশ্য তেওঁ বিদেশ বুলি ভাবে। কাৰণ দেশখন বহু দূৰত। যাওঁতে পাৰ পত্ৰৰ প্ৰয়োজন হয়। বাংলাদেশক প্ৰকৃত বিদেশ বুলি ভবাৰ তেওঁৰ আৰু এটা কাৰণ আছে। তেওঁ ৩৯ বছৰ আগতে এবাৰ বাংলাদেশত গৈছিল। তেতিয়া তেওঁৰ বয়স মাত্ৰ ১২ বছৰ। সেই সময়ত তাত এবি অহা খেলৰ লগৰীয়া দুই এজনক লগ পোৱাৰ এটা অদম্য হেপাহ তেওঁৰ অন্তৰত খাপলৈ ইমান দিনে তেওঁক আমনি কৰিছিল। বহুদূৰ আৰু বিদেশলৈ যোৱাৰ সকলোখিনি নিয়মনীতি মানিব লাগে কাৰণে বাংলাদেশ প্ৰকৃত পক্ষে এখন বিদেশ। তেওঁৰ এই বিদেশ ভ্ৰমনৰ আৰু এটা কাৰণ আছিল যে তেওঁ অত দিনে নীৰৱে সহি অহা তেওঁৰ সম্প্ৰদায়ৰ ওপৰত জাপি দিয়া ' বাংলাদেশী ' বাক্যবানৰ সঠিকতা নিৰ্ণয় কৰাটো। তেওঁ জানিব বিচাৰিছিল সচাঁকৈয়ে লাখ লাখ বাংলাদেশী সকল আমাৰ দেশলৈ প্ৰব্ৰজন কৰি আছে নেকি ? সেয়ে তেওঁ বাংলাদেশ ভ্ৰমন কৰি অহাৰ পাছত যাকে য'ত পায় তাকেই সেই দেশখনৰ বিষয়ে অলপ চেলু পালেই বিৱৰণ দিয়ে।

ৰীমুৰ এই বিদেশ ভ্ৰমণৰ বিৱৰণটো বাৰু আমি পোনপটীয়াভাৱে তেওঁৰ মুখৰ পৰাই শুনো আহঁক - " আমি ১৯৯৭ ইং চনৰ অক্টোবৰ মাহৰ ১৬ তাৰিখে ঘৰৰ পৰা যাত্ৰা কৰিলো। আমি মানে মোৰ লগত লেবু মিঞাও আছিল। লেবুৰ লগত জানি কৰি সুখ আছে। লেবু টেঙাৰ ৰসে যিদৰে খাদ্য সোৱাদ কৰি তোলে সেইদৰে লেবু মিঞায়ো

জার্নি মধুৰ কৰি তুলিব পাৰে। কষ্ট আৰু বিপদৰ সময়ত তেওঁৰ ৰসাল কথাবোৰৰ বাবে কষ্ট আৰু শংকা মনৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি যায়। সদায় সতৰ্ক প্ৰহৰীৰ দৰে সহায়ক হৈ তেওঁ ভ্ৰমণৰ কষ্টক তুচ্ছ কৰিব পাৰে। সেয়ে লেবুক মই লগৰীয়া হিচাপে পাই ভাল পাইছিলো।

আমি সৰভোগৰ পৰা ৰাতিপুৱা ৯ বজাত ট্ৰেনত উঠিলো নিউ বঙাইগাওঁলৈ। আমাক আগবঢ়াই দিছিল— জান, নজু, গীৰ আৰু বাবুয়ে। আমি ট্ৰেনত কলিকতালৈ গৈ ভিছা লম বুলি ভাৱিছিলো। কিন্তু ট্ৰেনৰ ৰিৰ্জাৰ-ভেশ্বন নোপোৱাত কোচবিহাৰৰ পৰা বকেটত যাম বুলি থিৰাং কৰিছিলো। সৰভোগৰ পৰা অসমৰ সীমান্তমূৰীয়া ষ্টেশ্বন শ্ৰীৰামপুৰলৈ যাওঁতে আল্লাহ ঈশ্বৰৰ নাম জপি জপি গৈছিলো। কাৰণ মাত্ৰ কেইদিনমান আগতে সেইটো ৰাস্তাত এবাৰ নে দুবাৰ বম ফুটিছিল। দুই বজাত আমি কোচবিহাৰ পাওঁ। তিনি বজাত কোচবিহাৰৰ পৰা কলিকতামুৱা হওঁ। কলিকতালৈ যাওঁতে কোচবিহাৰ, জলপাইগুৰি মালদহ, মুৰ্চিদাবাদ বৰ্ধমান, ২৪ পৰগনা আদি কেইখনমান জিলা পাৰ হৈ যাব লগা হৈছিল। ৰাস্তাৰ দুয়োফালে চাই চাই গৈছিলো। শালি ধানেৰে উপচি পৰা খেতি পথাৰবোৰ দেখি ভাৱিছিলো যে অসমৰ মানুহবোৰে আন্দোলনমুখী নহৈ যোৱা ২০ টা বছৰত যদি মনপুতি খেতিও কৰিলেহেঁতেন তেতিয়াহলেও অসমৰ অৰ্থনৈতিক অৱস্থা পানীত হাঁহ নচৰা অৱস্থাৰ দৰে নহলহেঁতেন। গোটেই ৰাস্তাত অতি কম দূৰত্বত দেখিবলৈ পাইছিলো বিভিন্ন ধৰণৰ কাৰখানা আৰু উদ্যোগ, যিবোৰ উদ্যোগত লাখ লাখ মানুহে কৰ্মসংস্থান পাইছে। অতি সুক্ষ্মভাৱে এটা কথা লক্ষ্য কৰিছিলো যে পশ্চিমবংগৰ গাওঁ বিলাকৰ মানুহবোৰে অতি কম ঠাই থকা-খোৱাৰ বাবে ব্যৱহাৰ কৰে।

জলপাইগুৰি জিলাৰ বিশাল চাহ বাগিছা আৰু ইয়াৰ সম্প্ৰসাৰণ ব্যৱস্থাই মনমুগ্ধ কৰি পেলাইছিল। পশ্চিমবংগত চাহ খেতিৰ উপযোগী মাটি যথেষ্ট পৰিমাণে থকা হলে অহা ১০ বছৰৰ ভিতৰত চাহ খেতিত প্ৰদেশখনে অসমক চেৰ পেলালেহেঁতেন।

১৭ অক্টোবৰৰ পুৱা ৯ বজাত কলিকতা পাইছিলো। সিদিনাই আমেৰিকান ডলাৰ ললো। ১৮ তাৰিখত ভিছা পালো আৰু ১৯ তাৰিখত পুৱা ৭ বজাত কলিকতাৰ শিয়ালদহ ষ্টেশ্বনৰ পৰা যাত্ৰা কৰি বৰ্ডাৰ চহৰ বনগাওঁ পুৱা ৯ বজাত পালো। অ'টো এখন লৈ পেট্ৰাপোলেদি জশোহৰ ৰোডেৰে ১৫ টকা ভাৰা দি হৰিদাস পুৰত থকা পাৰাপাৰ কাৰ্য্যালয়ত উপস্থিত হওঁ আৰু ১১ বজাত ভাৰতৰ কাৰ্য্যালয়ৰ কাম-কাজ শেষ কৰি বেনাপোলত থকা বাংলাদেশৰ কাৰ্য্যালয়ত উপস্থিত হওঁ আৰু আধা ঘণ্টাৰ ভিতৰত তাত কাম-কাজ শেষ কৰি ঢাকালৈ যোৱাত ব্যস্ত হৈ পৰো। দুপৰীয়াৰ আহাৰ খাবৰ সময়কণ উলিয়াব নোৱাৰিলো।

পাৰাপাৰ কাৰ্য্যালয়বোৰত কোনো অসুবিধা পোৱা নাছিলো। উভয় কাৰ্য্যালয়ৰ কৰ্মচাৰী আৰু অফিচাৰ সকল অত্যন্ত ভদ্ৰ। পৰ্য্যাপ্ত পৰিমাণৰ বহাৰ আসন আছে আৰু যাত্ৰী সকলে যাতে আমনি নাপায় তাৰ বাবে যথেষ্ট তৎপৰতাৰে তেওঁলোকে কাম কৰে। বাংলাদেশৰ কাৰ্য্যালয়ত মাত্ৰ কৰ্মচাৰী দুজনে 'চাহ-টা' খাবৰ কাৰণে আমাৰ লেবুমিঞাৰ পৰা কিছু খুজিছিল। তাকো ভদ্ৰ ভাবে আৰু কাম কৰি দিয়াৰ পাছত লেবুয়ে তেওঁক অলপমান দিছিল যেন পালো।

বাংলাদেশৰ কাৰ্য্যালয়ৰ ওচৰত কেইজনমান দালাল থাকে। তাত ফৰ্ম চাৱমিট কৰিব লাগে। দালাল সকলে অতি ভদ্ৰভাবে মিনতি কৰে যে তেওঁলোক নিবনুৱা আৰু তেওঁলোকে অলপ পইচাৰ বিনিময়ত কামখিনি কৰি দিয়াত ইচ্ছুক। সদয় ব্যক্তিসকলে তেওঁলোকক সহায় কৰে। কামখিনিও অতি সোনকালে হৈ যায়।

বেনাপোলক এটা সৰু চহৰ বুলিব পাৰি। পেট্ৰাপোল-বনগাওঁ আৰু বেনাপোলৰ একেটাই ৰাস্তা। মাজত মাত্ৰ ভাৰত আৰু বাংলাদেশৰ পাৰাপাৰ কাৰ্য্যালয়। ইপাৰেও লুঙ্গী-পেন্ট, সিপাৰেও লুঙী-পেন্ট। ভাৰা একে। ইপাৰে ইণ্ডিয়ান বৰ্ডাৰ ফোৰ্চ সিপাৰে BDR। বেনাপোলৰ পৰা সুহাগ ট্ৰেভেলছ্‌ৰ ১ বজাৰ শেষ গাড়ীখনত উঠিলো। অত্যন্ত আৰামদায়ক গাড়ী। সুহাগ কোম্পানীয়ে যাত্ৰী সকলৰ কাৰণে বিনামূলীয়াকৈ জিৰণি ঘৰ, বাথৰূম, লেট্ৰীন, থকা আদিৰ ব্যৱস্থাও কৰিছে। বেনাপোল জশোহৰ জিলাত। আমি এক বজাত যাত্ৰা আৰম্ভ কৰিলো। পশ্চিমবংগৰ দৰে ৰাস্তাৰ দুয়োফালে ধানখেতিৰ আকৌ সেই মনমুগ্ধকৰ চিত্ৰ। জশোহৰ জিলাৰ এটা মাত্ৰ পাৰ্থক্য যে ইয়াৰ ছন্‌পৰা মাটিত তৰু-তৰকাৰী, শাক-সব্‌জি আৰু ফল মূলৰ খেতি কৰা হৈছে। ব্যক্তিগত আৰু চৰকাৰী খণ্ডত হেজাৰ হেজাৰ বিঘা মাটিত শালকাঠৰ ঝাৰ কৰা হৈছে। এসময়ত কাঠৰ অভাৱ থকা দেশখনত এতিয়া কাঠেৰে উভয়নদী কৰি পেলোৱা হৈছে। পশ্চিমবংগ আৰু বাংলাদেশৰ গাওঁবোৰৰ পাৰ্থক্য এই যে পশ্চিমবংগত গাঁৱৰ মানুহৰ সৰু সৰু খেৰীঘৰ কিন্তু বাংলাদেশত প্ৰায় সকলো ঘৰেই টিনপাতৰ। খেৰীঘৰ বাংলাদেশত হেজাৰত এটা বা দুটা হব। বেনাপোলৰ পৰা ডেৰ ঘণ্টা সময় লাগিছিল জশোহৰ চহৰলৈ। ধুনীয়া চহৰ। মগনীয়াক পইচা দিয়াৰ ইচ্ছা আছিল। কিন্তু বাংলাদেশত কতো এটা মগনীয়াও দেখা নাপালো। আবেলি চাৰি বজাত পদ্মা আৰু যমুনাৰ সংগমস্থল পালো। ফেৰীত পাৰ হৈ পূবপাৰত অৱস্থিত আৰিছা পাওঁতে ৬'৩০

বাজিল। যিখন ফেৰীত পাৰ হলো সেইখনত একেলগে ৩৫ খন গাড়ী উঠিল। ফেৰীত চাহৰ দোকান এখনত চাহ খালো। ঢাকাৰ মানুহ এজনৰ লগত কথা বতৰা হ'ল। তেওঁ এজন ডাঙৰ বিষয়া। তেওঁ কলিকতালৈ আহিছিল তেওঁৰ ল'ৰা-ছোৱালীক চাবলৈ। তেওঁ মাহত দুবাৰ কলিকতালৈ আহে কলিকতাত পঢ়ি থকা তেওঁৰ ল'ৰা ছোৱালীহঁতক চাবলৈ। তেওঁৰ পৰা বাংলাদেশ সম্পৰ্কে বহু কথা জানিব পাৰিলো। ৰাতি ৯ বজাত ঢাকা পালো। সুহাগ কোম্পানীৰ যাত্ৰীৰ জিৰণি কোঠা। আচাৰত ধৰণে সুন্দৰ ব্যৱস্থা। I S D এখনত সোমালো ঘৰত টেলিফোন কৰিম বুলি। কিন্তু ৰিং কৰাৰ পাছতেই লাইন কাটি গ'ল। I S D ত কাম কৰা ল'ৰা এজনে আমাক ভাল হোটেল এখনত থৈ আহিল। অত্যন্ত ভদ্ৰতা আৰু অতিথি পৰায়নতাত মুগ্ধ হ'লো।

ৰাতিপুৱা ৪.৩০ বজাত উঠি মাদ্ৰাছা স্কুলৰ ছাত্ৰসকলৰ দীঘলীয়া মিছিল আমি থকা হোটেলৰ সন্মুখেদি পাৰহৈ যোৱা দেখা পালো। ই আচলতে ৰাতিপুৱাৰ ব্যায়াম হে আছিল। আমাৰ হোটেলৰ সন্মুখত থকা ওখ দালান এখনত গোটেই ৰাতি VIDEO এখনৰ পৰা হিন্দি চিনেমাৰ গীত শুনিবলৈ পোৱা গৈছিল।

পুৱা ৭ বজাত ঢাকা চহৰৰ কিছু ঠাই ঘূৰিলো। ডাঙৰ মেট্ৰোপোলিটান ছিটি। ৰাস্তাবোৰ ইমান বহল যে কেৱল নতুন দিল্লীৰ ৰাস্তাৰ লগতহে তুলনা কৰিব পাৰি। গাড়ী মটৰৰ অত্যন্ত ব্যস্ততা। ৰাতিপুৱা ৮ বজাত ঢাকা বিশ্ববিদ্যালয় চৌহদৰ ভিতৰত সোমালো। সুন্দৰ পৰিবেশ। ছিটিৰ কোলাহলপূৰ্ণ ৰাস্তাতাই তাত ঢুকি নেপায়। গছ গছনিৰে ভৰা এটা আশ্ৰম সদৃশ চৌহদখন। ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীৰ অধ্যয়নত ব্যস্ত। তাত পুৱা ৮ বজাৰ পৰাই ক্লাচ হোৱা দেখিলো। গুৱাহাটী বিশ্ব-বিদ্যালয়ত ই কল্পনাতীত। দুই এজন শিক্ষক ও ছাত্ৰ-ছাত্ৰীৰ লগত কথা পথা পতাৰ পাছত তেওঁলোকে আমাক অলপ সময় চৌহদৰ কিছু বস্তু দেখুৱালে। কবি নজৰুল ইছলামৰ কবৰ বিশ্ববিদ্যালয়ৰ মছজিদৰ মিচেই কাষত। আমি ফটো লৈছিলো।

ঢাকাৰ পৰা গাজীপুৰ আৰু টাঙ্গাইল জিলাত থকা আত্মীয়ৰ ঘৰত গৈছিলো। তাত দুইদিনমানৰ থকাৰ পাচত এটা কথা লক্ষ্য কৰিছিলো যে দেশখনৰ মানুহখিনি অত্যন্ত অতিথি পৰায়ন অথচ ব্যস্ত। মানুহবোৰ ইমানেই ব্যস্ত যে চাহৰ দোকানত বহি চাহ খোৱাৰ পাচতেই নিজ নিজ কামত তেওঁলোক ব্যস্ত হৈ পৰে। তাৰ কাৰণ এটাই যে ১২ কোটি জন সাধাৰণে বাস কৰা ক্ষুদ্ৰ দেশখনত



পুৰুষ। বাপেকৰ গুণ সি এটাও নেপালে। প্ৰচণ্ড ধুমুহাত নৈৰ পাৰৰ কাঁহিবনবোৰ দোঁখাই গলেও কোনো দিনে মুঠেও ভাঙি নপৰে, বাপেকো আছিল তাৰ তেনেকুৱা। বাপেকৰ আছিল এক বিচিত্ৰ জীৱন ধাৰা। কাহানিও হাৰ মানিব নোখোজা বাপেকৰ মুখমণ্ডলত সি সদায় দেখিছিল এক লৌহ কঠিন দৃঢ়তা। সুখ, দুখ, আনন্দ, বিষাদ সকলোতে মানুহজন আছিল নিৰ্লিপ্ত। এক স্থিতপ্ৰজ্ঞ ব্যক্তিত্ব। নিজৰ ২০ বিঘাৰ এখন দীঘলীয়া পথাৰত সিহঁতে খেতি কৰিছিল। মাকৰ আছিল এক ভয়ংকৰ অসুখ। অসুখৰ চিকিৎসাৰ বাবে বাপেকে নিজৰ মাটিবোৰ অলপ অলপকৈ বেচি দিছিল সিহঁতৰ গাওঁৰ সিমূৰত থকা প্ৰতিপত্তি-শালী ব্যৱসায়ী বছিৰুদ্দিন আহমেদ হাজীৰ ওচৰত। আলহাজ বছিৰুদ্দিন গাওঁৰ এজন ডাঙৰ ব্যৱসায়ী। এবাৰ দুবাৰকৈ তিনিবাৰ হজ কৰি অহা বছিৰুদ্দিনৰ গাওঁৰ ঘৰত চাৰিটাকৈ গুটি ধানৰ ভড়াল। চহৰত এটা ডাঙৰ ৰাইচ মিল। এসোপামান কাম কৰা মানুহ আৰু প্ৰয়োজন হলে মাৰপিট কৰিব পৰা এক ডজন পোহনীয়া গুণ্ডা, চাৰিওঁফালে পকী দেৱালেৰে সমাকীৰ্ণ প্ৰকাণ্ড এক হাউলী। মানুহজনৰ প্ৰকাশ্যে আৰু গোপনে অজস্ৰ ব্যৱসায়। প্ৰচণ্ড লোভী আৰু নিৰ্দয় মানুহজনে টাটা বিৰলাৰ দৰে ধনী হোৱাৰ স্বপ্ন দেখে। ন্যায়, নৈতিকতা, দয়ামায়া মানুহজনৰ অভিধানত নাই।

সেই বছিৰুদ্দিনৰ ওচৰত বাপেকে ৩ বছৰ মানৰ ভিতৰতে আধামুলীয়াকৈ গোটেই সোপা খেতি মাটি বিকি দিলে। ভেটি মাটিখিনি যেনিবা আছিল। মাকৰ অন্তিম মুহূৰ্ত্তত শেষ চেষ্টা কৰো বুলি এদিন বাপেকে দুহেজাৰ টকাৰ বিনিময়ত বছিৰুদ্দিনৰ ওচৰত কাগজ এখনত চহী কৰি ঘৰৰ ভেটিটোকো বন্ধকত দি আহিল। মাকৰ কিন্তু অসুখ ভাল নহ'ল। মাকৰ মৃত্যু হ'ল। বাপেকৰ ভেটি মাটিখিনি বছিৰুদ্দিনৰ পৰা ওভতাই আনিবলৈ সামৰ্থ নাই। বাধ্যহৈ ইমদাদ্ চাৰি বছৰৰ বাবে বছিৰুদ্দিনৰ ঘৰত বিনা পইচাত লগুৱা খাটি দিব লগা হ'ল। সেই চাৰি বছৰো পাৰ হ'ল। এদিন ইমদাদৰ বাপেকে বছিৰুদ্দিনৰ ঘৰলৈ গৈছিল। ইমদাদক লৈ আহিব আৰু লগতে চহী কৰি দিয়া বন্ধকীৰ কাগজখনো! কিন্তু কাগজখন বাপেকে আনিব নোৱাৰিলে। এক নিষ্ঠুৰ হাঁহি মাৰি বছিৰুদ্দিনে কাগজখন ওভটাই দিবলৈ অমান্তি হ'ল। আৰু পাঁচ বছৰ ইমদাদে বছিৰুদ্দিনৰ ঘৰত খাটিব লাগিব! তেহে কাগজ। দুহেজাৰ টকা এনেয়ে আহেনে! ভবিৰ পৰা মূৰলৈ বাপেকৰ তেজ গৰম হৈ আহিছিল। বাপেকৰ চকু দুটা জ্বলা অঙঠাৰ দৰে হৈছিল। বাপেকে তাক বছিৰুদ্দিনৰ ভাৰ পৰা হাতত ধৰি এক প্ৰকাৰ টানিয়ে ঘৰ পোৱাইছিল। আহিয়ে বাপেকে বিছনাৰ তলৰ পৰা জৰাজীৰ্ণ টিনৰ বাকচ এটা টানি উলিয়াই-ছিল। বাকচৰ পৰা ফটা কাপোৰেৰে মেৰিয়াই

মেৰিয়াই বন্ধা কিবা এটা বাপেকে উলিয়াই আনিছিল। ফটা কাপোৰৰ পাকবোৰ একৰাই একৰাই বাপেকে যিটো বস্তু তাৰ পৰা বাহিৰ কৰিলে তাক দেখি ইমদাদৰ বুকুখন কপি উঠিল। এটা জাৰ্মান দেশত নিৰ্মিত পুৰণা কোল্ট-ৰিভলভাৰ। ভিতৰত থকা ছটা বুলেট অক্ষত, জীৱন্ত। যিকোনো মুহূৰ্ত্ততে কাৰোবাৰ প্ৰাণ লবলৈ যেন প্ৰস্তুত। তেজেৰুৱা এটা সি বছিৰুদ্দিনৰ হাততো দেখিছিল। হাতত ৰিভল-ভাৰটো লৈ বাপেক তেতিয়া এক বেলেগ মানুহ। ৰিভলভাৰটো লৈ বাপেকে ঘপহ কৰি থিয় হৈছিল। ইমদাদৰ ভয়াতুৰ মনটোৱে হঠাৎ সক্ৰিয় হৈ উঠিছিল। সি বাপেকৰ ভৰি তুখন সজোৰে গৰা মাৰি ধৰিছিল। বিশ বছৰীয়া ইমদাদে সেই দিনা বাপেকৰ মনে মনে লোৱা কঠিন সিদ্ধান্ত আৰু তাৰ পৰা আহিব পৰা সাম্ভাব্য বিপদ সম্পৰ্কে বাপেকক চিঞৰি চিঞৰি বুজাব ধৰিছিল। তাৰ অসহায় ভয়াৰ্ত চকুহাললৈ চাই বাপেক শেষত শান্ত হৈছিল। সেইদিনা ৰাতি সি বাপেকৰ মুখৰ পৰা শুনিছিল এই ৰিভলভাৰৰ কাহিনী আৰু বাপেকৰ বিচিত্ৰ জীৱনৰ এচোৱা...............।

ইমদাদৰ বাপেকৰ বাপেক ৰহমৎ আলী আছিল তাহানিৰ ইংৰাজ শাসিত ভাৰতৰ পূৰ্ব্ববংগৰ ৰাজসাহী পৰগণাৰ প্ৰৱল প্ৰতাপী জমিদাৰ দেৱান ইন্তেখাব আলম চৌধুৰীৰ ৰান্ধনীশালৰ মুখ্য খানচামা। বিভিন্ন ধৰণৰ, বিভিন্ন ৰুচিৰ খাদ্য, খোৱাৰ চখ চৌধুৰী চাহাবৰ। পূৰ্ব্ববংগৰ যিমান জমিদাৰ আছে তাৰ ভিতৰত ইন্তেখাব আলম চৌধুৰীৰ ৰান্ধনী শালৰ এক বিশেষ সুনাম আছে। ইয়াৰ কাৰণ হ'ল খানচামা ৰহমৎ আলীৰ পকাহাত। মোগল দস্তুৰৰ মাটন্ বিৰিয়ানী, চিঙৰী পলাওঁ বকৰাছ্যা মাছাছী কাড়ি, মানছন চপ, ৰোগান ৰোষ্ট, বিফাছী কাড়ী, এভিএল ইত্যাদি কত যে খাদ্যৰ ফৰমাছ! এই সকলোবোৰতেই ৰহমৎ আলীৰ হাতপকা। বিশাল ৰাজসাহী পৰগনাৰ কৃষকৰ পৰা খাজনা আদায় কৰাৰ অধিকাৰ কলিকতাৰ গভৰ্ণৰ জেনেৰেলে ইন্তেখাব চৌধুৰীক দিছে। ইয়াৰ বাবে জমিদাৰৰ আছে এজাক হিংস্ৰ মানুহ আৰু আছে জমিদাৰৰ নিজস্ব প্ৰশাসন। বছৰত পৰগনাটোৰ ভিতৰৰ বিশজন পৰ্য্যন্ত ৰায়তক তেওঁ ইচ্ছামতে হত্যা কৰিব পৰা অধিকাৰ পাইছে। তেওঁৰ ভয়ত বাঘে ছাগে একে ঘাটত পানী খায়। কোনো মানুহে ৰ'দত ছাতিলৈ গলেও প্ৰকাণ্ড হাউলীৰ বাটচোৰা পাৰ হলে ছাতি জপাই যাব লাগিব বাজআলিৰে তেওঁ তীব্ৰবেগে ঘোঁৰা চেকুৰাই গলে পথাৰত হালবাই থকা মানুহে হাল ৰখাই দিয়ে। ৰাজসাহীৰ তিৰোতাই জমিদাৰৰ ভয় দেখুৱাই নিজৰ কান্দি থকা কেচুৱাবোৰক মিচুকাই। কোনোবাই বিয়া পাতি অনা ন-কইনাক প্ৰথম ৰাতিটো জমিদাৰৰ হাউলীত ৰখাটোৱেই নিয়ম।



ৰাজসাহীৰ ৰায়তী প্ৰজাৰ সন্ত্ৰাস স্বৰূপ এই জমিদাৰজন ইংৰাজ বিষয়াসকলৰ ওচৰত বৰ শান্ত বিনয়ৰ অৱতাৰ যেন। ঢাকাৰ ইংৰাজ কমিছনাৰৰ পৰা ৰেভিনিউ অফিচাৰলৈকে সকলোকে মানুহজনে তোষামোদ কৰি চলে। এদিন ঢাকাৰ ৰেভিনিউ অফিচাৰ পিটাৰ মৰিচনক জমিদাৰে গধূলিৰ সাজলৈ নিমন্ত্ৰণ কৰিলে। দুপৰীয়াই কোনোবাই পচিশ কিলো ওজনৰ প্ৰকাণ্ড ৰৌমাছ এটা জমিদাৰৰ চোতালত পেলাই থৈ আহিল। ৰহমৎ আলীৰ গাত তৎ নাই। জমিদাৰৰ যাতে সন্মান অটুট থাকে তাৰ বাবে ৰহমৎৰ আজি বিশেষ দায়িত্ব পৰিছে। বিভিন্ন ধৰণৰ খাদ্য সি প্ৰস্তুত কৰিছে। তাক সহায় কৰিবলৈ ছয়জন মানুহ। ছাঁটোৰ দৰে অনবৰত লাগি আছে ৰহমৎৰ চৈধ্য বছৰীয়া ল'ৰাটো অৰ্থাৎ ইমদাদৰ বাপেক। তাৰ মাক নাই বাবে বাপেকৰ লগতে জমিদাৰৰ হাউলীতে থাকে। যথা সময়ত জমিদাৰ আৰু মৰিচন চাহাবক খাদ্য পৰিবেশন কৰা হ'ল। সকলোবোৰ সুন্দৰ ভাবে চলি গৈছিল। চাহাবে মাজে মাজে ৰহমৎ আলীৰ প্ৰশংসাও কৰিছিল। কিন্তু শেষৰ ফালে ৰোগান জোছ নামৰ ছাগলীৰ মাংসৰ বিশেষ আঞ্জাত আফুগুটি আৰু জাই ফলৰ পৰিমাণ কম হোৱাত সেই পদ ৰন্ধনৰ আচল সোৱাদ যেন চাহাবে নাপালে। নিমখৰ পৰিমাণো চাগে কম হৈছিল। জমিদাৰে মনে মনে ৰহমৎৰ ওপৰত ক্ষুন্ন হৈছিল। শেষত হাত মুখ ধুই মৰিছনে জমিদাৰক ইংৰাজী ভাষাত যিষাৰ কথা কৈছিল তাৰ অৰ্থ হল— তোমালোক ভাৰতীয় মানুহবোৰ সকলো কথাতে যেন কিবা নহয় কিবা দিশত অসম্পূৰ্ণ, আন-ছফিচটিকেটেদ। সেই বাবেই মহান ঈশ্বৰে তোমালোক ভাৰতীয় সকলক পাৰফেক্টছন তথা ছফিচ টিকেচনৰ জ্ঞান দিবলৈ আমাক ইংৰাজ বোৰক তোমালোকৰ দেশলৈ পঠাইছে। প্ৰৱাল প্ৰতাপী জমিদাৰ দেৱান ইন্তেখাব আলম চৌধুৰী মৰিছন চাহাবৰ কথা কেইটাত যথেষ্ট অপমানিত হৈছিল। কিন্তু মৰিছন চাহাব যে তেওঁৰ প্ৰভু ঈশ্বৰ। খিৰতী গাই যেন ৰাজসাহী পৰগনাৰ সকলো চাবি কাঠিয়ে মৰিছন চাহাবৰ ওচৰত। এটা সময়ত চাহাবজন গুচি গ'ল। এইবাৰ জমিদাৰে ঘৰৰ ভিতৰৰ পৰা এডাল কাইটীয়া চাবুক উলিয়াই আনিলে। সকলো খঙ অপমান তেওঁ ৰহমৎৰ ওপৰত জাপি দিলে। চৌহদৰ পকী চোতালত সিদিনা ৰাতি ৰহমৎ আলীক পেলাই লৈ চাবুকেৰে কোৰাই কোৰাই যেন ফুটবল খেলিছিল জমিদাৰে। চৌহদৰ এটা চুকত ৰহমৎৰ ল'ৰা অৰ্থাৎ ইমদাদৰ বাপেক এক ভয়াৰ্ত দৃষ্টিৰে বাপেকক চবুকেৰে কোবাই থকা চাই আছিল। বাপেকৰ গালে মুখে, দাঁতৰ গুৰিৰে পিঠিৰ জ'ত ত'ত ৰঙা তেজৰ সোঁত। খঙত ইমদাদৰ বাপেকৰ চকু দুটা জ্বলি উঠিছিল। হঠাৎ সৰু ল'ৰাটিয়ে এটা

আচবিত সিদ্ধান্ত লৈছিল। ওচৰত পৰি থকা এটা বুজন ধৰণৰ শিল হাতত তুলিলৈ চকুৰ পচাৰতে জমিদাৰৰ কপাল টোৱাই মাৰি পঠাইছিল। অব্যর্থ লক্ষ্য জমিদাৰে চোতালত দীঘল হৈ পৰি গৈছিল। হঠাৎ হোৱা এনে কাৰ্য্যত জমিদাৰৰ চিপাহীবোৰে একো তৰ্কিবই পৰা নাছিল। যেতিয়া সিহঁতৰ গাত তৎ আহিল তেতিয়া বহুত পলম হৈ গৈছিল। ৰহমৎ আলীৰ ল'ৰাই ইতিমধ্যেই জমিদাৰৰ হাউলী পাৰ হৈ ৰাজপথৰ এন্ধাৰত মিলি গৈছিল। ৰুদ্ধশ্বাসে দৌৰিছিল ইমদাদৰ বাপেক। পিছে পিছে জমিদাৰৰ অশ্বাৰোহী ৰখীয়াবোৰে তাক খেদি আহিছে। হঠাৎ সন্মুখৰ পৰা অহা এখন জীপগাড়ীৰ সুতীব্ৰ পোহৰত ল'ৰাজন বৈ গৈছিল। জীপৰ চালকজনে প্ৰচণ্ড জোৰেৰে ব্ৰেক মাৰি কথমপি ল'ৰাজনক ৰক্ষা কৰিছিল। ইতিমধ্যে প্ৰচণ্ড ভাগৰ আৰু ভয়ত অচেতন হৈ পৰিছিল সি। গাড়ীৰপৰা নামি আহিছিল পথুলি জমিদাৰৰ ঘৰত নিমন্ত্ৰিত সেই চাহাবজন। পিটাৰ মৰিছন। মৰিছনে তাৰ অচেতন দেহটো জীপত তুলি লৈ চাহাবৰ বাংলো পোৱাইছিল। চাহাবৰ পৰিচৰ্য্যাত সি সুস্থ হৈ উঠিছিল। সি মৰিছন চাহাবক ৰাতি সকলো কথা বিবৰি কৈছিল। সি জানে বাপেকক আৰু জমিদাৰে জীয়াই ৰখা নাই। বাপেকক জমিদাৰে কাৰোবাৰ হতুৱাই হত্যা কৰি চৌহদৰ এটা চুকত পুতি থৈছে নিশ্চয়। সি বৰ অকলশৰীয়া অনুভৱ কৰিলে। তাৰ চকুহুটা সেমেকি আহিল। সি এতিয়া যাব কʼলৈ। চাৰিও ফালে জমিদাৰৰ চিপাহীবোৰে তাৰ সন্ধানত ঘূৰি ফুৰিছে। মৰিছন চাহাব মানুহজন আছিল বৰ মৰমীয়াল। দেশত তেওঁৰ কোনও নাই। আটলাণ্টিক মহাসাগৰত 'টাইটানিক' নামৰ জাহাজখনত তেওঁৰ বাহিৰে পৰিয়ালৰ সকলোবোৰৰ সলিল সমাধি হৈছিল এদিন। মনৰ দুখত ভাৰতত চাকৰি কৰিবলৈ আহিছিল তেওঁ। মৰিছনে ইমদাদৰ বাপেকক নিজৰ লগত ৰাখিবলৈ সিদ্ধান্ত কৰি পেলালে। কোনো নথকাত অকলশৰীয়া চাহাবজনলৈ তাৰ বৰ মৰম সোমাল। তাৰোটো কোনো নাই! গতিকে সি হ'ল চাহাবৰ হাতধৰা লগুৱা। এদিন চাহাব অসমলৈ বদলি হৈ আহিল। লগত আহিল ইমদাদৰ বাপেক। চাহাবৰ চিকাৰত চখ আছিল। হাতীত উঠি চিকাৰলৈ গ'লে ইমদাদৰ বাপেক যাবই। হঠাৎ এদিন চাহাবজনৰ কিবা দুৰাৰোগ্য বেমাৰ হৈ মৰি থাকিল। ইমদাদৰ বাপেক তেতিয়া চফল ডেকা। মৰাৰ আগেয়ে মৰিছনে ইমদাদৰ বাপেকক এক বুজন পৰিমাণৰ ধন দিছিল। ইমদাদৰ বাপেকে চাহাবৰ ৰিভলভাৰটো তেতিয়াই গোপনে ৰাখি থৈছিল। ৰিভলভাৰটোত ছয়টা গুলী অক্ষত অৱস্থাত আছিল। চাহাবৰ মৃত্যুৰ পিছত চাহাবে দিয়া ধনখিনি আৰু অতি গোপনে ৰিভলভাৰটো লৈ ইমদাদৰ বাপেকে চহৰৰ পৰা দূৰৰ এখন গাওঁলৈ গুচি আহিছিল। গাওঁখনত পূৰ্ব্ববংগৰ পৰা অহা বহু মানুহে ঘৰবাৰী পাতি বাস কৰি আছিল। সিও তাতে মাটিবাৰী কিনি নিগাজীকৈ থাকিবলৈ ললে। ইতিমধ্যে দেশ স্বাধীন হ'ল। সি আৰু পূৰ্ব্ববংগলৈ ঘূৰি নগল। বহু দেৰিকৈ সি সংসাৰ আৰম্ভ কৰিলে। এদিন ইমদাদৰ জন্ম হ'ল। সেই ইমদাদৰো আজি পঁচিশ বছৰ। মাজে মাজে ইমদাদৰ ভাৱ হয় বাপেকৰ দৰে সিও যেন বছিৰুদ্দিনৰ কপাল টোৱাই এটা শিল মাৰি পঠিয়াব। কিন্তু বাপেকৰ দৰে তাৰ সেই সাহস নাই। সি বৰ অকলশৰীয়া। হওঁতে তাৰ ঘৈণীয়েকজনী নথকা নহয়। বাপেক মৰাৰ পিছত দূৰ-সম্পৰ্কীয় মোমায়েকজনে তাৰ বিয়া পাতিছিল। ঘৈণীয়েক বৰ্ত্তমান অন্তঃসত্বা। কিছুদিন পিছত তাৰ সংসাৰত আৰু এজন হব। তাৰ দায়িত্ব বাঢ়িব। বাপেকে সিদিনা খণ্ডতে বছিৰুদ্দিনৰ ঘৰৰ পৰা তাক লৈ অহাৰ পিছতো পুনৰ সি বছিৰুদ্দিনৰ তাত লগুৱা খাটিব গৈছিল আৰু পাঁচ বছৰৰ বাবে। মাজতে বাপেক ঢুকাল। বছিৰুদ্দিনে সিহঁতক ভেটিৰ মাটিৰ পৰা উংখাত কৰা নাই। ঘৰত ঘৈণীয়েক থাকে আৰু দিনটো সি বছিৰুদ্দিনৰ ঘৰত কাম কৰি কটায়। এইবাৰৰ বছৰটো শেষ হ'লে তাৰ পাঁচ বছৰ পূৰ হব। সেয়াও এমাহ মানহে আছে। এইবাৰ বছিৰুদ্দিনে তাক বন্ধকীৰ কাগজখন দি দিয়াৰ কথা। বাপেকৰ অৱশিষ্ট সম্পত্তি এই ঘৰৰ ভেটিটো তাৰ খুবেই প্ৰয়োজন এতিয়া। কেইদিনমান পিছত তাৰ সংসাৰলৈ আৰু এজনৰ আগমন হব; তাৰ সংসাৰখন তিনিজনীয়া হব। তাৰ যে বহুত সাচঁতীয়া সপোন! এই কেইদিন সি বছিৰুদ্দিনৰ সকলো বাক্য বিনা প্ৰতিবাদে পালন কৰি আহিছে। ছমাহমান ধৰি বছিৰুদ্দিনে তাক গুৱাহাটী চহৰলৈ পঠাই আছে। সাধাৰণ ফটা ছিটা কাপোৰ এসাজ পিন্ধি দিন হাজিৰা কৰা মানুহৰ দৰে হাতত এটা টোপোলা লৈ ৰাতি-পুৱাই গুৱাহাটীলৈ যোৱা গাড়ীত উঠি গুৱাহাটী পায় আৰু গুৱাহাটীৰ যথাস্থানত টোপোলাত লুকাই অনা সুগন্ধ যুক্ত কাঠৰ টুকুৰা কিছুমান দি থৈ আহে। গুৱাহাটীৰ পৰা গোপনে সেইবোৰ আৰবলৈ চোৰাং চালান হয়। আৰবৰ অভিজাত সকলৰ মাজত এইবিধ সুগন্ধি কাঠৰ বৰ কদৰ। চৰকাৰে এইবোৰৰ সৰবৰাহ নিষিদ্ধ কৰিছে। সেয়েহে বছিৰুদ্দিনৰ এই গোপন ব্যৱসায়। ইমদাদৰ নিচিনা সাধাৰণ মানুহবোৰক এই ব্যৱসায়ৰ কামত লগাই বছিৰুদ্দিনে অদৃশ্যতে থাকি যায়। গুৱাহাটী, বোম্বাই, কলিকতাৰ পৰা ডুবাই

পৰ্য্যন্ত তেওঁ ব্যৱসায় নিয়ন্ত্ৰণ কৰে ঘৰত বহুৱাই লোৱা টেলিফোনৰ যোগেদি। আজিও ইমদাদ বছিৰুদ্দিনৰ নিৰ্দ্দেশত গুৱাহাটীমুখী গাড়ীত গৈ আছে লগত তাৰ ফটা কাপোৰৰ টোপোলা! চলন্ত গাড়ীখনত বহি অথনিৰ পৰা সি মনত পেলাই আছে তাৰ অতীতৰ ঘটনাবোৰ। তাৰ সোণালী শৈশৱ, মাকৰ অসুখৰ কথা, দেউতাকৰ বিচিত্ৰ অতীত, আৰু সেই বিভলভাৰটো, কথাবোৰ চিনেমাৰ দৃশ্যৰ দৰে তাৰ মনত ভাঁহি আহিছে।

হঠাৎ গাড়ীখন বিকট শব্দ কৰি ৰৈ গ'ল। সেনাৰ জোৱানসকলে গাড়ীখন ৰখাই দিছিল। সন্মুখত আৰু বহু গাড়ী। যাত্ৰীবোৰ অত ত'ত থিয়হৈ আছে। সেনা জোৱান সকলে পোৱা বাতৰি অনুসৰি কোনোবা বিদ্ৰোহী সংগঠনে হেনো গুৱাহাটীমুৱা গাড়ীবোৰত বহু পৰিমাণে বোমা-বাৰুদ গোপনে কঢ়িয়াই আনিছে। জোৱানসকলে যাত্ৰীবোৰৰ বাকচবোৰ, খুলি খুলি পৰীক্ষা কৰিছে। ইমদাদৰ বুকুখন দুকু দুকু কঁপিবলৈ ধৰিলে। হয় সি উঠা গাড়ী-খনতো সেনাৰ জোৱন দুজন উঠি আহিছে। এতিয়াই তাৰ টোপোলাটো খুলি সিহঁতে নিষিদ্ধ কাঠৰ সুগন্ধি টুকুৰা কেইটা আৱিস্কাৰ কৰিব। তাৰ পিছৰ কথাখিনি সি আৰু ভাবিব নোৱাৰিলে। সি সেই ঠাইখিনি লগে লগে ত্যাগ কৰিলে। বহুদূৰ সন্মুখৰ ফালে গৈ বিপৰীতমুখী গাড়ী এখনত বহি ললে। বহিছে সি উশাহ ললে। তাক এতিয়া কোনেও ধৰিব নোৱাৰে। সি এতিয়া কাৰো বন্দী হব নিবিচাৰে। ঘৰত তাৰ অকলশৰীয়া ঘৈণীয়েক-জনী। কেইদিন মান পিছত সি যে এটা সন্তানৰ পিতৃ হব! গধুলি সি বছিৰুদ্দিনৰ ঘৰ পালেগৈ। সকলো কথা কোৱাৰ পিছত বছিৰুদ্দিন খঙত জ্বলি উঠিল। বহু টকা তেওঁৰ পানীত পৰিল। তেওঁ ইমদাদক নানা অশ্লীল ভাষাৰে তৰ্জন গৰ্জন কৰিব ধৰিলে। শেষত বছিৰুদ্দিনে ইমদাদক শুনাই দিলে যে সি আৰু ইয়াত আহিব নেলাগে; তাক তাৰ বন্দুকীৰ কাগজখন পুনৰ ঘূৰাই দিয়া নহব আৰু সি যেন অহাকালি ৰাতিপুৱাই তাৰ থকা ভেটিটো এৰি দিয়ে। সি স্তব্ধ হৈ গ'ল। বছিৰুদ্দিনৰ নিষ্ঠুৰ কথা কেইষাৰ তাৰ কাণেৰে যেন বাৰে বাৰে প্ৰবেশ কৰিছে। তাৰ অ'ত দিনৰ প্ৰতীক্ষা, তাৰ বহু সাঁচতীয়া সপোন বছিৰুদ্দিনৰ কেইটামান নিষ্ঠুৰ বাক্যই ধূলিসাৎ কৰি দিলে। হঠাৎ তাৰ বাপেকলৈ মনত পৰি গ'ল। ৰাজসাহীৰ জমিদাৰ ইন্তেখাৱ আলম চৌধুৰীৰ কপাল টোৱাই শিল মাৰি পঠোৱা প্ৰচণ্ড সাহসী বাপেকজনৰ কথা। হঠাৎ তাৰ অনুভৱ হ'ল বাপেকৰ ৰুহটোৱে যেন তাৰ শৰীৰত প্ৰৱেশ কৰিছে। তাৰ ২৫ বছৰীয়া শীৰ্ণ দেহটোৱে যেন এক আচম্বিত প্ৰাণ শক্তি লাভ কৰিছে। সন্মুখত যেন সেয়া বছিৰুদ্দিন



নহয় দেৱান ইন্তেখাব আলম চৌধুৰীহে। চকুৰ পচাৰতে সি ওচৰত পৰি থকা শিল এটা তুলিলৈ বছিৰুদ্দিনৰ কপাল টোৱাই মাৰি পঠিয়ালে।

সি প্ৰাণটাকি দৌৰিছে। ঠিক তাহানিৰ ৰহমৎ আলীৰ পুতেকৰ দৰে। পিছে পিছে খেদি গৈছে বছিৰুদ্দিনৰ পোহনীয়া গুণ্ডাৰ জাক। বাহিৰত এপথাৰ ফৰিংফুটা জোনাকৰ মাজেৰে সি দৌৰিছে। বৰ ভাগৰ লাগি আহিছে তাৰ। ভৰি দুখনৰ শক্তি ক্ৰমাৎ যেন কমি আহিছে। বছিৰুদ্দিনৰ হিংস্ৰ পশুজাক তাৰ ওচৰ পাওঁ পাওঁ। হঠাৎ ইমদাদৰ পিছ মূৰত কোনোবাই সজোৰে মাৰি পঠিওৱা লাঠি এডালে আঘাত কৰিলে। পিছমূৰৰ সংবেদী বিন্দুত এনে আঘাতৰ ফলত যিকোনো মানুহৰ মৃত্যু হব পাৰে। ইমদাদে সেই আঘাত সহ্য কৰিব নোৱাৰিলে। সি চকুৰে ৰঙা নীলা দেখিব ধৰিলে। সি বাগৰি পৰিল। তাৰ চকুত ভাঁহি আহিল এখন হালধীয়া সৰিয়হ ফুলৰ পথাৰ, আবেলিৰ আকাশৰ ৰামধেণু এখন, পথাৰে পথাৰে দৌৰি ফুৰা এজাক দুৰন্ত শিশু। হালধীয়া পথাৰখন লাহে লাহে হেৰাই থাকিল। ৰামধেণুখনো তাৰ চকুৰ অদৃশ্য হৈ থাকিল, দুৰন্ত শিশুজাকো। ইমদাদৰ মৃত্যু হ'ল।

প্ৰিয় পাঠক! গল্পটি পিছে ইমানতে শেষ নহয়। এইখিনিতেই গল্পটো শেষ কৰাৰ সাহস এই গল্প লিখকৰ নাই। গল্পটো শেষ হব সেই দিনা; যিদিনা ইমদাদৰ সদ্যজাত শিশুটোৱে এদিন ডাঙৰ হৈ চকুৰে মুখে প্ৰতিহিংসা সানি ৰাজপথলৈ ওলাই আহিব তাৰ পিতৃহন্তাক বিচাৰি। তাৰ আগতে নহব নিশ্চয়!

● ❦ ●

> ● জীৱনত কৃতকাৰ্য্য হোৱাটো গৌৰৱৰ কথা নহয়, কিন্তু অকৃতকাৰ্য্যতাৰ পৰা সফলতা লাভ কৰিবলৈ চেষ্টা কৰাতহে আমাৰ গৌৰৱৰ প্ৰকাশ পায়। — কাৰ্লাইল।

# ঃঃ অট'ৰিক্সা ঃঃ

মাইন উদ্দিন
স্নাতক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

গৌৰৱে অট'ৰিক্সাৰ ষ্টাৰ্ট দি ঘৰলৈ যাবলৈ প্ৰস্তুতি চলাইছিল। কিন্তু এনেতে এহাল যুৱক-যুৱতীয়ে তেওঁৰ পিনে হাত বাউলি "এই অট'" বুলি চিঞৰি ওচৰ পালেহি।

যুৱকজনে সুধিলে "চান্দডুবি যাবানে"? যুৱকজনৰ প্ৰশ্নৰ উত্তৰত গৌৰৱে কেৱল মুৰ দপিয়াই সন্মতি জনালে কাৰণ পুৱাৰে পৰা মাত্ৰ দুটা ভাড়াহে মাৰিছে। তৎপশ্চাৎ যুৱক-যুৱতীহাল অট'ত উঠি বহিল। গৌৰৱে অট'-খন চান্দডুবিৰ পিনে ঘূৰাই যাত্ৰা আৰম্ভ কৰিলে। মহানগৰীৰ ব্যস্ত পথ অতিক্ৰম কৰাৰ পিছতে অট'খনৰ বেগ বৃদ্ধি কৰিব ধৰিলে আৰু এটা সময়ত ঘণ্টাত ৪০ কিঃমিঃ বেগত গন্তব্য স্থানৰ পিনে আগবাঢ়ি থাকিল।

তীব্ৰ গতিত চলালেই গৌৰৱে স্বাভাৱিকতে পিছৰ ছিটত বহা যাত্ৰীৰ পিনে লক্ষ্য কৰে আৰু আজিও পিছৰ পিনে দৃষ্টি নিক্ষেপ কৰি-য়েই তেওঁ হেৰাই গ'ল আজিৰ পৰা সাতটা বছৰ আগৰ মধুৰ দিনবোৰলৈ যিবিলাকৰ লগত জড়িত প্ৰাণতকৈও ভালপোৱা সোণালীৰ স্মৃতি। প্ৰকৃতিয়ে অকৃপন্য ভাৱে দান কৰা শোভা-ৰাজিৰে ভৰপুৰ মনোমহা চান্দডুবিত গৌৰৱ আৰু সোণালীৰ প্ৰথম পৰিচয় ঘটিছিল। সিহঁতৰ প্ৰথম সাক্ষাতে দুয়োৰে ভাবৰ বিনিময় প্ৰক্ৰিয়াৰ মাজেদি দুটা ভিন্ন সত্তা একাকাৰ হৈ পৰিছিল চান্দডুবিৰ মিলন-প্ৰত্যয়। সিদিনা দুয়ো নিজা নিজা পছন্দ অপছন্দ আদি নানা কথা পাতিছিল।

গৌৰৱ আৰু সোণালী একোখন চহৰৰ বাসিন্দা হোৱাহেতুকে দুয়োৰে মাজত ঘনিষ্টতা বৃদ্ধি পাই আহিব ধৰিলে। ইতিমধ্যে গৌৰৱ বি, এ, পাচ কৰিলে অন্যহাতে সোণালীয়ে উচ্চতৰ মাধ্যমিক বিদ্যালয় পাছ কৰিয়েই দেউতাকৰ টকাৰ বলত মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষয়ত্ৰীৰ চাকৰিত মকৰল হ'ল।

সিহঁত দুয়োৰে চান্দডুবি প্ৰিয় ঠাই হোৱা হেতুকে বহুবাৰ তালৈ গৈছে। চান্দডুবিৰ প্ৰাকৃতিক দৃশ্যবাজিয়ে অইন পৰ্যটকৰ দৰে সিহঁতহালক আপোন পাহৰা কৰি ৰাখিছিল। প্ৰকৃতিৰ অকৃত্ৰিম অবিচ্ছিন্ন জান-জুৰিৰ সুৰ সমাহাৰ কুলু-কুলু শব্দ আৰু চৰাই চিৰিকিতিৰ স্ব-শ্ৰুতিমধুৰতাৰ মাজতে সিহঁত দুয়ো বাস্তৱ পৃথিৱীৰ তাজমহল গঢ়াৰ সপোন ৰচিছিল। এনেকৈ সিহঁতৰ প্ৰথম চিনাকিৰ পৰা পাচঁটা বছৰ পাৰহৈ গৈছিল।

ইফালে গৌৰৱে নানা অনুষ্ঠান-প্ৰতিষ্ঠানত সাক্ষাৎকাৰ দি ৰাগৰি পৰিছিল তথাপি নিজৰ কাৰণে চাকৰি এটা যোগাৰ কৰিব পৰা নাছিল। তথাপি গৌৰৱে ধৈৰ্য্য আৰু সাহস এৰি দিয়া নাছিল। তেওঁৰ মাজত স্বাৱলম্বী হোৱাৰ বাবে কিবা এটা কৰাৰ স্পৃহা মনত জাগ্ৰত কৰি ৰাখিছিল। শেষবাৰৰ বাবে গৌৰৱ আৰু সোণালী চান্দডুবিলৈ আহিছিল এখন অট'ৰিক্সা লৈ আৰু সিদিনা দুয়োৰে মাজত বহু আলোচনা হৈছিল বাস্তৱ জগত তথা কল্পনা জগতৰ পাৰ্থক্য জোখাৰ এক প্ৰতীয়মান দৃষ্টি ৰেখাৰ মজিয়াত। দুয়ো অট'ৰিক্সাখনত উভতি অহাৰ পথত সোণালীয়ে গৌৰৱক কিবা এটা কাম যোগাৰ কৰাৰ তাগিদা দিয়াত গৌৰৱে সুযোগ বুজি প্ৰস্তাৱটো আগবঢ়াইছিল। গৌৰৱে জনাইছিল যে তাৰ লগৰ আজমল, সুধীৰ, নিৰঞ্জন আদিয়ে বেংকৰ পৰা ঋণলৈ অট'ৰিক্সা চলাই ভাল উপাৰ্জন কৰিছে।

গতিকে সিয়ো অট' এখন .... .... .. .... ।

সোণালীয়ে সন্মতি দিয়াৰ পৰিবৰ্ত্তে চিঞৰি প্ৰতিবাদ কৰিলে— "তুমি মোক ইমান নীচ বুলি ভাবিছা নেকি যে মই এটা সামান্য অট'চালক এজনক বিয়া কৰাম আৰু মোৰ দেউতাৰ নিজা সন্মান আছে। যদি তুমি অট'চালক হোৱা তেন্তে ভাবি লবা তোমাৰ মোৰ সম্পৰ্ক এইখিনিতেই শেষ।" সিদিনা বাকী পথছোৱাত সোণালীয়ে এষাৰ কথাও কোৱা নাছিল। স্বাভাৱিকতে গৌৰৱৰ বাওঁ ভৰিখনে সোণালীৰ ভৰি স্পৰ্শ কৰিছিল তেতিয়াই সোণালীয়ে ভৰিখন ঠেলা মাৰি আতৰাই দিছিল।

হঠাৎ অট'ৰ ব্ৰেকত গৌৰৱৰ ভৰি স্পৰ্শ কৰিলে আৰু গাড়ীখন ৰাস্তাৰ সোমাজত ৰৈ যোৱাত গৌৰৱ বাস্তৱলৈ ঘূৰি আহিল।

পিছৰ ছিটত বহি থকা যাত্ৰী যুৱক-যুৱতী-হালৰ দ্বৈতকণ্ঠত প্ৰশ্ন "ৰাস্তাৰ সোমাজতে ৰখালা কিয়?" গৌৰৱে করুণ ভাৱে উত্তৰ দিলে "সাপ দেখা পাই ৰখালো দাদা।" আকৌ অট' চলিবলৈ আৰম্ভ কৰিলে আৰু প্ৰেমিক-প্ৰেমিকাহালে নিজকলৈ ব্যস্ত হৈ পৰিল। গৌৰৱে মাথো এইখিনিয়ে মনত ভোৰভোৰালে "বাস্তৱত নিষ্ঠুৰতা কাক কয় সিহঁতে দেখা নাই নহয়।"

## ঃঃ প্ৰতিশ্ৰুতি ঃঃ

মোঃ মিনোৱাৰ হুছেইন ( মিনু )
স্নাতক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

আয়চাই প্ৰতিশ্ৰুতি দিছিল "আজীৱন তাই মুনৰে হৈ থাকিব"। এই প্ৰতিশ্ৰুতি আয়চাই ৰাখিলে। কিন্তু মুনে ??

খোলা খিড়ীকিৰ মাজেৰে বৈ অহা বতাহ-ছাটিয়ে মুনৰ কোঠাত জ্বলি থকা চাকিটো নুমুৱাই পেলালে। লগে লগে জোনৰ পোহৰৰ এটি ক্ষীণ ৰেখা কোঠাটো লৈ সোমাই আহিল। নিষ্প্ৰাণ জোনটিয়ে ডাৱৰৰ মৰণপন যুঁজদি যেন পোহৰ বিকিৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। জোনৰ শেষ জোনাক-কণো যেন অলপ পিছতে ডাৱৰৰ লগত হেৰাই যাব, ই নিশ্চিত। এটা মুহূৰ্তত মুনৰ সেমেকা চকুহাল খোলা খিড়ীকিৰ ফালে গ'ল। কব নোৱাৰাকৈ অতীতৰ স্মৃতিবোৰ আহি তাৰ দুচকুত লুকা-ভাকু খেলিব ধৰিলে। লাহে লাহে মুনৰ দুচকুৰ পৰা দুটোপাল তপত চকুলো দুগালেৰে বাগৰি আহিছিল। [illegible] মনটোৱে উভটি গ'ল এৰি অহা সেই দিনবোৰলৈ.........................।

মুন তেতিয়া বি, এচচি, প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। ধুনীয়া মুখমণ্ডলেৰে সু-স্বাস্থ্যৰ গৰাকী এই মুনে সহজতে সকলোৰে মন আকৰ্ষণ কৰিব পাৰে। অকল ৰূপতে নহয় তেওঁৰ অমায়িকতা আৰু ভদ্ৰ ব্যৱহাৰৰ বাবেও অলপ দিনৰ ভিতৰতে মুনে কলেজৰ বেছিভাগ বন্ধু-বান্ধৱীৰ লগত ভাল মিলা-প্ৰীতি গঢ়ি তুলিলে। নতুবা নতুন ঠাইৰ নতুন কলেজ এখনত ন-পুৰনি বহুতো ছাত্ৰ-ছাত্ৰীৰ লগত খুব কম দিনৰ ভিতৰতে ইমান সহজ হৈ পৰাটো তাৰ চৰিত্ৰৰ এটি মহৎ গুণ বুলিয়ে কব লাগিব।

চহৰৰ পৰা প্ৰায় ত্ৰিশ কিলোমিটাৰ নিলগত এখনি সৰু গাওঁত মুনৰ ঘৰ। সেয়ে বন্ধু, বান্ধৱৰ সৈতে মুনে চহৰতে এটি সৰু ঘৰত 'মেচ' কৰি থকাৰ ব্যৱস্থা কৰিলে। দেউতাকৰ উপদেশ আৰু নিজৰো অদম্য ইচ্ছা থকাৰ কাৰণে মুনে গণিত বিষয়ত 'অনাৰ্চ' ( মেজৰ ) ললে। তাৰ আশা এম,এচচি, পাচ কৰি সি ভৱিষ্যতে কলেজত অধ্যাপনা কৰা।

দিন বাগৰাৰ লগে লগে যৌৱনৰ দুৱাৰ ডলিত ভৰি দিয়া মুনৰ মনটোৱেও কাৰোবাৰ অকনি মৰমৰ সান্নিধ্য বিচাৰি কমোৱা তুলাৰ দৰে উৰি ফুৰিব ধৰিলে।

যৌৱনৰ যেনেকৈ এছাটি পছোৱা বতাহ আছে, সেই পছোৱা বতাহছাটিয়ে যেনো এবাৰ সকলো মানুহৰ গাতে লাগে। মুনে সেই বতাহছাটিৰ পৰা হাত সাৰিব নোৱাৰিলে। এদিন এটি ক্ষুদ্ৰ মুহূৰ্তত তাৰ চিনাকি হ'ল সেইখন কলেজৰে ছাত্ৰী আয়চাৰ লগত।

আয়চা এই বছৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ( হায়াৰ চেকেণ্ডাৰী ) দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। চহৰৰ ধনী মানুহৰ কন্যা। প্ৰথম দৰ্শনতে আয়চাৰ প্ৰতি মুনৰ অন্তৰত অনুৰাগৰ ঝংকাৰ বাজি উঠিল। মনৰ মাজত সাচি ৰখা অপ্ৰকাশিত কথাবোৰ এদিন সি আয়চাৰ আগত প্ৰকাশ কৰিলে; সহজ সৰল আয়চা-জনীয়ে মুনৰ মৰমক অৱহেলা কৰিব নোৱাৰিলে।

এদিন দুদিনকৈ দিনবোৰ আগবাঢ়ি গ'ল। বৰ্ষাৰ পিছত শৰৎ আহিল. ঋতু পৰিবৰ্ত্তন হ'ল মুন আৰু আয়চাও আগবাঢ়িল সময়ৰ সোঁতত। দুয়ো এটি বিন্দুত থিয় হৈ দুয়োকে পৰ্যবেক্ষন কৰিলে। .........কলিয়াবৰৰ বঙা কৃষ্ণচূড়াৰ তলত বহি বহি দুয়োই নানা কথাৰ লগতে দেশ বিদেশৰ কথা আলোচনা কৰিলে। পাৰ্কত, যঁহনিত কেৱল কথা আৰু কথা..........। যৌৱনৰ অতিথি আয়চাক লৈ মুনে বহু স্বপ্নই দেখিলে।

প্ৰথম চিনাকি হোৱা দিনৰে পৰা যে মুনৰ প্ৰতি আয়চাৰ মৰম দিনক দিনে বাঢ়ি আহিছিল। সেই কথা মুনে নজনা নহয়। কিন্তু তাৰ খুব ভয় লাগে, সি যদি আয়চাক কেতিয়াবা হেৰুৱায়........। সিতো কেতিয়াও আয়চাক হেৰুৱাবলৈ ৰাজী নহয়। তাৰ জীৱনৰ প্ৰথম নাৰী আয়চা আৰু প্ৰথম মৰমৰ অধিকাৰী আয়চা। আয়চা আৰু মুনে মনেমনে ঠিৰাং কৰিছে হয় তাইক তাৰ জীৱনত হেৰুৱাব, নহয় তাইক চিৰ জীৱনৰ কাৰণে আপোন কৰি লব। সি যদি আয়চাক হেৰুৱায় তেনেহলে হয়তো তাইৰ সৈতে তাৰ কোনো দিনেই দেখা নহব। ছোৱালীবোৰক একেবাৰে বিশ্বাস কৰিব নোৱাৰি! সিহঁতৰ প্ৰেম মানে প্ৰতাৰণা...........। কিন্তু মুনে কোনো দিনে তাইক অবিশ্বাসো কৰিব নোৱাৰে। সি তাইৰ পৰা পাইছে সীমাহীন মৰম। গভীৰ ভালপোৱা আৰু সংঘাতত বিপুল প্ৰেৰণা। আনহাতে আয়চাই তাক প্ৰতিশ্ৰুতি দিছে "আজীৱন তাই মুনৰহৈ থাকিব"। তেনেস্থলত সি যদি আয়চাক বিশ্বাসত ৰাখিব নোৱাৰে সেয়া জানো উচিত হব।

বি. এচচি. ফাইনেল দি মুনে ঘৰলৈ যোৱাটোকে ঠিক কৰিলে। কাৰণ বহুদিন সি ঘৰত যোৱা নাই। ঘৰত চাগে মাক-দেউতাক তাৰৈ কিমান আশাৰে বাটচাই আছে! বিদায় মুহূৰ্ত্তত আয়চাৰ সেমেকা চকুহাল দেখি তাৰ বৰ বেয়া লাগিছিল। কথাবোৰ ভাবি ভাবি আহি থাকোতে নিযে আহি ঘৰ পালেহি তাৰ গমেই নাছিল।

কিছুদিন পিছত মুনহঁতৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। সি গণিত (বিভাগত)

বিষয়ত সন্মান সহ বি, এচচি, পাচ কৰিলে। সেইদিনা মুনৰ যে কিমান আনন্দ ··· ·····। সি উত্তীৰ্ণ হোৱা খবৰটোকে আয়চাক দিবলৈ তাৰ গাত তৎ নোহোৱা হ'ল। পিছদিনা সি গৈ আয়চাহঁতৰ ঘৰ ওলাল। মুনে ড্ৰয়িং ৰুমত বহাৰ বহু সময় পিছত আয়চাৰ দেউতাক ড্ৰয়িং ৰুমলৈ সোমাই আহি মুনক যি কেইষাৰ কথা কলে, সেই কথাখিনি মুনে শুনি মুন শিল পৰা কপৌৰ দৰে থৰহৈ ৰল। ·········অশান্ত মন এটি লৈ মুন ধীৰ খোজেৰে ওলাই আহিল আয়চাহঁতৰ ড্ৰয়িং ৰুমৰ পৰা। আহোতে সি স্পষ্টকৈ শুনিব পালে সন্মুখৰ ৰুমত আয়চাৰ উচুপনি ··· ··· ···। হয়তো সেই উচুপনিত আছে অসহায় নাৰীৰ করুণ বিননি। কিন্তু সি নিৰুপায়। সি স্বাৰ্থপৰ নহয়, সি কাপুৰুষো নহয়। কিন্তু সি যে দুখীয়া ঘৰৰ ল'ৰা। যাৰ ফলত আয়চাৰ দেউতাকৰ ওচৰত আজি সি অৱহেলিত, অপমানিত। আনহাতে আয়চাক বিয়া দিব ওলাইছে চহৰৰ বিখ্যাত সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা হালিমৰ লগত। হালিমৰ লাখ টকাৰ ব্যৱসায়। সেয়ে তেনে এজন মানুহৰ হাতত সুখী হব পাৰিব বুলিয়েই মাক দেউতাকে আয়চাৰ বিয়া ঠিক কৰিলে। তেনেস্থলত সেই বিয়াত বাধা আৰোপ কৰাটো জানো তাৰ উচিত হব? আনহাতে সেই বিয়াত যদি আয়চাৰো সম্পূৰ্ণ মত আছে তেনেহলে? তাই চিঠি এখনো দি মুনক কথাটো জনাব পাৰিলেহেঁতেন? কথাবোৰ ভাৱি সি বহুদূৰ আহি পালে। কিন্তু আয়চাৰ সেই উচুপনিৰ সুৰ তাৰ কাণত তেতিয়াও স্পষ্টকৈ বাজি আছিল। মানসিক সংঘাতে তাৰ গোটেই শৰীৰটোকে অৱশ কৰি পেলালে। সি ঘৰ পাইয়েই বিচনাত শুই পৰিল। অহা ফাগুনৰ ২ তাৰিখে আয়চাৰ বিয়া। মুনৰ বুকু তীব্ৰ আঘাতে ম্ৰিয়মান কৰিলে, তাৰ দুচকুৰে বৈ আহিল মাথো চকুলো।

দুদিন পিছত মুনে আয়চাৰ পৰা এখন চিঠি পালে। তাই লিখছিল··········· ·······

তাৰিখ— ২১/০১/৯৭ ইং

সময় নিশা ১০ বাজি ৩৫ মিনিট

কলিয়াবৰ।

মৰমৰ

মুন,

মৰম লবা। তুমি ভুল নুবুজিবা। মোৰ অসন্তুষ্টি সত্বেও মা-দেউতাহঁতে মোৰ বিয়া ঠিক কৰিলে। কিন্তু তুমিতো জানা মুন, মোৰ জীৱনত মই তোমাকেই বিচাৰো, তোমাৰ প্ৰতি থকা মোৰ গভীৰ ভাল পোৱাৰ কথা মা-দেউতাকক কিমান কলো; কিন্তু সকলো মিছা হ'ল। সেয়ে অতি সোনকালে তুমি কিবা এটা ব্যৱস্থা কৰা, যদি তোমাৰ জীৱনত মোৰ প্ৰয়োজনীয়তা অনুভৱ কৰা। ভুল হলে শুধৰাই লবা। পুনৰ অলেখ মৰমেৰে। ইতি

তোমাৰ মৰমৰ

আয়চা



চিঠিখন পঢ়ি মুন কিংকৰ্ত্তব্যবিমূঢ়হৈ পৰিল। সি এতিয়া কি কৰে? আয়চাক তাৰ জীৱনত পাবলৈ হলে সি এতিয়া বহুতো ভললৈ নামিব লাগিব, লগতে তাৰ নিজৰ আৰু মাক দেউতাকৰ সন্মানৰ কথাওঁ আছে। তাতে আকৌ বিয়ালৈও বেছি দিন নাই। মন আৰু বিবেকৰ দংশনত সি অস্থিৰ হৈ পৰিল। এফালে নানা কষ্টেৰে পঢ়ুৱাই শিক্ষিত কৰি তোলা মাক দেউতাকৰ দুখনি মুখ আৰু আনহাতে মুক্তিৰ অপেক্ষাত ৰৈ থকা আয়চাৰ অশ্ৰুসিক্ত এখনি মুখ, তাৰ দুচকুত জিলিকি উঠিল। সি সংজ্ঞা হেৰুৱাই পেলালে। চেতনা লাভৰ পিছত মুনে আল্লাৰ ওচৰত প্ৰাৰ্থনা জনালে —আয়চাৰ বৈবাহিক জীৱন সুখৰ হওঁক"।

নিৰ্দ্দিষ্ট দিনত আয়চাৰ বিয়াৰ দিন উপস্থিত হ'ল। চাৰিওফালে উখল মাখল। আলহী অতিথিৰে আয়চাহঁতৰ ঘৰ ভৰি পৰিল। অৱশেষত দৰা আহিল, মানুহবোৰে কামে কাজে ব্যস্ত হ'ল। আয়চাই সুবিধা বুজি আগতে ঠিকঠাক কৰি থোৱা ৰচিডাল লৈ বাথৰুম পালে গৈ। দুৱাৰখন ভালকৈ মাৰি, সেই ৰচি ডালেৰেই তাই জীৱনৰ পৰিসমাপ্তি ঘটালে।

দৰা আহি পোৱাত কইনাক ভিতৰত বিচাৰি নাপাই হুৱা-দুৱা লাগিল। সকলোতে বিচৰা হ'ল। অৱশেষত বাথৰুমৰ দুৱাৰ বহু সময় ধৰি বন্ধ হৈ থকাৰ বাবে সকলোৰে সন্দেহ হ'ল। মানুহবোৰে দুৱাৰ ভাঙি যি দৃশ্য দেখিলে তাৰ পৰা একো বাকী নেথাকিল, ভাল পাইছিল কাক, বিয়া পাতিলে কাৰ লগত আৰু আয়চাই কৰিলে কি? আয়চাৰ মাক-দেউতাকৰ সংজ্ঞা নোহোৱা হ'ল। বহু সময় পিছত তেওঁলোকৰ সংজ্ঞা ঘূৰি আহিল। তেওঁলোক অনুতপ্ত হ'ল।

পিছদিনা আয়চাৰ মৃত্যুৰ বাতৰি পাই মুনে বলিয়াৰ দৰে হ'ল। এজনী সহজ সৰল ছোৱালী মাক-দেউতাৰ কঠোৰতাৰ বাবেই তাই সেই পথ বাছি ললে, হায় আল্লা! ইয়াৰ পিছত কোনো কামতে মুনৰ মন নবহা হ'ল। তাৰ মনটোলৈ বাৰে বাৰে আয়চাৰ ছবিয়ে আহি থাকে।

মাক দেউতাকে তাক বিয়া কৰোৱাৰে কথা কয়; বিয়াৰ কথা শুনিলে তাৰ গা শিয়ৰি উঠে আয়চালৈ মনত পৰে। অৱশেষত মুনে বিয়া নকৰাওঁ বুলি মাক দেউতাকক স্পষ্ট ভাৱে জনাই দিলে। আয়চাৰ আত্মহত্যা কৰাৰ পিছত তাৰ বিয়া কাৰ লগত কেনেকৈ সম্ভৱ? আয়চাই প্ৰতিশ্ৰুতি দিছিল "আজীৱন তাই মুনৰে হৈ থাকিব"। এই প্ৰতিশ্ৰুতি তাই ৰাখিলে। কিন্তু মুনে?? সি কক্ষ পথৰ পৰা পিছলি পৰা গ্ৰহৰ দৰে হ'ল।

খিড়ীকিৰে পুনৰ এছাটি বতাহ মুনৰ কোঠালৈ সোমাই আহিল। সি খিড়ীকিখন জপাই দিলে। ● ● ●

# NABAJYOTI COLLEGE MAGAZINE

## ENGLISH SECTION


NABAJYOTI COLLEGE KALGACHIA

LEARN. LABOURE. SERVE

**Year— 1996-97**



## ছাত্র একতা সভাৰ সদস্য, সদস্যা বৃন্দ আৰু তত্ত্বাবধায়ক শিক্ষক সকল



বাওঁফালৰ পৰা

*প্ৰথম শাৰীত বহি ক্ৰমে ঃ* শ্ৰীসুশীল কুমাৰ সৰকাৰ (তত্ত্বাবধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ), এম, মতিয়াৰ ৰহমান (তত্ত্বাৱধায়ক সংগীত আৰু সাংস্কৃতিক বিভাগ), চৈয়দা মেহেৰুন্নিছা বেগম (তত্ত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা বিভাগ), অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ (সভাপতি ছাত্ৰ একতা সভা), সাহাবউদ্দিন খান (তত্ত্বাৱধায়ক, আলোচনী বিভাগ), আবুল কালাম আজাদ (তত্ত্বাৱধায়ক, লঘু [illegible]ল বিভাগ), আব্দুল খালেক (তত্ত্বাৱধায়ক, শৰীৰ চৰ্চা বিভাগ)

*দ্বিতীয় শাৰীত বহি ক্ৰমেঃ* খাইৰুল আলম (উপ-সভাপতি, ছাত্ৰ একতা সভা), আনোৱাৰ হুছেইন (সাঃ সম্পাদক, ছা, এ, স), আয়েশা খানম (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা বিভাগ), দিলনুৰ ৰহমান (সম্পাদক, শৰীৰ চৰ্চা বিভাগ), আজিজুৰ ৰহমান দেৱান (তত্ত্বাৱধায়ক, আলোচনী বিভাগ), ৰমজান আলী (তত্ত্বাৱধায়ক, সমাজ সেৱা বিভাগ)

থিয় হৈ ক্ৰমেঃ শ্বহীদ ভূএগ (সম্পাদক, গুৰু খেল বিভাগ), আব্দুৰ ৰহিম (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ), নজৰুল ইছলাম (সম্পাদক, ছাত্ৰ জিৰণি কোঠা বিভাগ), আজাদ হুছেইন শ্বৰীফ (সম্পাদক, আলোচনী বিভাগ), ইচমাইল হুছেইন (সম্পাদক, সমাজ সেৱা বিভাগ)

# Crisis, The Political Pollution

Dr. M. S. Sheikh
Lecturer
Department of Zoology

The way by which the earth is facing acute problem includes pollution, political pollution and Natality. Though all the factors are related intrinsically but have distinct isolations. The barrier is nothing but the idiological, philosophical and psychological cataract among the literate and illiterates.

Considering the term pollution where we the living organisms either unable to survive or are being threatend to be extincted a term though well aquinted by the intelectuals but are still not capable to stop hafazzard killing of the innocent bioms. It needs to know the causes rather than the sources of the pollution are i) Natural— Cosmic radiation, earthquake etc, ii) Artificial- Modernisation, Industrialisation, unscientific use of chemicals, deforestation, colonisation, overpopulation etc. are the root cause of the pollution. We have a general concept that " Solution of pollution is the dilution " indicates that our natality must be dilute to minimise the global pollution that needs scientific awareness campaigens in the grass root level to prevent the biomass from extinction.

Considering the term political pollution is for the people by the people of the people because by nature man is a political animal an inborn instinct input by the nature to recapitulate the political phylogeny. This activity of nature can be suppressed but can't be stop

by applying external forces. Man as a top on the animal kingdom pyramid must be familiar that the root of all the political crisis or political pollution is nothing but over population, selfcenterism, political and economic exploitation, overrulism, overcentralism etc. not only snatches the right of a community race and nation but fuelled the production of brutalism separationism and terrorism.

History will repeat itself is a parallel view like ontogeny rapsats phylogeny which leads to from large races and kingdoms from the cave man out incourse of time forced to form smaller country, state, district, sub-division, panchayat and villages as an example. This is a spontaneous relative need basis process of time and space. The formation of Pakistan, India and Bangladesh; division of Rusia, formation of Meghalaya, Nagaland, Tripura, Arunachal Pradesh from Assam, separation of Gorkhaland and from West Bengal; freedom of South Africa, Vietnam etc. are the direct evidential effect of the political pollution. Such type of effect can not be stop by the application of army and paramilitary forces or by the wave of sessesionism and terrorism. Terrorism a parallel effect of seperatism also can't stop by employing external forces. On the other hand the application of army seems to act as a volatile, fuel to rejuvenate the terrorism. The terrorism in Pakistan, Afganistan, India, Sri Lanka etc. are still in alive condition inspite of the application of super army forces. In India the exhisting problem of JKLF, ULFA, BSF, BLTF, NSCN, MNF, Khalistani etc. are serious threats to Indian and global politics through the bonding of political epidemic. How, why and what the agitationist, terrorist and separationist are demanding for them is a secondary thing but how they are being produced and what will be the ingradient effect of their demands are to be consider seriously.



One can't forget the painstaking experiences of bloodshed during operation : operation Rhino, operation cobra etc. which totally failed to solve the problems but rejuvenate the organisational strengths of various present so called terrorist groups in India. The latest unified commando operation is another big blow to the people of Assam as it is disturbing the normal life in addition to the random triangular bloodshed i. e. army person, organisers and innocent mass people. The terrorist; underdog, underground forces, dark activist, labour, pandit, noble, farmer, politicians and even the law and order persons can't save from the harassment of thea rmy checking resulting random killing, major economic crisis, insecurity of life, mental tension, hermonic degradation irrespective of the fact that wheather the army person is being imposed or invited.

Now the question is that can army stop agitation ? The answer is a big no in turn will develop more sensation, emotion, brutalism and bloodshed. Can separation will solve the problem ? — the answer is positively negative because it will create economic crisis, foreign colony, bagger state or country, weak defence, fragile man power, ethnic daggers down etc. The mass people must think it seriously to solve the problem scientifically. Are the present abnormalities the resultant of dictatorship and over exploitation of central or state government, politicians, intelectuals, capitalists and opportunists over the innocent mass people ? Is it the wrong in the planning of government or the policy makers that creates economic havoc and imbalance ? Is it the resultant of international political poaching ? Is it the failure of the scientists to produce sufficient agricultural and industrial products indegenously ? Is it the self centered attitude and vampairism of the

politicians and capitalist which compelled the deprived or victimised people to be a terrorist or separationist demanding to fulfill their basic needs ? Can ethnic killing or application of negative homeodose like litching, snatching, torturing, looting, burning, kidnapping, etc. will fulfill their demands of separate state or country for a particular race, community or nation ? The answer is again no because none can neglect or ignore the universally truth Newtons law—"each action must have some equal and opposite reaction." Further the hidden law of humanity will also not allow them for success even have right to protect their feeding and breeding territory by minimising the community and ecological succession.

Is it the way to employ the army against the null people to denudad or crash the skull or pierced the chest ? Can the vaste army power be utilised for constructive purposes like agricultural productions, Engineering constructions, farming, industrial productions, free services of health and education to mass people etc. in addition to their principal defence services to the nation as because war is not a continuous happening.

Should the social reformist need to use arms to kill or punished the people in terroristic manner ? Is it true that they have no right of killing people as no problem can be solved by gun unless it will be morally supported by the mass people ignoring the creed and caste or considering as a nation for whom they are fighting ?

Considering the term natality that produces over crowding and also generates smaller states. The former is the resultant of inborn instinct of biological needs of mankind while the later is to fulfill the ambition of political persons. The separationists and terrorists are the offsprings of political natality. In proper sense these two offsprings are innocent because they are mainly created by the politicians, rullers or opportunists for their self defence, party benefit or as a part of their election strategy.

Thus the terrorism is one of the bylane of political natality. The other bylanes of political natalities are communal warehouse, religious messile, unemployment powerhouse, currency refrigerator, relief bomb, economic remote controller, defence parasite, vote bank generator, loan imports, mind dessicator etc. These bylanes are either acting as a political boomerang or directly or indirectly related with the present global waves of terrorism, separaterism and abnormalities. Infact these isms helps to create easy fame, power and money but it is the right time for heartiest open debate among the reformers, traditional politicians, intelectuals and the mass people about the alternative scientific politcal way of solution without using gun to synchronise with the rapid electro-tachno development and changes of the world.



# Food Poisoning & Human Consciousness

Syeda Jahanara Begum
Lecturer, Dept. of Botany

Humans have broader requirements than most of microorganisms. Human diet therefore includes a wide variety of substances from many sources. Our food thus serves as an excellent media for microbial growth, because they are ... nutrients required [illegible]

From the p... the present it is of common phenomenon that human being are subjected to various food poisoning.

Some microorganisms produce toxins in the food, the consumption of which produce illness referred to as *food poisoning*. At one time it was believed that the rot products were the cause of food poisoning. People generally don't eat foods that show visible spoilage but sometimes if the appearence, flavour and taste is normal they do eat them. On the other hand certain foods may show no signs of spoilage and yet be responsible [illegible] that [illegible] causes spoilage of foods are harmless saprophytes.

There are more scientific knowledge and human consciousness at present. Yet we found some news headlines about many cases of food poisoning. sometimes death toll to hundreds for prasad, sweets and milk food poisoning.



Last year ( 1997 ) in Guwahati...... milk food poisoning came in news headlines. Beside these canned food poisoning, inadequate preserved tin foods like tin fish, pickle jam etc. are also notable. However there are three major food poisoning— bacterial, fungal and algal food poisoning. Bacterial poisoning is more dangerous than others.

Clostridium botulinum an anaerobic bacterium causes a type of food poisoning called botulism. About sixty to seventy percent cases of botulism die. The bacterium produces neurotoxin in food. Neurotoxin is a toxin that effects the nervous systems of humans. It is so powerful that only a does as low as 0·01 mg is said to be fatal to human being. The toxin is absorbed mainly in small intestine and paralyses the involuntary muscles of the body.

The main source of botulism are canned meat, fish, string beans, sweet corn, beets and other low medium acid foods. The foods that have undergone some treatment intended for preservation but fail to destroy the spores of the bacterium are the main source of clostridium botulinum. These foods are preserved by various processes like canning, pickling, smoking etc. When the intended preservation is inadequate and is followed by storage conditions which permit the germinatian and growth of the microorganisms. These microorganisms produce one of the most lethal toxins for human being. The toxin has been known to persist in foods for long time, especially when storage has been at low temperature. Temperature is considered to be the most important factor in determing the production of toxin and the rate of production of toxin. The lowest temperature for germination of bacterial spores is 15°c and maximum of 48°c.

Symptoms generally occur within 12-30 hrs. after consumption of the spoileld food.

Early symptoms are digestive disturbances followed by nausea, vomitting, diarrhoea together with dizziness and headache. Double vision may occur early and there may be difficulty in speaking. Mouth may become dry, throat constricted tounge may get swollen. Involuntary muscles become paralysed and paralysis spreads to the respiaratory system and to the heart. Death normally results from respiratory failure.

Staphyloccal poisoning is another food poisoning caused by a bacterium named staphylococcus aureus. It is responsible to secret a toxin namely enterotoxin. If this bacterial strain is contaminated somehow in food and consumed by human being a sudden illness starts usually within 3 to 6 hours.

These bacteria are commonly present on skin, nose and other parts of human body. People who handle foods carelessly usually transfer them to the food. Cold meats, salads, poultry, bakery products etc. are most commonly contaminated with staphylococcus bacteria.

After consumption of the contaminated food the disease starts within 3—6 hours. The symptoms of the disease are nausea, vomitting, abdominal pain and diarrhoea within 24—48 hours. Death is rare in usual condition.

Clostridium perfringens is responsible for perfringens gastroenteritis. This disease has been caused by the ingestion of prepared beef, meat, poultry and meat products. Generally the meat that has been cooked and allowed to cool slowly before consumption allows the growth of these microorganisms. What happens is that



the cooking destroys only the vegetative cells not the spores. It could be avoided by adequate refrigeration of the food.

Symptoms appear in the form of diarrhoea, acute abdominal pain and rarely vomitting, when the growth of microorganisms takes place in human intestine. Disease manifestation occurs between 8 to 22 hours after the contaminated food has been taken.

Besides bacterial poisoning fungal food poisoning also causes several diseases in human being. There are many fung : which produce mycotoxins. These fungi are Aspergillus, penicillium, Rhyzopus, Fusarium sp. and mushrooms. Aflatoxins are one of the potent mycotoxins produce by Aspergillus flavus. In 1960 about 100,000 Turkey poults died in England within few months. However some other fungi eg. Aspergillus Niger, A Oryza, Penicillium Cintrinum etc. have also been reported to produce aflatoxin. Aflatoxins are responsible for liver Cancer of human being.

Amatoxins and phallotoxins:— These two mycotoxins are considered to be produced by the mushroom Amanita Phalloids. This mushroom is deadly poisonous. About 90-95% deaths of mushroom eaters in Europe have been due to eating of this fungus. In our country also there are many such incidents which we observe in the news headlines. The symptoms are liver distropy and kidney failure bading to the death of the victim.

Fish or Shellfish eg Calms, Scalps, Mussels etc. ingest algae such as Gymnodvnium gonyaulax and others. These algae are toxic and result in fish poisoning in humans. Shellfish harvested on large scale are routinely checked whether these algae are present inthem or not.

Prevention is the best remedy for food poisoning. Before eating canned food should be properly processed by using approved heat processes. That food must be avoided which has been cooked but not well heated. Raw foods keeping in refrigerator and use after thawed and held at room temperature is very dangerous. Suspected foods should be boiled for at least 15 minutes. ●●●

# Influence of Western thought on Indian Education

Ramzan Ali
Lecturer, Dept. of Education.

If we are allowed to bring out a singular feature of ancient Indian civilization which has given the shape and the mould in its course it is no other than the religious influence. Religion is found to be the origin of everything which had given birth to divergent principles like social, political, economic life of the people with no exception to education. According to Hindu religion the individual's supreme duty is self fulfilment. In order to attain the stage of self-fulfilment, education comes as an aids. The concept of education in ancient India gathered around the individual that ideodized 'mind and self'. To them education means the full evoluation of mind, self realization and the emancipation of the spiritual realization of higher values of life. They believed in unchangable enternal values of life that is truth, beauty and goodness. This was the philosophy of education. They believed that ideals are not man made but already existing in the world and man has only to re-discover them with constant effort. According to them the mind is the creator of the new and explains the existing phenomena. To them, man's spiritual nature is the very essence of his being and it is he who should create a spiritual environment free from all the worldly materialistic attachment. They mean spiritual gifts of the spiritual realm should be acquired



by a person by concious effort. The Indian philosophy emphasizes on the search of absolute truth. So as to gain infinite knowledge about truth which will liberate the soul. The most vital concept of Indian philosophy relates to 'Mukti' which means the disinterested love for the wold. This further leads to the path renunciation of both good and bad of life He has to seek the path of concentration and meditation which finally emerge himself to the state of emancipation. So the concept of education in ancient India was very rigid. It has given much importance to the realization of rigid eternal values which are unchangable. So it was a hard task for a general man to understand what is so called education at that time.

But as the time passed by, the concept of Indian education gradually got influence by the concept of Western education. By analysing the views of Westren thinkers like Rousseau Pestallozzy, John Dewey, the rigidity of Indian educational concept has been relaxed to much extend. Today, we can say that our concept of education has come a long way and taken direction towards relaxation and flexibility of rigid concept. According to John Dewey, who is a stanuch advocator of pragmatism that the idea of the world of absolute and unchangable truth is impracticable. According to him there is no fixed belief, as such beliefs change as the life needs of an individual society. He said in a changing society it is not contemplation for a man but action which brings success in man's struggle. He emphasized science and scientific methods. He rejected readymade curriculum; he wants it to be consisted of activities. So his theory has given birth to modern method, like problem solving methods, project method, child-centred activity etc. These

are some of the methods which we are trying to adopt in our educational system at present.

The western thinkers advocators of innovation in educational system. They never believe in rigidity of values. According to them, the values change according to the condition of the society.

According to Rousseau the aim of education in the attainment of the fullest natural growth of the individual. He advocated to offering complete freedom to the child so that he can be harmonius-ly developed his personality. Our present educational system has removed the rigidity and there is scope for much freedom in learning. Flexibility is also found, the values of life has been changed according to the change of the society. We cannot deny that this contribution has come from Western educational influence.

According to Pastallozzi education is the natural harmonious and progressive development. It means that much emphasis in given on social environment for the child's development. He gave much importance to the environment in which the child would be put into and grow progressively with whatever amount of potency he has. He emphasised an individual difference. Our present educational system now tries to look into the child's innate potency and give education accordinly which as the direct impact of the west. So, in short. We can say that our mordern view of education has borrowed much of its trends from the Western educational trends. Now our educational system which we can observe is a synthesis of Western and Indian education. It has the following features—

1. Inducing of personality.
2. Development of personality.
3. Biological process.
4. Making of Man.
5. Mind is the instrument of, acquisition of knowledge.
6. Intrinsive potency.



Our modern educators believe in fullest development of physical, mental and spiritual of each and every child. Keeping in view all the points mentioned above, our curriculum has been framed. We are trying to provide educational situations to a child where he can reconstruct and recognize his experiences by interacting with social, economic, political and spiritual environment and get some experiencc and it will be a part of education. Thus those experience will be the basis for new experience and bring a change in behaviour.

Now we are provided with such curriculum where education is not confined to class-room teaching, where children are only passive listeners but allows interaction in teaching learning situation where a child is let to behavioural change.

Our traditional curriculum was subject centred which gave much importance to academic subjects. There is hardly any option given to a child, but as a result of the contributions of John Dewey in education it is now shifted to child centred curriculum, basing on the students' interest, aptitude, impulses and experiences. At present, some of our institutions have introduced projects method where every child can enjoy his envolvement in learning process, the teacher is only a guide to direct the child. The child is given liberty togather information to analyse, he is given a chance to discuss and to solve the problems. The child has even the right to challange the teacher regarding a particular question. We have now been trying to introduce activity curriculum where activity is a means for imparting knowledge, skills, attitudes and appreciations New trends in education such as grading systems self learning programmed open school, open universities to mention a few. All these programmes have been carried out to impart education the masses. In this way, the Western educational system has greatly influenced our Indian educational system.

# TOMATO
## As a food Nutrient.

Mahibul Islam
H. S. 2nd yr. (Sc)

Tomato is one of the most important vegeta ble in the most regions of the world. It occupies as important place in the died as a protective food. It is one of the most wonderful and effective blood cleanser of all the foods known to man.

Botanically tomato is Lycopersicon esculentum. It is considered to be a native of South America, probably Peru-Equator. From there it was brought to Europe by the spaniards in the early of the 16th century. But for several hundred years, it was grown as garden ornament and was called 'Love apple.' Only in 1860 it was discovered that tomato was as good a food as any other fruit or vegetable. Soon after this discovery it became very popular all over the world and it holds second place among the vegetables produced, first place being held by potato.

In Assamese tomato is called 'Bilahi.' Now a days it is largly farmed in the most area of Assam. Here it is harvested generaly in the months of November to March. It is an important commercial crop of Assam.

Food value:—

Only about 125 years back, tomato was considered poisonous. It was regarded by many as an acid forming food, which would increase the acidity of the blood and body, tissues. Because of this belief, those suffering from gout,



rheumatism, arthritis and general acidosis were advised not to eat it. It was also blamed to be a cencer culprit. It was thought that it had no food value and that it supplied only colour and flavour to the diet. The latest studies in international chemistry have however completely dispelled these baseless idea about tomato. It is now considered to have unsurpassable nutritional and medicinal qualities.

An analysis of tomato shows it to contain moisture 94 percent, protein 0·9 percent, fat 0·2 percent, minerals 0·5 percent, fibre 0·8 percent and carbohydrates 3·9 percent per 100 grams. Its vitamin and mineral contents are calcium 48 mg peacent, phosphorus 20 mg percent, iron 0·4 mg percent, carotene 351 mg percent, thiamine 0·12 mg percent, riboflavin 0·06 mg percent, niacin 0·4 mg percent and vitamin 27 mg percent per 100 grams.

Medicinal virtues:—

Tomato removes disease particles and open the natural channels of the body. It is a gentle natural stimulant for kidneys and helps to wash away the poisons which cause diseases and contaminate our system.

( i ) Acidosis:—

The tomato is essentially an alkaline vegetable. Its acid tasts is due to malic acid which is about 0·5 percent. This vegetable leaves an alkaline ash in the process of being oxidised by the body. This increases the alkalinity of the body and decreases that of the urine and neutralises the acid compounds of the body such as phosphate, Urea and ammonia. It is therefore highly bereficial in the treatment of acidosis and other diseases associated with too much acid in the system.

(ii) Diabetes:—

Because of its low carbohydrate content, it is very good for diabetic patients and for thouse who want to reduce their body weight. It is said to be very effective

in controlling the percentage of suger in the urine of diabetic patients.

(iii) Deficiency diseases— Tomato contains many kind of Vitamins and minerals and so it gives relief from some deficiency disease and good health.

a) Pellegra:— The cause of Pellegra is dificiency of Niacine. As a good source of Niacine one pellegra suffering patient may take tomato for his recovery.

b) Beri-beri:— Being a good source of vitamin $B_1$ or thiamine a patient suffering Beri-beri may take tomato to recover the disease.

c) Eye disorders— Being a rich source of vitamine A or carotene, tomatoes are a preventive against night blindness, short sightedness and other disease of eye caused by the deficiency of vitamins. Tomato leaves are also useful in eye weakness.

iv) Urinary disorders— Eating a tomato early in the morning is found to be very effective medicine to prevent the formation of urinary calculi by supplying sufficient quantity of acids and vitamins A and C. Tomato restrics the acid value of urine to 5·5 or less, thereby reducing the chances of infection by increasing the acidity of urine.

v) Obesity:— Tomato are highly beneficial in the treatment of obesity. One or two ripe tomatoes taken early in the morning with out breakfast, for a couple of months is considered a safe method of reduction in weight and at the same time, it also supplies the essential food elments to preserve the health.

vi) Painful Joints:— The juice of whole plant including leaves, mixed with equal quantity of til-oil is heated until all the watery part is evaporated and ail is preserved in a bottle. This oil, massaged over painful joints and sprains and on fermenting with dry heat, gives a great relief.

Beauty Aid:— Tomato as an external application can be used as a cosmetic. Its pulp should be applied liberally on the face and felt there for an hour and then washed with warm water. Repeated daily, it will give good complexion and remove ugly-looking pimples in a short time.

Uses:—

Fresh tomatoes are very refreshing and appetising. They can be cooked, steamed or backed to add variety to the meals. They form as essential ingredient in soups. They combine well with other vegetables to form a mixed vegetables. Pickless and stew made of tomatoes are always relished. They should however, be taken in the form of raw salad to get the most out of them.

Tomatoes are at their best when they are full ripe. Their vitamin C content increases as they ripen. Tomato juice is probably one of the most widly used juices. Fresh raw tomato juice is most beneficial and has an alkaline reaction. When digested, in concentrated form. So we should take a beneficial chance from it.

N. B.— Help is taken from Dr. R. K. Bhatnagar's article. He is an Associate Professor in Maulana Azad Medical College, New Delhi.

# ছাত্ৰ একতা সভাৰ

# সম্পাদকীয়

# প্ৰতিবেদনৰ

# শিতান-

চন— ১৯৯৬-৯৭ ইং







ৰূপালী জয়ন্তী উৎসৱ উন্মোচনৰত অৱস্থাত তেতিয়াৰ বৰপেটা জিলাৰ উপায়ুক্ত মাননীয় শ্ৰীযুত যতীন্দ্ৰ নাথ গোস্বামী দেৱ।



ৰূপালী জয়ন্তী উৎসৱৰ প্ৰদৰ্শনীৰ দ্বাৰা উন্মোচন কৰা অৱস্থাত তেতিয়াৰ বৰপেটা জিলাৰ অতিৰিক্ত সহকাৰী আয়ুক্ত মাননীয় মহঃ শুকুৰ আলী।




ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা চক্ৰত অসমৰ বিশিষ্ট বুদ্ধিজীৱি ড° অমলেন্দু গুহ আৰু লগতে কটন কলেজৰ অধ্যাপক ড° উদয়াদিত্য ভৰালী।



ৰূপালী জয়ন্তী উৎসৱৰ মুকলি সভাত ভাষণৰত অৱস্থাত অসমৰ জলসিঞ্চন মন্ত্ৰী জনাব আব্দুল মুহিম মজুমদাৰ চাহাব।

## নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন—

নৱজ্যোতি মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ ইং চনৰ ৰূপালী জয়ন্তী বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাবে যিসকল বন্ধু-বান্ধৱীৰ উৎসাহ ও প্ৰেৰণাই মোক উক্ত পদত অধিষ্ঠিত কৰিছিল লগতে মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন সেৱা কৰাৰ যি দায়িত্ব বন্ধু-বান্ধৱীসকলে মোক দিছিল সেই দায়িত্ব আশাকৰা মতে মই নিশ্চয় পালন কৰিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত আব্দুছ ছাত্তাৰ আহমেদ তথা অন্যান্য শিক্ষাগুৰু সকলৰ সুহৃদয় পৰামৰ্শ আৰু বন্ধু-বান্ধৱী সকলৰ পূৰ্ণ অকুণ্ঠ সহায় সহযোগিতাৰে মই মোৰ কাৰ্য্যকালক ভৱিষ্যতৰ বাবে প্ৰেৰণাৰ ইতিহাস ৰূপে চিহ্নিত কৰিব খুজিছিলোঁ যদিও বিভিন্ন পৰিবেশে মোৰ সেই আশা কেতিয়াবাই চুৰমাৰ কৰি দিলে। ফলত থাকিল কৰ্মক্ষেত্ৰ নাথাকিল সুবিধা। প্ৰতিবেদন হিচাবে সেয়ে মোৰ বিশেষ ইতিবাচক একো নাই যদিও ......... ।

নৱজ্যোতি মহাবিদ্যালয়খন বৰপেটা জিলাৰ এক বৃহৎ অঞ্চলৰ প্ৰগতিৰ অন্যতম ঘাই সুতি হিচাবে অসংখ্য মানুহৰ কষ্টোপাৰ্জিত টকা ও ত্যাগেৰে প্ৰতিষ্ঠিত হোৱা এক শিক্ষানুষ্ঠান। ইয়াৰ জৰিয়তে উঠি অহা যুৱক-যুৱতীক বৃত্তিমুখী শিক্ষা প্ৰদানৰ লগতে বাস্তৱমুখী কৰি তোলাটো নিত্যান্তই আৱশ্যক।

শিক্ষা প্ৰক্ৰিয়াটো সাৰ্থক হিচাবে ৰূপায়িত কৰি তোলাটো ইমান সহজলভ্য নহয়। সম্ভৱ হ'ব তেতিয়া যেতিয়া— ১। কৰ্ত্তব্যত একাগ্ৰতা। ২। শিক্ষক-শিক্ষয়িত্ৰী তথা বিভিন্ন দায়িত্বত থকা ব্যক্তিসকলৰ লগত সুসম্বন্ধ ও উত্তম পৰামৰ্শ লাভ ও গ্ৰহণ। ৩। ঐক্যতা বজাই ৰখা আৰু ৪। নিজক সমালোচনা কৰিব শিকা।

উপৰোক্ত লক্ষণ সমূহৰ কোনোটোৱেই ছাত্ৰ হিচাবে আমাৰ গাত ভালকৈ পৰিলক্ষিত হোৱা দেখা নাযায়। আমি প্ৰত্যেকেই স্পষ্টকৈ মনত ৰখা উচিত হ'ব যে,— "শিক্ষাগুৰুৰ স্থান সৃষ্টিকৰ্ত্তাৰ পিছতেই পিতা-মাতাৰ সমসাময়িক"।

উত্তৰাগত ছাত্ৰ একতা সভাৰ সমূহ সদস্য,

সদস্যাৰ ঐক্যতা ও মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সংবিধানত বৈ যোৱা কিছু ভুল শুধৰণী ও কলেজখনৰ সৰ্বতোমুখী উন্নতি হোৱাৰ লগে লগে এই বৃহৎ অঞ্চলৰ, জাতিৰ তথা দেশৰ উন্নতিৰ কামনা কৰি কলেজ প্ৰতিষ্ঠাপক, দেশ তথা জাতিৰ হকে প্ৰাণত্যাগ কৰা শ্বহীদ সকলৰ নিঃস্বাৰ্থ ত্যাগৰ মহানতাক সুঁৱৰি মোক সেৱক হোৱাৰ সুবিধা দিয়াসকলক তেওঁলোকৰ বন্ধুত্বৰ বাবে কৃতজ্ঞতা জনাই আৰু মোৰ সহকৰ্মী আলোচনী সম্পাদক আজাদ হুছেইন শ্বৰীফ'ক মোৰ আন্তৰিকতা জ্ঞাপন কৰি, দায়িত্ব পালনত বৈ যোৱা বিভিন্ন সুকুটা-বোৰৰ বাবে আটাইয়েৰে ওচৰত ক্ষমা বিচাৰি ক্ষুদ্ৰ লেখনিৰ ইতিৰেখা টানিছো। ইতি—

শ্ৰদ্ধাৰে—
খায়ৰুল আলম আহমেদ
উপ-সভাপতি,
নৰজ্যোতি মহাবিদ্যালয়, ছাত্ৰ একতা সভা।

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন—

পৰম কৰুণাময় মহান সৃষ্টিকৰ্ত্তাৰ ওপৰত নিৰ্ভৰ কৰি পবিত্ৰ অন্তৰেৰে মই মোৰ বছৰেকীয়া প্ৰতিবেদন লিখিবলৈ আৰম্ভ কৰিলো।

প্ৰতিবেদনৰ পাতনিতেই মই সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো, যিসকল মহান ব্যক্তিৰ কঠোৰ পৰিশ্ৰমৰ ফলত এনেহেন পিছপৰা অঞ্চলত উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তুলিবলৈ সক্ষম হৈছিল লগতে নৰজ্যোতি মহাবিদ্যালয়ৰ পৰম পুজনীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকললৈ মোৰ শুভেচ্ছা আৰু শ্ৰদ্ধাঞ্জলিৰ শৰাই আগবঢ়ালো। যিসকল ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱীয়ে পবিত্ৰ, আশীৰ্বাদ, মৰম, সহায়-সহানুভূতি আদিৰে বিনাপ্ৰতিদ্ব-ন্দ্বিতাৰে মোক নৰজ্যোতি মহাবিদ্যালয়ৰ এজনী সম্পাদিকা হিচাবে পৰিচয় দিব পৰা সুযোগকণ দান কৰিছে সেইসকল বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মোৰ যিখিনি দায়িত্ব আছিল, সেইখিনিত মই কিমানদূৰ সাফল্য লাভ কৰিব পৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। মোৰ কাৰ্য্যকালত হোৱা কামৰ মাজত বাৰ্তৰি কাকত যোগান, বাল্টি, আৰচি, কাপ, দেৱাল ঘড়ী, গ্লাচ, লোটা-ঘটি আদি কৰি এই সকলোবোৰ আপোনালোকৰ চকুৰ আগত। কেতিয়াবা পানী যোগানৰ কাৰণে মই চকীদাৰ বা কলেজ কৰ্তৃপক্ষৰ ওপৰত নিৰ্ভৰ কৰা নাছিলো। যিবোৰ কাম নেকি মই নিজহাতে কৰিছিলো। একমাত্ৰ ছাত্ৰীসকলৰ সুবিধাৰ কাৰণে যেন তেওঁলোকৰ কোনো অসুবিধা নহয়। মোৰ পিছৰ সম্পাদিকাই তেওঁৰ কামৰ দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰিব বুলি মোৰ বিশ্বাস আৰু তাৰ পৰা ছাত্ৰী-বান্ধৱীসকলৰ যথেষ্ট সুবিধা হব বুলি আশা কৰিলো।

মোৰ বিভিন্ন কামত সৎ উপদেশ আৰু লগতে উৎসা উদ্দীপনা জগোৱা ভাৰপ্ৰাপ্ত অধ্যাপিকা মিছেছ্ মেহেৰুন নেচা বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ।

যিসকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্যকালত মোক সহায় কৰিছিল সেই সকলৰ নাম উল্লেখ নকৰি থাকিব নোৱাৰিলো। সেইসকলৰ বন্ধু হ'ল ৰফিকুল ইছলাম, আজাদ শ্বৰীফ (সম্পাদক আলোচনী বিঃ), সাঃ সম্পাদক আনোৱাৰ হুছেইন আৰু বান্ধৱীসকল— আচমা, আবিদা, আমিনা, জামিৰণ, স্বহিদা খানম, ওস্মিয়াৰা খাতুন, মাহমুদা খাতুন আদিলৈ মোৰ আন্তৰিক মৰম আৰু ভালপোৱা থাকিল।

সদৌ শেষত মই মোৰ অজানিতে হোৱা ভুল ত্ৰুটিৰ ক্ষমা বিচাৰি আৰু নৰজ্যোতি মহাবিদালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

জয়তু নৰজ্যোতি মহাবিদালয় ॥
জয়তু নৰজ্যোতি মহাবিদালয়
ছাত্ৰ একতা সভা ॥

প্ৰীতি আৰু শুভেচ্ছাৰে—
আয়শা খানম
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা।

# নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন—

প্ৰতিবেদন লিখাৰ পাতনি মেলাৰ আৰম্ভণিতেই সেই সকল ব্যক্তিক শত শত ছালাম আৰু ধন্যবাদ জনাইছো, যিসকল ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত পশ্চিম বৰপেটা আৰু পূৱ অভয়াপুৰীৰ মাজত অৱস্থিত কলগাছিয়াৰ নিচিনা এখন পিছপৰা অঞ্চলত গঢ়ি উঠে এটি উচ্চ শিক্ষাৰ অনুষ্ঠান "নৱজ্যোতি মহাবিদ্যালয়"। বৰ্ত্তমান সেই সকল পূজনীয় ব্যক্তি আমাৰ মাজত নাই। তেওঁলোকৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছো।

যিসকলে বিগত অসম আন্দোলনত যুঁজি অসমৰ মাটি কেচা তেজেৰে ৰাঙলি কৰি শ্বহীদ বৰণ কৰিছে, তেখেতসকলৰ আত্মাৰ সদগতিৰ বাবে সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

ইয়াৰ লগতে আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আৰু যিসকল বন্ধু-বান্ধৱীয়ে নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত 'আমছু' গোটৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাৰে সহকাৰী সাধাৰণ সম্পাদকৰ পদত দায়িত্ব ভাৰ গ্ৰহণ কৰিবলৈ সুযোগ আগবঢ়াইছে সেইসকল ব্যক্তিলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিলো, যি সময়ত নৱজ্যোতি মহাবিদ্যালয়ে ২৫ বছৰ বয়সত ভৰি দিলে। মই হয়তো ৰূপালী জয়ন্তীৰ কৰিবলীয়া দায়িত্ব নিয়াৰিকৈ কৰিব পৰা নাছিলো। কাৰণ মোৰ কোনো ধৰণৰ পুঁজি নাছিল। তথাপি যিখিনি কৰিছো তাত মোক বিশেষকৈ সহায় কৰিছে মাননীয় নজমুল হক (অধ্যাপক) লগতে অন্যান্য শিক্ষাগুৰুৰ সহায় নথকা নহয়। তেওঁলোককো আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

মই স্বীকাৰ কৰো যে মোৰ কাৰ্য্যকালত অধ্যক্ষ মহোদয়ক আদি কৰি সমূহ শিক্ষাগুৰু সকলে পূৰ্ণ পৰামৰ্শ আৰু লগতে শাৰিৰীক আৰু মানসিক দুয়ো প্ৰকাৰে সহায় সহযোগিতা আগবঢ়াইছে গতিকে সমূহ শিক্ষাগুৰুৰ ওচৰত মই চিৰকৃতজ্ঞ। ৰূপালী জয়ন্তী উৎসৱত মই ছাত্ৰ-ছাত্ৰীসকলৰ পৰাও পূৰ্ণ সহযোগিতা পাইছোঁ। তাৰ ভিতৰত পূৱ কলগাছিয়াৰ দিলবৰ হুছাইন। তেওঁ মোক সকলো ধৰণৰ পৰামৰ্শ আৰু লগতে মানসিক আৰু শাৰিৰীক পৰিশ্ৰম দান কৰিছে। তেওঁৰ ওচৰতো মই চিৰকৃতজ্ঞ।

আজি মোৰ কাৰ্যভাৱৰ শেষত বহুত কথাই মোক জুমুৰি মাৰি ধৰিছে। সেয়েহে প্ৰতিবেদন আৰু অপ্ৰাসঙ্গিক হোৱাৰ ভয়ত প্ৰতিবেদনৰো সামৰণি মাৰিছো। শেষত শিক্ষাগুৰু আৰু মোৰ বন্ধু বান্ধৱীসকলৰ ওচৰত মোৰ ভুলৰ মাৰ্জনা বিচাৰি আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত সৰ্বোন্নতি কামনাৰে।

শ্ৰদ্ধাৰে—

আমিৰ হুছেইন

সহকাৰী সাধাৰণ সম্পাদক,

ছাত্ৰ একতা সভা।

# ব্যায়াম বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতেই সেই মহান ব্যক্তিসকলৰ আত্মাৰ সদ্‌গতিৰ বাবে পৰম সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ, যিসকল মহান ব্যক্তিৰ সৎ চিন্তা আৰু উদ্যমৰ ফলত এই জ্ঞান মন্দিৰ স্বৰূপ শিক্ষানুষ্ঠানটি প্ৰতিষ্ঠা হৈছিল।

দ্বিতীয়তে নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ মাননীয় শিক্ষাগুৰুলৈ মোৰ সশ্ৰদ্ধা প্ৰণাম তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ প্ৰীতিভৰা কৃতজ্ঞতা জনাইছোঁ।

১৯৯৬-৯৭ চনৰ বাবে শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলে ব্যায়াম বিভাগৰ গুৰু দায়িত্ব মোৰ ওপৰতেই অৰ্পন কৰে।ময়ো গুৰু দায়িত্ব কান্ধপাতি লৈ ভাবিছিলো যে নিশ্চয় এইবাৰ মই ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যায়ামৰ প্ৰতি স্পৃহা জগাই তুলিম। কিন্তু ভবামতে নহ'ল। বিশেষকৈ পুঁজিৰ অভাৱত। যিহেতু পুঁজিৰ অভাৱৰ বাবেই বহুতো ব্যায়াম সমগ্ৰীৰ মুখ নেদেখিলো। সেই কাৰণে আমি বহুতো

সামগ্ৰীৰ পৰা যেন বঞ্চিত হৈ আছোঁ। কবলৈ গলে ব্যায়াম বিভাগৰ দুই এটা সামগ্ৰীৰ বাদে আন একো নাই। গতিকে মই ভবাৰ দৰে ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যায়ামৰ প্ৰতি স্পৃহা জগাওঁ কেনেকৈ? ব্যায়ামৰ সামগ্ৰীৰ বাবে কৰ্তৃপক্ষৰ ওচৰত জনাইছো। নহলে ব্যায়ামৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মাজত স্পৃহা নাইকীয়া হৈ পৰিব।

মোৰ কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে সৎ দিহা পৰামৰ্শৰে আগবঢ়াই নিয়া ব্যায়াম বিভাগৰ তত্ত্বাৱধায়ক মাননীয় অধ্যাপক আব্দুল খালেক এম, এছছি মহোদয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে এই ক্ষেত্ৰত সহায় কৰা বন্ধু হালিম, মফিজুল, শাহাজুল আৰু খাইৰুল আলমলৈ মোৰ আন্তৰিক প্ৰীতিভৰা কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত, মোৰ কাৰ্যকালত হোৱা অনেক ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু নৱজ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ইতি—

শ্ৰদ্ধাৰে—

—দিলনুৰ ৰহমান
সম্পাদক, ব্যায়াম বিভাগ,
ছাত্ৰ একতা সভা।

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰু জাতীয় মুক্তি সংগ্ৰামত মৃত্যুবৰণ কৰা জ্ঞাত অজ্ঞাত বীৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো লগতে চিৰ জীৱনৰ বাবে পংগু হৈ পৰা নিৰ্য্যাতিত সকললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলো।

১৯৯৬-৯৭ ইং চনৰ বছৰটোৰ বাবে নৱজ্যোতি মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মহাবিদ্যালয়ক সেৱা কৰাৰ সুযোগ পোৱাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।



এইবেলি মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাখন সমূহ ছাত্ৰ ছাত্ৰীৰ সহযোগত মহাবিদ্যালয় চৌহদত শ্ৰমদান কৰা হৈছিল। বহু ছাত্ৰ-ছাত্ৰীয়ে নিষ্ঠাৰে শ্ৰমদান কৰি সেৱাৰ মনোভাব প্ৰদৰ্শন কৰিছিল। বিশেষকৈ আনোৱাৰ, ছানোৱাৰ, হালিম, কবুল, বুলবুল, মুন, ইউছুফ (মদিনা), ৰহিমা সেই সকল বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁলোকে সেৱাৰ আদৰ্শৰে দেশ আৰু জাতিৰ সেৱা কৰক তাৰেই আশা ৰাখিলো।

আশা কৰো ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (N. S. S.)ৰ ভৱিষ্যতে দুৰাৰোগ্য ব্যাধি AIDS ৰ বিষয়ে আমাৰ সকলো ছাত্ৰ-ছাত্ৰী সচেতন হব আৰু লগতে আশা কৰো ছাত্ৰ-ছাত্ৰীসকলে এই মাৰাত্মক ব্যাধি সম্পৰ্কে জনসাধাৰণৰ মাজত সচেতনতা আনি দিব। শেষত মোক দিহা পৰামৰ্শ দি সহায় কৰা তত্ত্বাৱধায়ক অধ্যাপক মাননীয় মোঃ ৰমজান আলী লগতে অধ্যাপক সেখ শ্বাহজামাল আৰু সমূহ শিক্ষাগুৰু সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালত অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি আৰু লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো। ইতি—

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয় আই অসম"

শ্ৰদ্ধাৰে—

ইচমাইল হোচেইন
সম্পাদক, সমাজ সেৱা বিভাগ।
নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

Nabajyoti College Library, Estd.-1971, Dist.-Barpeta (Assam).

## তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকল ব্যক্তিৰ অশেষ প্ৰচেষ্টাত এই নৱজ্যোতি মহবিদ্যালয় স্থাপন হৈছে তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

১৯৯৬–৯৭ ইং চনৰ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাবে সেৱা কৰাৰ সুযোগ পোৱাৰ বাবে আঁৰত থকা সমূহ ব্যক্তিলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এজন সম্পাদক হিচাবে মই কিমান দূৰ সফল হব পাৰিলো সেয়া সুধী সমাজৰ বিচাৰ্য্যৰ বিষয়। মোৰ অজ্ঞাত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থী। মহাবিদ্যালয় সপ্তাহত পৰম্পৰাগত ভাৱে অনুষ্ঠিত কৰা আটাইবোৰ প্ৰতিযোগিতাত মোক সহায় কৰা এই বিভাগৰ তত্বাৱধায়ক মহোদয় শ্ৰীসুশীল কুমাৰ সৰকাৰ ছাৰৰ লগতে আটাইৰে প্ৰতি কৃতজ্ঞতা জনাইছো। কিন্তু পৰিতাপৰ বিষয় এই যে প্ৰতিযোগীৰ অভাৱত প্ৰতিযোগিতাসমূহ উচ্চমানৰ নহ'ল। আশা কৰো এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ সুধী সমাজে অলপ লক্ষ্য ৰাখিব। যাৰ পৰিপ্ৰেক্ষিতত আমাৰ মহাবিদ্যালয়ৰ পৰা আন্তঃকলেজ তথা যুৱ মহোৎসৱৰ প্ৰতিযোগিতাত যোগদান কৰি সুনাম অৰ্জন কৰিব পাৰিব।

আনহাতে আমাৰ মহাবিদ্যালয়ৰ বিভাগীয় বাজেট সমূহ অতি সীমিত। এই ক্ষেত্ৰত পৰৱৰ্তী সময়ত দৃষ্টি ৰাখিব বুলি আশা থাকিল।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্ব্বতো প্ৰকাৰৰ মংগল কামনা কৰি মোৰ অজ্ঞানিত ভুলৰ বাবে অধ্যক্ষ মহোদয়, লগতে সমূহ শিক্ষাগুৰু, বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছো। তৰ্কৰ আৰু আলোচনাৰ মাজেৰে খুলি যাওঁক প্ৰগতিৰ সমূহ দুৱাৰ। এই কামনাৰে—

শ্ৰদ্ধাৰে—

**আব্দুৰ ৰহিম**

সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ।

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

## ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন—

প্ৰতিবেদনৰ প্ৰাক মুহুৰ্ত্তত যিসকল ব্যক্তিৰ প্ৰচেষ্টাত নৱজ্যোতি মহাবিদ্যালয় স্থাপন হৈছিল, সেইসকল ব্যক্তিলৈ থাকিল মোৰ আন্তৰিক কৃতজ্ঞতা।

১৯৯৬–৯৭ ইং চনৰ বাবে নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰিবলৈ পোৱাটো মোৰ বাবে চিৰস্মৰণীয়। এই বছৰটোতে মহাবিদ্যালয়খনে সাফল্যৰ ২৫ টা বছৰ অতিক্ৰম কৰাৰ উৎসৱ পালন কৰিলে। কিন্তু দুখৰ বিষয় এতিয়ালৈ আমি ছাত্ৰ সমাজে সুন্দৰ এটা জিৰণি কোঠা নাপালো। অৱশ্যে অনুষ্ঠান একোটাৰ নানা সমস্যা থাকে। কিন্তু তাৰ মাজেদিয়েই যাতে এটা সুন্দৰ, স্থায়ী ছাত্ৰ জিৰণি কোঠা নিৰ্মাণ হয় তাৰ বাবে ইয়াৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল।

মোৰ কাৰ্য্যকালত মই পৰম্পৰা ৰক্ষাৰ বাদে অইন কোনো উল্লেখযোগ্য কাম কৰিব পৰা নাই। বৰ্ত্তমানৰ সময়ত ছাত্ৰ একতা সভাৰ বিভাগীয় বাজেট সমূহ বৰ পুতৌলগা। গতিকে বাজেট সমূহ বঢ়োৱাৰ যথেষ্ট থল আছে।

এইখিনিতে এটা কথা লিখি মোৰ প্ৰতিবেদন সামৰিব বিচাৰিছো। নৱজোতি মহাবিদ্যালয় স্থাপনৰ প্ৰকৃত উদ্দেশ্য ছাত্ৰ সমাজৰ হাতত। গতিকে মহাবিদ্যালয়ৰ প্ৰত্যেকটো দিশৰ মান উন্নত কৰাৰ বাবে আমি ছাত্ৰ সমাজে যাতে যোগদান কৰো তাৰ বাবে মোৰ আহ্বান থাকিল।

মোৰ কাৰ্যকালত যথেষ্ট উৎসা, অনুপ্ৰেৰণা যোগোৱা আলোচনী সম্পাদক আজাদলৈ মোৰ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰাৰ আগতে মোৰ তত্বাৱধায়ক মহোদয় মজিবৰ ৰহমান ছাৰ, ছাত্ৰ একতা সভাৰ স্থায়ী সভাপতি অধ্যক্ষ মহোদয়লৈ মোৰ শলাগৰ শৰাই আগবঢ়ালো। মহাবিদ্যালয়ৰ প্ৰত্যেকজন বন্ধু-বান্ধৱীলৈ মোৰ শলাগ জনাই মোৰ ভুল ত্ৰুটি মাৰ্জনা বিচাৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলো। ইতি—

শ্ৰদ্ধৰে—

**নজৰুল ইছলাম**

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

নৱজ্যোতি মহাবিদ্যালয়, ছাত্ৰ একতা সভা।

# গুৰু খেল বিভাগৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন—

মোৰ কাৰ্য্যৰ খতিয়ান দিবলৈ গৈ বিপাঙত পৰিছো, মইনো মোৰ কাৰ্য্যকালত মহাৰিদ্যালয়ৰ বাবে কি কৰিলো সেয়া বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকলৰ মাজত এৰি দিছো ।

বিগত বছৰটোৰ মহাৰিদ্যালয় সপ্তাহত মোৰ দায়িত্বত থকা খেল প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হৈ যায় । অতি দুখৰ বিষয় যে এই খেল সমূহত প্ৰতিযোগীৰ সংখ্যা বৰ নিৰাশজনক আছিল । বিশ্লেষণ কৰিলে বহুতো কাৰণ পোৱা যায় তাৰ কেইটামান কাৰণ হ'ল—

১। প্ৰতিযোগী সকলৰ উপযুক্ত অনুশীলনৰ অভাৱ ।

২। উপযুক্ত প্ৰশিক্ষণৰ অভাৱ ।

৩। উপযুক্ত সা-সৰঞ্জামৰ অভাৱ ।

তদুপৰি আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ খেল পথাৰখন প্ৰয়োজনীয়তকৈ বহুত সৰু যত দৌৰ প্ৰতিযোগীতাৰ বাবে ভাল ট্ৰেক নিৰ্মাণ কৰিব নোৱাৰি ।

এইটো নহয় যে আমাৰ মহাবিদ্যালয়খনত ক্ৰীড়াৰ ক্ষেত্ৰত প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীৰ অভাৱ ঘটিছে । কিন্তু এই প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সকলে যাতে তেওঁলোকৰ প্ৰতিভাৰ বিকাশ ঘটাব পাৰে তাৰ বাবে উপযুক্ত প্ৰশিক্ষণ তথা সা-সৰঞ্জামৰ ব্যৱস্থা কৰাটো মহাৰিদ্যালায় কৰ্তৃপক্ষৰ কৰ্ত্তব্য বুলি ভাবো মোৰ কাৰ্য্যকালৰ সময়ত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয় ।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহত প্ৰথম ক্ৰিকেট প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয় । খেলৰ সা-সৰঞ্জাম নতুনকৈ কিনা হয় । এই ক্ৰিকেট খেলত মুঠ পাচটা দলে অংশ গ্ৰহণ কৰিছিল আৰু ফকৰুল আলমৰ দলে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়া বিভাগীয় তত্বাৱধায়ক অধ্যাপক মাননীয় আশিফুল হ'ক আৰু অধ্যাপক মাননীয় ওমৰ আলী আহমেদলৈ মোৰ গভীৰ শ্ৰদ্ধা ও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো । ইয়াৰ উপৰিও সৰ্বশেষত নৱজ্যোতি মহবিদ্যালয়ৰ সৰ্ব্বাংগীন শুভ কামনাৰে উল্লাহেৰে । ইতি— খোদা হাফিজ ।

প্ৰীতি আৰু শুভেচ্ছাৰে—
মেহবুব শ্বহীদ ভূঞা
সম্পাদক, গুৰু খেল বিভাগ ।
নৱজ্যোতি মহাবিদ্যালয়, ছাত্ৰ একতা সভা ।

সমাপ্ত

# Our Ex - Editors & Editress

| | | |
|---|---|---|
| 1st Issue | - ROFIQUL ISLAM | 1979-80 |
| 2nd ,, | - L. M. KHAN | 1981-82 |
| 3rd ,, | - M. MAZEDUR RAHMAN | 1982-83 |
| 4th ,, | - RUSTOM ALI AHMED | 1983-84 |
| 5th ,, | - MISS. MAHMUDA KHANAM | 1984-85 |
| 6th ,, | - NURUL ISLAM | 1985-86 |
| 7th ,, | - M. U. AHMED | 1986-87 |
| 8th ,, | - A.S. AHMED | 1987-88 |
| 9th ,, | - A. H. ALI | 1988-89 |
| 10th ,, | - M. A. RAHMAN | 1989-90 |
| 11th ,, | - RAFIQUL ISLAM | 1990-91 |
| 12th ,, | - SHAHZAHAN ALI (SHAZAMAL) | 1991-92 |
| 13th ,, | - MUZZAMMEL HUSSAIN | 1992-93 |
| 14th ,, | - ZAHIDUL ISLAM | 1993-94 |
| 15th ,, | - ZAKIR HUSSAIN | 1994-95 |
| 16th ,, | - HALALUDDIN | 1995-96 |

Estd- 1971
Dist:-Kamrup,
(Assam).

☆ নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হকে আলোচনী সম্পাদক আজাদ হুছেইন শ্বৰীফ - ৰ দ্বাৰা সম্পাদিত, প্ৰকাশিত আৰু প্ৰগতি প্ৰেছ কলগাছিয়াত মুদ্ৰিত ।